# Assam Legislative Assembly Debates

## OFFICIAL REPORT

FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. I

## No. 15

The 30th May 1978

1981
PRINTED AT THE ASSAM GOVERNMENT PRESS, GAUHATI

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1978

(Budget Session)

Volume I

No.15

Dated the 30th May, 1978

---

CONTENTS


| | Page |
|---|---|
| 1. Questions ... ... ... ... ... | 691—709 |
| 2. Miscellaneous ... ... ... ... | 710—711 |
| 3. Statement by Minister ... ... ... | 711—712 |
| 4. Report of the Business Advisory Committee ... | 712 |
| 5. Resolution ... .. .. ... ... | 713—753 |
| 6. Adjournment ... ... ... ... | 753 |

Proceedings of the Budget Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democrative Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Tuesday, the 30th May, 1978 with the Hon. Spea er in the Chair. 12 (twelvc) Ministers, 4 (four) Ministers of State, 4 (four) Parliamentary secretaries and 98 (ninety eight) members present,

## QUESTIONS

Starred Questson No. 40 was not put, the member being absent

### Re : **Land Acquisition Cases**

Shri ABDUL MUQTADIR CHOUDHURY asked :

*41. Will the Minister, Revenue be pleased to state—

How many land Acquisition cases for acquisition of land for construction of P. W. D. Roads and Flood Control Embankments prior to 1975 in Karimganj Subdivision are still pending for disposal ?

(Figure to be shown year-wise).

Shri LAKSHESWAR GOHIAN (Minister, Revenue) replied :

১৯৭৫ চনৰ আগলৈকে কৰিমগঞ্জ মহকুমাত গড়কাপ্তানী (পথ) বিভাগৰ মঠ ৭৩ টা ভূমি অধিগ্ৰহণ গোচৰ আৰু বান নিয়ন্ত্ৰণ বিভাগৰ মথাৰ্উিৰ নিৰ্ম্মাণ সম্পৰ্কৰ মঠ ৬৩ টা ভূমি অধিগ্ৰহণ গোচৰ চূড়ান্ত নিষ্পত্তিৰ বাবে আছে। গোচৰ বিলাকৰ সংখ্যাৰ বাৰ্ষিক-ক্ৰম সংশ্লিষ্ট বিভাগ অনুযায়ী তলত দেখুওৱা হ'ল ঃ—

১। গড়কাপ্তানী (পথ) বিভাগ

| চন | চূড়ান্ত নিষ্পত্তিৰ বাবে পৰি থকা গোচৰ সংখ্যা। |
|---|---|
| ১৯৫৩-৫৪ | ৪ টা গোচৰ। |
| ১৯৫৪-৫৫ | ৪ টা গোচৰ। |
| ১৯৫৫-৫৬ | ৩ টা গোচৰ। |
| ১৯৫৭-৫৮ | ৫ টা গোচৰ। |
| ১৯৫৮-৫৯ | ৪ টা গোচৰ। |
| ১৯৫৯-৬০ | ৭ টা গোচৰ। |
| ১৯৬১-৬২ | ২ টা গোচৰ। |
| ১৯৬২-৬৩ | ৫ টা গোচৰ। |
| ১৯৬৩-৬৪ | ৭ টা গোচৰ। |
| ১৯৬৪-৬৫ | ৩ টা গোচৰ। |
| ১৯৬৫-৬৬ | ১১ টা গোচৰ। |

| | |
|---|---|
| ১৯৬৬-৬৭ | ১ টা গোচৰ। |
| ১৯৬৯-৭০ | ৪ টা গোচৰ। |
| ১৯৭০-৭১ | ৪ টা গোচৰ। |
| ১৯৭১-৭২ | ৪ টা গোচৰ। |
| ১৯৭২-৭৩ | ২ টা গোচৰ। |
| ১৯৭৩-৭৪ | ৩ টা গোচৰ। |
| | মুঠ— ৭৩ টা গোচৰ। |

| ২। বান নিয়ন্ত্ৰণ বিভাগ চন | চূড়ান্ত নিষ্পত্তিৰ বাবে পৰি থকা গোচৰ সংখ্যা। |
|---|---|
| ১৯৫৫-৫৬ | ৫ টা গোচৰ। |
| ১৯৫৭-৫৮ | ৩ টা গোচৰ। |
| ১৯৫৮-৫৯ | ২ টা গোচৰ। |
| ১৯৬৫-৬৬ | ৩ টা গোচৰ। |
| ১৯৬৬-৬৭ | ৭ টা গোচৰ। |
| ১৯৬৭-৬৮ | ৩ টা গোচৰ। |
| ১৯৬৮-৬৯ | ২ টা গোচৰ। |
| ১৯৬৯-৭০ | ১১ টা গোচৰ। |
| ১৯৭০-৭১ | ৭ টা গোচৰ। |
| ১৯৭১-৭২ | ১০ টা গোচৰ। |
| ১৯৭২-৭৩ | ৩ টা গোচৰ। |
| ১৯৭৩-৭৪ | ৭ টা গোচৰ। |
| | মুঠ— ৬৩ টা গোচৰ। |

Shri ABDUL MUQTADIR CHOUDHURY : Mr. Speaker, Sir. I think there are some cases which are pending for more than 20 years. May I know from the Hon. Minister what is the reason for such delay in disposing of those cases ?

শ্ৰীলক্ষেশ্বৰ গোঁহাই (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, ইতিমধ্যে ৭৩ টা গোচৰৰ ভিতৰত ৫৩ টা আদায় দিয়া হল, ২০ টা বাকী আছে। ৯ টা গোচৰৰ ক্ষতিপূৰণ গড়কাপ্তানী বিভাগৰ পৰা মহকুমাধিপতিয়ে পোৱা নাই।৬ টা গোচৰ গেজেটত প্ৰকাশ পোৱা নাই। আৰু ২ টাৰ আপত্তি পুনৰ বিবেচনা কৰি থকা হৈছে। সেইকাৰণেই পলম হৈছে।

Shri ABDUL MUQTADIR CHAUDHURY :—Whether the Government will take adequate steps for disposing of old cases early ?

শ্ৰীলক্ষেশ্বৰ গোঁহাই (মন্ত্ৰী) :— ইতিমধ্যে আমি যোৱা ২৭।৫।৭৮ তাৰিখে আমাৰ জিলাৰ উপায়ুক্ত সকলৈ আৰু মহকুমাধিপতি সকললৈ আমি এখন চিঠি দি জনাইছো যে, আমাৰ পৰণা কেচবোৰ সোনকালে নিস্পতি কৰিব লাগে।

শ্ৰীচামছুল হুদা :— অধ্যক্ষ মহোদয়, যোৱা মাৰ্চ মাহৰ ১২ তাৰিখৰ পিচত কিমান কেচ দিচপজ কৰা হৈছে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— এইটো মাননীয় সদস্যক পিচত জনাম।

Shri RANENDRA NAKAYAN BASUMATARI : Will the Minister be pleased to state that whether a time limit will be fixed for submission of all the pending land acquistion proceedings to the Government for disposal ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— মই সদনত উল্লেখ কৰিছো যে, মেইৰ ২৭ তাৰিখে দি,চি, এচদিঅ সকলক খৰটকীয়া কৰি গোচৰ নিস্পতি কৰিবলৈ দিয়া হৈছে।

শ্ৰীপ্ৰমোদ গগৈ :—মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা দেখা গৈছে যে, কৰিমগঞ্জ মহকুমাতে ১৩৬ টা ক্ষতিপূৰণৰ কেচ এতিয়ালৈকে পৰি আছে, ঠিক এনেকুৱা ধৰণেৰে প্ৰত্যেক মহকুমাতে গড়কাপ্তানী আৰু বাননিয়ন্ত্ৰণ বিভাগে অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ দিয়া কেচ বহুতো পৰি আছে। গতিকে চৰকাৰে এই ক্ষতিপূৰণৰ কেচ বিলাক কিয় ইমানদিন পেলাই ৰাখিছিল ইয়াৰ এটা উপযুক্ত অনুসন্ধান কৰাৰ ব্যৱস্হা কৰিবনে? লগতে মন্ত্ৰী মহোদয়ে কৈছে যে, ইতিমধ্যে দি, চি, এচ, দি, অ সকলৈ নিৰ্দ্দেশ দিছে যে অতি সোনকালে কেচ বিলাক নিশ্চপতি কৰাৰ কাৰণে। তেখেতে নিস্পতি কৰাৰ কাৰণে সময় সীমা বান্ধি দিয়াৰ কথা বিবেচনা কৰিবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাই (মন্ত্ৰী) :— পৰীক্ষা কৰি দেখা গৈছে আমি মাত্ৰ ৪ মাহহে সময় পাইছো সেইকাৰণে এতিয়া খৰটকীয়া ব্যৱস্হা গ্ৰহণ কৰা হৈছে।

শ্ৰীখগেন বৰবৰুৱা :— দি, চি, এচ, দি,অ সকলক যি খৰটকীয়া ব্যৱস্হা লবলৈ নিৰ্দ্দেশ দিয়া হৈছে, সেই নিৰ্দ্দেশ এই প্ৰশ্নটো পোৱাৰ আগতে দিছিলনে, প্ৰশ্নটো পোৱাৰ পিচত দিছিল ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— আমি আগৰ পৰাই পৰীক্ষা কৰি আহিলো আৰু প্ৰশ্নটো পোৱাৰ লগে লগেই জনাই দিছো।

শ্ৰীঅতুল গোস্বামী :— অধ্যক্ষ মহোদয়, গোচৰ বিলাক নিস্পতি কৰিবৰ কাৰণে লেন্দৰিকুইজিচন বিভাগত যিমান সংখ্যক কৰ্ম্মচাৰী থাকিব লাগে সিমান সংখ্যক কৰ্ম্মচাৰী নথকাৰ কথাটো সচাঁ হয়নে নহয় ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— এইটো পৰীক্ষা কৰি পিচত জনাব পৰা হব।

Shri FOKHRUL ISLAM : From the answer of the Minister it is learnt that all the cases are pending since the Congress regime. Whether the D.C. and the S.D.O. concerned has been asked to show reason for such long delay during the regime of last Congress Government (voices from the Congress Benches-What is your question ? You are making a statement.. ) I am putting my question, The question is why for such a long period these cases were pending for disposal during the last Congress regime ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— ইতিমধ্যে সদনত পলম হোৱাৰ কাৰণ কোৱা হৈছে আৰু খৰটকীয়া ব্যৱস্হা কৰা হৈছে।

শ্ৰীশৰৎ ৰবা :— অধ্যক্ষ মহোদয়, ৰাজহ মন্ত্ৰী মহোদয়ে জনাবনে যে, অধিগ্ৰহণ কৰা মাটিৰ মূল্য কি ভাবে নিৰ্দ্ধাৰণ কৰে।

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— মাটিৰ বিঘাই প্ৰতি মূল্য ভেদে শ্ৰেণী ভেদে বিবেচনা কৰা হয়। যেতিয়া মাটি অধিগ্ৰহণ কৰা হয়, তেতিয়া সেই ঠাইৰ মাটিৰ আগৰ ৫ বছৰৰ দলিল পত্ৰ চাই কিমান দামত বেচা কিনা হৈছে তাৰ ওপৰত ভিত্তি কৰি মূল্য নিৰ্দ্ধাৰণ কৰা হয়।

শ্ৰীফণি মেধি :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে, পূৰণা কেচ বিলাক নিস্পতিৰ কাৰণে যি খৰটকীয়া ব্যৱস্থা উল্লেখ কৰিছে তাত ১ মাহ, ২ মাহ, এবছৰ হওক দুবছৰ হওক সময়ৰ সীমা বান্ধি দিবনে ? লগতে আমাৰ এটা প্ৰশ্নৰ উত্তৰ পৰিস্কাৰ হোৱা নাই সেইটো হৈছে কিয় ইমান পলম হল এইটো পৰিস্কাৰ কৰি জনাব লাগে কিয়নো ইয়াত ৰাজনৈতিক উদ্দেশ্য পনোদিত হৈ থাকিব পাৰে।

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :- এইটো অনুসন্ধান কৰি পোৱা হৈছে যে, কিছুমান ক্ষেত্ৰত মাটিৰ ৰায়তি স্বত্বৰ মালিক আৰু পট্টাদাৰৰ মাজত খেলি মেলি হোৱাৰ কাৰণে পলম হৈ যায় সেইকাৰণে আমি খৰটকীয়া ব্যৱস্থাৰে আগবাঢ়িবলৈ চেণ্টা কৰিছো।

শ্ৰীআলটাব হোছেইন মজুমদাৰ :— মাননীয় অধ্যক্ষ মহোদয়, আগৰ এটা নিয়ম আছিল যে, লেণ্ড একুইজিচন অফিচাৰ সকলে গাই প্ৰতি ১০ টাকৈ কেছ কৰিব। কিন্তু আগতে যিমান কেছ আছিল সেই অনুপাতে এতিয়া আগতকৈ বহুত কেছ বাঢ়িছে। গতিকে সেই বিলাক চলিউশ্বনৰ কাৰণে লেণ্ড একুইজিশ্বান ষ্টাফ বঢ়াবনে ? যদি বঢ়াব নোৱাৰে তেতিয়াহলে, অন্য কোনো ষ্টাফক এচিণ্ট কৰিবৰ কাৰণে অথৰাইজ কৰিবনে ? এই সংক্ৰান্তত ডেপুটি কমিউঞ্চনাৰ সকলে দাবীও কৰিছে। সেইকাৰণেই যি বিলাক ঠাইত এই বিলাক কেছ বাঢ়িছে সেই বিলাক ঠাইতএল, এ, অৰ সংখ্যা বঢ়াবনে আৰু যদিহে বঢ়াব নোৱাৰে তেতিয়াহলে, অন্য কোনো ষ্টাফক অথৰাইজ কৰাৰ কাৰণে ব্যৱস্থা কৰিবনে ? এইটো কৰিব নোৱাৰাৰ কাৰণে গাওঁ বিলাকৰ পৰা মানুহ বিলাক জিলাৰ সদৰলৈ আহি অশেষ কষ্ট ভোগ কৰিবলগীয়া হয়।

শ্ৰীলক্ষেশ্বৰ গোঁহাই (মন্ত্ৰী) :— ব্যৱস্থাৰ কথা চিন্তা কৰা হৈছে। ৰাইজে যে ইয়াৰ কাৰণে কষ্ট পাইছে সেইটো কথা চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

শ্ৰীযোগেন গগৈ :— মাটি অধিগ্ৰহণৰ ক্ষেত্ৰতদুৰ্নীতি জড়িত থাকে। দৰদাম আদি কৰাৰ ক্ষেত্ৰত বহুখিনি পলম হয়। এই দৰদাম কৰাৰ ক্ষেত্ৰত হোৱা অসুবিধা খিনি আতৰাবৰ কাৰণে বিশেষভাৱে অনুসন্ধান হবনে ? দ্বিতীয়তে, মাটি যতেই অধিগ্ৰহণ কৰা হয় তাতেই মাটিৰ ক্ষতিপূৰণ দিব পাৰিলে মানুহ বিলাক কটলৈ আহিব লগীয়া নহব।

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— এইটো বিবেচনা কৰা হব।

শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী :— যোৱা ৫ বছৰত কিমান এনেকুৱা কেছ জমা হৈছে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :—এই বিষয়ে বুজলৈহে সদনক জনাব পৰা যাব।

**Re: Ilegal sale of liquor from Bhutan in the Darrang District**

Shri PRATAP KALITA asked :

*42, Will the Minister-in-charge of Excise be pleased to state—

(a) Whether it is a fact that Darrang District has been declared as a dry area ?

(b) Whether it is also a fact that taking advantage of this situation distilled liquor prepared in the interior part of the Bhutan Hill are sold in Darrang District ?

(c) If so, the steps taken by Government to stop such sale of liquor ?

Dr. KOSHESWAR BORA (Minister of State Excise) replied :

42. (a)—Yes, since 2nd October, 1976.

(b)—The possibility of illigal sale of liquor from Bhutan in the Darrang District cannot be ruled out.

(c)—The following measures have been taken to prevent such cases :—

(i) The two border check posts one at Bamunjuli and the other at Corramote (Ghograpara) are functioning for the purpose of checking the flow of liquor from Bhutan.

(ii) Intensive patrolling and raids have been carried out.

শ্ৰীপ্ৰতাপ কলিতা :—এতিয়ালৈকে কিমান অবৈধ বেপাৰীক ধৰা পেলোৱা হৈছে আৰু কিমানক শাস্তি বিহা হৈছে ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— ১৯৭৬-৭৭ চনৰ এই কালছোৱাত ৭৩ টা কেছ ৰেইড কৰা হৈছে আৰু ৬১৪ টা কেছ ডিটেক্ট কৰা হৈছে। ১৯৭৭-৭৮ চনত ৫৯ টা কেছ ৰেইড কৰা হৈছে আৰু ৪২০ টা কেছ ডিটেক্ট কৰা হৈছে।

শ্ৰীগোলোক ৰাজবংশী :— এই সকল কি ধৰণৰ মানুহ ? এই সকল ভূটান ইণ্ডিয়ান ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :—ভূতানীতকৈ ইণ্ডিয়ান বেছি ।

শ্ৰী এ, এন, আক্ৰাম হোছেইন :— মাননীয় অধ্যক্ষ মহোদয়, ভূটানত তৈয়াৰ কৰা মদ অসমৰ বিভিন্ন ঠাইত বিশেষকৈ দৰং জিলাত আনকি পান দোকান আদিতো প্ৰচলন হৈছে। এই কথাটো সচাঁনে ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :—মধ্যে মধ্যে কোৱাহে শুনিছো। এই বিষয়ে আমাৰ খবৰ নাই।

শ্ৰীমন্দকুত শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, ডাই জিলা বিলাকত স্বাস্থ্য জনিত কাৰণত মদ খাবলৈ দিয়া হয় নেকি ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :—স্বাস্থ্য জনিত কাৰণত দিয়া হয় ।

শ্ৰীমন্দকুত শৰ্ম্মা :— কি কি গণ্ণা গণ্ণত এইটো দিয়া হয় ।

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :স্বাস্থ জনিত কাৰণত বিশেষকৈ 'এডিকশ্বন' হলে।

শ্ৰীছামছুল হুদা :— দৰং জিলাক 'ড্ৰাই এৰিয়া' বুলি ঘোষণা কৰাৰ পিছতো তাত কিমান ছাৰ্টিফিকেট হল্ডাৰ মদাহী আছে ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— তাৰ হিচাব বেলেগে দিব লাগিব ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মাননীয় অধ্যক্ষ মহোদয়, মদ ধৰিবলৈ যোৱা অফিচাৰ সকলেও ইয়াৰ লগত জড়িত থকা কথাটো মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰেণে ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— স্বীকাৰ এই কাৰণেই কৰো যে, বৰ্ত্তমান আগৰে পৰাই চলি অহা ব্যৱস্থা মতে একেজন অফিচাৰেই শিৱসাগৰলৈ গলে মদ খাবলৈ কৰ লাগে। আৰু সেই একেজনকেই নগাঁৱলৈ পঠালে মদ নেখাবলৈ কৰ লাগে। এই ব্যৱস্থাটো আগৰে পৰাই আছে। গতিকেই এই বিষয় বিলাক মদ নিবাৰণীৰ ক্ষেত্ৰত বিচাৰ যোগ্য বিষয় হৈ পৰিছে। আমাৰ চন্দৰ্বৰ্তীয়া ৰাজ্য বিলাক যেনে, মেঘালয়, ভূটান, বাংলাদেশ আৰু নিজ ৰাজ্যতে শিৱসাগৰ, উত্তৰ লক্ষীমপুৰ আদি ঠাইত মদ নিবাৰণ হোৱা নাই। সেইকাৰণেই এই গোটেই বিষয়টোৱেই এই সদনৰ কাৰণে আলোচনাৰ বিষয় হৈ পৰিছে।

শ্ৰীপ্ৰেম বৰা :— মাননীয় অধ্যক্ষ মহোদয়, পৰিবৰ্ত্তিত সামাজিক ব্যৱস্থালৈ লক্ষ্য ৰাখি ড্ৰাই এৰিয়া আৰু ওৱেইট এৰিয়াৰ প্ৰাৰ্থক্যটো পুনৰ ৰিভিউ কৰাৰ দিহা কৰিবনে ? কিয়নো এতিয়া যিটো পাৰ্থক্য আছে সেইটো প্ৰকৃতপক্ষে কোনো প্ৰাৰ্থক্য নহয় বুলি-য়েই কব পাৰি।

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :—কেন্দ্ৰীয় চৰকাৰৰ ঘোষিত নীতি ৰনুসৰিয়েই ১৯৮৪ চনৰ ভিতৰত সুৰাণিবাৰণীৰ ক্ষেত্ৰত সকলো বিলাক অঞ্চলকেই ড্ৰাই কৰিব লাগিব। সেই মতে পৰ্যায়ক্ৰমে কাম বিলাক কৰিবৰ কাৰণেআমি চেষ্টা কৰিব লাগিব আৰু এই বিষয়ে আঁচনি বিলাকৰ বিষয়ে পৰীক্ষা নিৰীক্ষা কৰি থকা হৈছে।

শ্ৰীএ, এন, আক্ৰাম হোছেইন :— মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো বৰ জটিলহৈ পৰিছে। সেইকাৰণেই আমি বুজিব পৰা নাই।ভূটানৰ মদ যে, চাহ দোকান, পান দোকানে প্ৰচলিত হব ধৰিছে সেইটো মাননীয় মন্ত্ৰী মহোদয়েও স্বীকাৰ কৰিছে। যিহেতু কামৰূপ জিলাখন এখন ড্ৰাই এৰিয়া বুলি বিবেচিত হৈছে গতিকে কামৰূপ জিলাত অৱস্থিত এই বিধান সভাৰ পৰাই সুৰাণিবাৰণী অভিযান আৰম্ভ কৰিবনে ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :—মই মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থেই কব খুজিছোঁ যে, এই বিষয়ে পৰামৰ্শ আদি আগবঢ়ালে আমি তাক গ্ৰহণ কৰিম।

Mr. SPEAKER : He has given reply to this question to the fullest extent that it is being considered and the Minister has kept this at the disposal of the House where it should be discussed and decided. Therefore, there is no use to press the Minister to give immediate reply on this. And in the budget speech also you can discuss it fully.

Re : **Kadamguri-Ballimari River**

Shri RANENDRA NARAYAN BASUMATARI asked :

*43. Will the Minister, P. W. D. be pleased to state—

(a) Whether the Kadamguri Ballimari road originating from the Lateral Road near Gossaigaon under Dhubri P. W. D. Division, was constructed in the early part of the 4th Plan period ?

(b) If so, whether it is a fact that a small bridge at the originating point of the road itself was washed away by the onrush of water of the Sankoch tributory in 1972 and the road remained cut off since then ?

(c) If so, whether Government is aware that the public is suffering for not constructing the bridge ?

Shri DULAL CHANDRA BARUAH (Minister P. W. D.) replied:

43. (a)—Yes.

(b)—One R. C. C. Culvert having a span of 1. 5. M located at the starting point of this road was washed away on account of excessive flow of water through a tributory of river Sonkosh. In view of changed behaviour of the flow through the opening the position had to be observed and certain protective measures had to be taken by P. W. D, as well as Flood Control Department. as the behaviour of flow through the opening is more or less stablised, it may be feasible to provide a 25 M long timber bridge in place of earlier R. C. C. culvert, to restore communieation on this road. Executive Engineer has been asked by Chief Engineer to submit an estimate accordingly. The work may be taken up after finalisation of the estimate and subject to availability of funds.

(c)—Yes.

Shri RANENDRA NARAYAN BASUMATARI : Sir, in view of the bridge being washed away and also in view of the school going children and also the other pedestraians suffering untold missry, will the Government expedite the matter ?

Shri DULAL CHANDRA BARUA (Minister) : Sir, the Government s aware of the situation. And as I have already said, we have asked or estimates and as soon as the estimate comes and fund is made available, then we will difinitely take up the matter.

Re : **Infiltration of Bangladesh People**

Shri GOLOK RAJBANSHI asked :

*44 Will the Chief Minister be pleased to state—

(a) Whether it is a fact that many persons from Bangladesh are entering Assam during the last six months ?

(b) If so, the steps taken by Government to screen and deport these foreigners ?

(c)—Whether Government is aware that many local persons have given shelter to these foreigners ?

Shr GOLAP BORBORA (Chief Minister ) replied:

44.(a)—It is a fact that 4345 persons from Bangladesh entered Assam during October, 1977 to March, 1978. These persons were detected.

(b)—Checking infiltration at the border is the resposibility of the B. S. F. In addition to B. S. F. the State Government have also taken steps to screen and deport infiltrators by opening Police Watch Posts

near the border and at vulnerable places like Railway Stations Bus Stations, Ferry Ghats erc., Village Defence Parties are also engaged for such work.

(c)—It is a fact that many local persons have given shelter to these foreigners. It is howcver, found that in respect of five cases in 1977 and I case in 1978; some local persons gave shelter to Bangladesh Nationals.

শ্ৰীগোলোক ৰাজবংশী :— বাংলাদেশৰ নেশ্যনেল বুলিলে কেনে ধৰণৰ মানুহ বিলাকক ধৰা হয় অৰ্থাৎ হিন্দু নে মুচলমান সকলক ধৰা হৈছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— সকলো ধৰণৰ মানুহকেই ধৰা হৈছে, সি হিন্দুৱেই হওক বা মুচলমান হওক, যি সকল মানুহ বাংলাদেশৰ পৰা আহিছে সেই সকলোকে ধৰা হৈছে।

Shri M. SHAMSUL HUDA : Whether on valid passport they infiltrated. What is meant by this question ? মুখ্যমন্ত্ৰীয়ে যিটো উত্তৰ দিছে সেইটো পৰিস্কাৰ হোৱা নাই। This point should be clarified

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— ভেলিড ডকুমেণ্ট নথকা সকলোকে ইনফিলট্ৰেটৰচ্ বুলি ধৰা হয়।

শ্ৰীচামচুল হুদা :— প্ৰশ্নটো কৰিলেই বুজিব পাৰি whether it is a fact that peasons from Bangla Desh are entering Assam during the last 6 month ? প্ৰশ্নটোৰ স্পষ্ট উত্তৰ দিব পৰা নাই। অসম আৰু বাংলাদেশৰ বোৰ্ডাৰটো চিল কৰাতো হোৱা নাই।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— ভেলিড পাচপৰ্ট নোহোৱাকৈ যিসকল বাংলাদেশৰ নাগৰিক ভাৰতবৰ্ষলৈ আহিছে সেইসকলকে ইনফিলট্ৰেটৰচ বুলি ধৰা হৈছে।

শ্ৰীবীৰেশ মিশ্ৰ :— কিন্তু আজি তাত বহুতো স্থানীয় মানুহে ২০/২৫ বছৰ আগতে তাত আহি বসবাস কৰি আছে সেইসকলৰ ওপৰতো হেৰাচ্মেন্ট কৰা হৈছে। এই বিষয়ে দৃষ্টি দিবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এতিয়া তেনেধৰণৰ কোনো হেৰাচ্মেণ্ট হোৱা নাই। আগতে যদি হৈছিল কব নোৱাৰো।

শ্ৰীবীৰেশ মিশ্ৰ :— কাকী মৌজাত ২০/২৫ বছৰৰ পৰা বসবাস কৰি থকা কিছুমান মানুহক হেৰাচ্মেণ্ট কৰা হৈছে আৰু সেই সংক্ৰান্তত তেওঁলোকৰ পৰা ৰিপ্ৰেজেনটেচনো গৈছে। এইবিষয়ে মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— তেনেধৰণৰ যিবিলাক দৰখাস্ত আহিছে সেইবিলাক তদন্ত কৰিবলৈ দিয়া হৈছে।

Shri ALTAF HUSSAIN MAJUMDAR—Sir, no State can allow any foreign nationals to infiltrate and the Police have got to check it, we fully agree to that. But is the Chief Minister aware that in the name of checking this, recently in the Lumding Station, particularly in the district of Cachar and Gauhati Bazar, some police started harrassing the people belong to the minority community, i. e. the muslims ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— এই বিষয়ে কিবা অভিযোগ লিখিত ভাবে পালে আমি নিশ্চয় তাৰ ব্যৱস্থা লাম ।

Shri ALTAF HUSSAIN MAJUMDAR : Sir, I am passing this information, as is complained by the public, to the hon' ble Chief Minister ; will the Chief Minister be pleased to look into this and see that the police does not take advantage of the situation ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— সেইটো নিশ্চয় কৰা হব,

শ্ৰীচামছুল হুদা :— মূখ্যমন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো এই যে বাংলাদেশৰ পৰা যি অনুপ্ৰবেশকাৰী আহিছে সেইসকলৰ ১২।৩।৭৮ চনলৈকে কিমান হিন্দু আৰু মুছলমান অনুপ্ৰবেশকাৰী আহিছে।

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— এই হিচাবটো আমাৰ ১৯৭৭ চনৰ অক্টোবৰ মাহৰ পৰা ১৯৭৮ চনৰ মাৰ্চ মাহলৈকে আছে। মাননীয় সদস্যই বিচাৰিলে দিব পাৰিম।

শ্ৰীহিতেশ্বৰ শইকীয়া :— ব্ৰহ্মদেশৰ পৰা বহুতো লোক ইতিমধ্যে বাংলাদেশলৈ আহিছে। তেনে লোকৰ কিছুমানে এতিয়া ত্ৰিপুৰাৰে ভাৰতবৰ্ষলৈ আহিবলৈ চেষ্টা কৰিছে। ইয়াৰ কিবা ব্যৱস্থা চৰকাৰে লৈছে নেকি ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— তেনেকুৱা হলে আমি নিশ্চয় ব্যৱস্থা লম, এতিয়া নহয়।

শ্ৰীমতী আনোৱাৰা টাইমুৰ :— এই বাংলাদেশৰ অনুপ্ৰবেশকাৰী নামত ভাৰতবৰ্ষৰ বহুতো বাসিন্দাৰ ওপৰত জোৰ জুলুম চলিছে। লৰা তিৰোতা ঘৰত থাকোতেই পুলিচে ঘৰৰ ভিতৰত সোমাই মঙ্গলদৈ মহকুমাত হেৰাচমেণ্ট কৰিছে। এই বিষয়ে কিবা ব্যৱস্থা লবনে ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— এনেকুৱা কিবা নিৰ্দ্দিষ্ট লিখিত ৰিপৰ্ট পালে আমি ব্যৱস্থা লব পাৰিম।

শ্ৰীফণী মেধী :— গোৱালপাৰা, কামৰূপ আৰু দৰঙৰ বহুতো সংখ্যালঘু আৰু সংখ্যাগৰিষ্ঠৰ দুখীয়া মানুহে কাম বিচাৰি ঘূৰি ফুৰিছে। সেইসকলৰ ওপৰতো জোৰ জুলুম কৰা কথাটো মূখ্যমন্ত্ৰী মহোদয়ে জানেনে ? কিছুদিন আগতে বাৰ্তাৰিকাকতত প্ৰচাৰ চলি আছিল যে বাংলাদেশৰ পৰা বহুতো সংখ্যালঘু সম্প্ৰদায়ৰ মানুহে অসমেৰে ভাৰতবৰ্ষত সোমাইছে। তাক বাধা দিয়াৰ ক্ষেত্ৰত পৰিকল্পিত ভাবে এটা ৰাজনৈতিক দলৰ উদ্দেশ্য নিহিত আছে। এই সম্পৰ্কত আমাৰ জনতা দলৰ ফালৰ পৰা অনুসন্ধান কৰিছে নে নাই আৰু মূখ্যমন্ত্ৰীয়ে এই কথা জানেনে ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— এই বিষয়ে অনুসন্ধান চলাই থকা হৈছে।

শ্ৰীগোলোক ৰাজবংশী :—পুলিচ ৰিপৰ্টৰ স্ক্ৰীনিং নে ৰিপৰ্টৰ ওপৰত এইটো বিবেচনা কৰা হৈছে ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— বি, এচ, এফ, আৰু পুলিচৰ মানুহ তাত আছেই, মাননীয় সদস্য গৰাকীয়ে এই বিষয়ে জানেই।

শ্ৰীবিৰেশ মিশ্ৰ :— অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মূখ্যমন্ত্ৰীয়ে এইধৰণৰ দৰখাস্ত পাইছে নেকি যে ওদালি এলেকা আৰু লামডিঙত সংখ্যালঘুৰ ওপৰত বহুতো হেৰাচ্‌মেন্ট কৰা হৈছে ? এই বিষয়ে যদি কিবা দৰখাস্ত পাইছে তেনেস্হলত সেই হেৰাচ্‌মেন্ট বন্ধ কৰিবলৈ ব্যৱস্হা কৰিব নেকি ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— এই বিষয়ে খবৰ লৈ থকা হৈছে। ইয়াৰ ওপৰত যদি কিবা সন্দেহ হয় তেনেহলে বেলেগে প্ৰশ্ন কৰিব পাৰে। হেৰাচ্‌মেন্টৰ বিষয়ে যি অভিযোগ কৰা হৈছে সেই ক্ষেত্ৰত আমি নিৰ্দ্দিষ্ট সীমাৰেখাৰ ভিতৰত সচেতন হৈ থাকিব লাগিব।

শ্ৰীভদ্ৰেশ্বৰ গগৈ :— এই অনুপ্ৰবেশকাৰী সকল কোন ৰাস্তাৰে আৰু কেনেকৈ আহে জনাবনে ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— কোনো সঠিক ৰাস্তা নাই। এটা বিৰাট বহল সীমান্ত। তাত পুলিচ চকীও আছে আৰু বি, এচ, এফ,ও আছে। কিন্তু তাৰ মাজেদিয়ে আহে।

Shri SHANTI RANJAN DASGUPTA : Sir, I want to know who is the authority, whether the S. P. is the authority in respect of foreign nationals or D. C. is the authority ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— ডি, চি, য়ে অথৰিটি,

Shri SHANTI RANJAN DASGUPTA—The Nowgong D. C. told me D. C. has nothing to do with foreign nationals ; whether Government absolved him of the responsibility ; whether Government knows it ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— সেই বিষয়ে আমি নাজানো।

Shri MD. UMARUDDIN—My point is this. Normally cases of people suspected to come from foreign countries, were referred to tribunals. Whether the tribunals are still functioning to go into such cases ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— এই বিষয়ে অনুসন্ধান কৰাৰ পিচত আমি জনাব পাৰিম।

শ্ৰীমতী আনোৱাৰা টাইমুৰ :— অধ্যক্ষ মহোদয়, এইটো বৰ চিৰিয়াচ কথা। প্ৰায় পুলিচৰ ওপৰতেই এই কথাবিলাক এৰি দিয়া হৈছে। বহুত ইণ্ডিয়ান নেচনেলৰ ওপৰত নানা ৰকমৰ হেৰাচ্‌মেন্ট কৰা হৈছে আকৌ কেতিয়াবা তেওঁলোকক বি, এচ, এফ, ৰ হাতত গোটাই দিয়াৰ পিচত তেওঁলোকেও বাংলাদেশৰ নেচনেল নহয় বুলি ফিৰাই

দিয়ে, মুখ্যমন্ত্ৰীক মই অনুৰোধ জনাইছো এই বিষয়ে পুলিচৰ ওপৰত এৰি নিদি ইয়াৰ এটা তদন্ত কৰি এটা সু ব্যৱস্থা গ্ৰহণ কৰিব নে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :– এই বিষয়ে ব্যৱস্থা আগৰ চৰকাৰৰ দিনৰ পৰাই চলি আছে। আমি বৰ্তমান তেনে কোনো অভিযোগ পোৱা নাই। তথাপিতো এই ধৰণে সংখ্যালঘুৰ ওপৰত যাতে কোনো জুলুম নহয় সেই বিষয়ে এটা কটকটীয়া ব্যৱস্থা লবলৈ ইতিমধ্যে ডিপাৰ্টমেণ্টক জনোৱা হৈছে।

Mr. SPEAKER :—The hon'ble members are in the midlst of budget Session and we have ample scope to discuss this. So I have come to the next question. Question No. 45.

বি : ভাষা আইন বলবৎ নোহোৱাৰ কাৰণ তদন্ত দাবী

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে :

*৪৫। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৭-৩-৭৮ তাৰিখৰ অসমবাণী বাৰ্তাৰ কাকতত প্ৰকাশ হোৱা "ভাষা আইন আজিও বলবৎ নোহোৱাৰ কাৰণ তদন্তৰ বাবে অসম সাহিত্য সভাৰ দাবী" বাৰ্তাৰিটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছেনে?

(খ) যদি হৈছে চৰকাৰে ইয়াৰ কি ব্যৱস্থা কাতত লৈছে?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪৫। (ক)—হয়, চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

(খ)—ভাষা আইন বলবৎ কৰাৰ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীভদ্ৰেশ্বৰ গগৈ :— অধ্যক্ষ মহোদয়, কি অসুবিধাৰ কাৰণে এই ভাষা আইনখন বলবৎ কৰা হোৱা নাই?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— অসুবিধা অইন একো নহয়, কিন্তু এইটো কথা ঠিক যে বহুতৰে এতিয়াও মানসিক প্ৰস্তুতি হোৱা নাই। সম্পূৰ্ণভাৱে যেতিয়া মানসিক প্ৰস্তুতি হব তেতিয়া নিশ্চয় এই আইন আপোনা আপুনি প্ৰয়োগ হব। আমাৰ ইয়াতে ধৰক আগতকৈ বিধায়ক সকলে এতিয়া বেচিকৈ ৰাজ্যিক ভাষাতেই সদনৰ কাৰ্য্য চলাই আছে। আমি যদি ইয়াত বিধায়ক সকলে প্ৰথমতে আৰম্ভ কৰো তেতিয়া হলে স্বাভাৱিকতেই সচিবালয়ত বা অন্য ঠাইত প্ৰয়োগ হোৱাৰ সুবিধা হব। অৱশ্যে ইয়াৰ কাৰণে মানসিক প্ৰস্তুতিৰ ওপৰত বেচিকৈ নিৰ্ভৰ কৰিছে।

শ্ৰীআলটাফ হুছেইন মজুমদাৰ :— কাছাৰত বহুতে অসমীয়া ভাষা শিকিবলৈ চেষ্টা কৰিছে। কিন্তু তাত অনা অসমীয়া স্কুলত যিবিলাক অসমীয়া শিক্ষক আছে তেওঁলোকে আজিলৈকে দৰমহা পোৱা নাই। এই বিষয়ে সু ব্যৱস্থা লোৱাৰ কাৰণে চিন্তা কৰিবনে?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— এই বিষয়ে অমাৰ ওচৰলৈ কিছু কিছু ৰিপৰ্ট আহি আছে আৰু আমাৰ শিক্ষা মন্ত্ৰণালয়ে ইয়াৰ ব্যৱস্থা কৰি আছে।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :— কেতিয়াৰ পৰা এই আইনখন বলবৎ হব জনাবনে ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— বলবৎ হৈয়ে আছে কিন্তু কিমান শতাংশ সেইটো কব নোৱাৰো।

শ্ৰীঅতুল গোস্বামী :— আমাৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত যিবিলাক অনা অসমীয়া স্কুল আছে তাত অসমীয়া শিক্ষক নিয়োগ কৰা হৈছে। কিন্তু শিক্ষা বিভাগৰ পৰা এই শিক্ষক সকলক, মেনেজিং কমিটিয়ে নিয়োগ কৰাৰ পিচতো ৰেগুলেৰাইজ্ কৰা নাই। এই বিষয়ে চিন্তা কৰিব নে ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— এই বিষয়ে ব্যৱস্থা লোৱা হব। অনা অসমীয়া স্কুলত অসমীয়া শিক্ষক যাতে সময় মতে দিয়া হয় সেই বিষয়ে যত্ন লোৱা হব।

শ্ৰীআলাউদ্দিন চৰকাৰ :— ভাষা আইন বলবৎ কৰাৰ ক্ষেত্ৰত মূখ্যমন্ত্ৰী মহোদয়ে কৈছে যে মানসিক প্ৰস্তুতিৰ ওপৰত এইটো নিৰ্ভৰ কৰিছে। কিন্তু এই মানসিক প্ৰস্তুতিৰ ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— এই বিষয়ে ধৰি লওঁক জিলা বা মহকুমা ভিত্তিত আমাৰ ইয়াৰ পৰা বিভিন্ন ধৰণৰ চাৰ্কুলাৰ পঠোৱা হৈছে যাতে ৰাজ্যিক ভাষাক সকলো ঠাইতে প্ৰয়োগ কৰা হয়। লোক সেৱা আয়োগতো ৰাজ্যিক ভাষা ব্যৱহাৰ কৰিবলৈ লোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰেও তেনে ধৰণৰ নিৰ্দ্দেশনা দিছে। এই বিষয়ে মই আগতেই কৈছো। মই দুনাই কব খোজো যে নিজে নিজে প্ৰস্তুত হব নোৱাৰিলে ইয়াক জোৰ কৰি জাপি দিয়াটো দিগদাৰ। আৰু প্ৰত্যেক জনে ইয়াৰ বাবে দায়িত্বশীল হয় সেই বিষয়ে চিন্তা কৰিব লাগে।

শ্ৰীযোগেন গগৈ :— অসমীয়া ভাষা প্ৰতিষ্ঠা কৰিবলৈ এই আইন কৰা হৈছে নেকি নে মাইনোৰিটি এলেকাত প্ৰতিষ্ঠা কৰিবলৈ কোৱা হৈছে ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— আইনখন অসমত অসমীয়া ভাষা প্ৰবৰ্ত্তন কৰিবলৈ কৰা হৈছে।

শ্ৰীখগেন বৰবৰুৱা :— ইংৰাজী বা বিভিন্ন ভাষাৰ পৰা অসমীয়ালৈ যিবিলাক তৰ্জ্জমা কৰা হৈছে সেই তৰ্জ্জমা বিলাক চৰকাৰে শুদ্ধ বুলি বিবেচনা কৰিছে নেকি ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— এই বিষয়ে আগতেই গঠন কৰা কমিটি এখন আছে। সেই কমিটিয়ে এই ধৰণৰ কাম বিলাক কৰি আছে।

### Re : Sapatgram Town

Shri RANENDRA NARAYAN BASUMATARI asked :

*46. Will the Chief Minister be pleased to state—

(a) Under which Civil Sub-division or Subdivisions the Sapatgram Town falls ?

(b)—Whether Government wonld consider to bring Sapatgram Town under one Civil Sub-division ?

(c)—If so, when ?

Shri GOLAP BORBORA (Chief Minister, replied :

46.(a)—Area South of Railway line of Sapatgram Town falls within Dhubri Subdivision and area North of Railway line falls within Kokrajar Subdivision.

(b)—The matter is under consideration.

(c)—Does not arise.

শ্ৰীৰনেন্দ্ৰ বসুমতাৰী ঃ— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে, অনুগ্ৰহ কৰি জনাবনে, বহু বছৰ ধৰি চাপটগ্ৰাম বাসিন্দা সকলে এই বিষয়ত মেমৰান্দাম আদি দি চেষ্টা চলাই আছে। কেতিয়া এই বিষয়টো নিস্পতি কৰা হব ?

শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ—সেই বিষয়ে বিবেচনা কৰি আছো।

### Primary Health Units

Shr GOLOK RAJBANGSHI asked:

*47. Will the Minister, Health be pleased to state—

(a) How many Primary Health Units have been estabilsed uptil now in the State ?

(b) How many of these Primary Health Units have been established according to the specified norms ?

Dr. KOSHESWAR BORA (Minister of State, Health) replied :

47. (a)—146.

(b)—All.

### Medical sub-centers

Shri RANENDRA NARAYAN BASUMATARI asked:

*48 Will the Minister Health be pleased to state—

(a) The total number of Medical sub-centres proposed to be established in the State during the Fifth Five Year Plan period ?

(b) How many of them have been completed till the end of March, 1978 ?

(c) What is the staffing pattern of a Medical sub-centre ?

(d) Whether Government propose to upgrade the sub-centres so far estabilshed to State dispensaries so as to provide them with full time Doctors and other staff ?

Dr. KOSHEWSAR BORA (Minister of State, Health) replied :

48. (a)—522.

(b)—164.

(c)—The approved staffing pattern is (i) an A. N. M. (ii) one Grade IV.

(d)—There is no such proposal at present.

শ্ৰীগোলক ৰাজবংশী :— এই প্ৰাইমাৰী হেলথ্ ইউনিট বিলাক নিৰ্ম্মাণ কৰিবলৈ কিবা নৰমৰ্চ আছে নেকি ? যিবিলাক স্বাস্থ্য কেন্দ্ৰ নিৰ্ম্মাণ কৰা হৈছে, সম্পূৰ্ণ হৈছে নেকি ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :—আগৰ নিয়ম মতে প্ৰায় বিলাক সম্পূৰ্ণ হৈছে। কিন্তু পাচত প্ৰাইমাৰী হেলথ্ চেনটাৰত এজন ডক্তৰ, এগৰাকী এ, এন, এম, আৰু এজন লেডী ভিজিটৰ ৰখা হয়। ফেমিলি প্লেনিং হোৱাৰ পাচত আৰু এজন ডাক্তৰ দিয়া হৈছে আৰু তেওঁলোকৰ কোৱাটাৰৰ কিছু অসুবিধা হৈ আছে।

শ্ৰীবানেশ্বৰ শইকীয়া :— এই যিটো আঁচনি চৰকাৰে লৈছে, সেইটো কাৰ্য্যকৰি কৰা হোৱাৰ পাচত অসমৰ জনস্বাস্থ্যৰ ৰক্ষাৰ যি প্ৰয়োজন তাক পূৰণ কৰিব পাৰিব বুলি চৰকাৰে ভাবে নেকি ? যদি ভাবে কি ভিত্তিত কাৰ্য্য কৰি কৰিব বিছাৰিছে মন্ত্ৰী মহোদয়ে জনাবনে ?

ডঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— এইটো পূৰণ হব বুলি নাভাবো। চৰকাৰে সেই সময়ত প্ৰত্যেক ব্লকতে একোখনকৈ প্ৰাইমাৰী হেল্থ্ চেণ্টাৰ কৰিছিল। কিন্তু জনসংখ্যা বঢ়াৰ লগে লগে কোনো কোনো ঠাইত দুখনকৈ চাৰ চেণ্টাৰ পৰ্য্যন্ত কৰা হৈছে। এই প্ৰাইমাৰী হেল্থ্ চেণ্টাৰ বিলাকৰ জৰীয়তে চাহাদা পূৰণৰ চিন্তা কৰিছো।

Shri RANENDRA NARAYAN BASUMATARI—Will the Minister be pleascd to state whether remaining Sub-centrer which were already sanctioned last year will be constructed this year ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— সেই আঁচনিৰ কনচ্ট্ৰাকচনৰ কাম চলি আছে। যোৱা পঞ্চবাৰ্ষিক পৰিকল্পনাত যিমান ধৰা হৈছিল মেটেৰিয়াল ৰহুত থাকি গল। বহুত টকা লেপচ্ হল। এই বছৰৰ বাজেট সম্পূৰ্ণ হোৱাৰ পাচত সেই খিনি কাম কৰা হব।

শ্ৰীফনি মেধী :— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এইটো কথা জনাব নে যে, প্ৰাইমাৰী হেল্থ্ চেণ্টাৰত দুজনকৈ ডাক্তৰ দিয়া হৈছে বুলি কোৱা হৈছে কিন্তু সচাৰচৰ এজনো নাথাকে। দুৰ্নীতিয়তে হল, এই চেণ্টাৰ বিলাকত যিমান বিচনা যোগাৰ কৰিছে, সেই বিলাক বহু দিনৰ পাচত নষ্ট হৈ গল। তাত ৰোগী ৰখা হোৱা নাই। কাৰণ ৰোগী ৰাখিলে খোৱা বস্তুৰো প্ৰয়োজন। কিন্তু এই খোৱা বস্তুবিলাকৰ কাৰণে যিবিলাক

টেনডাৰ লোৱা হৈছে সেই বিলাক ৰেটত তাত কোনেও চাপলাই নিদিয়ে। মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে, বৰ্ত্তমান যি ৰেটত টেনডাৰ দিয়া হৈছে সেই ৰেট অতি কম হৈছে ? আৰু যিবিলাক চেণ্টাৰত ডাক্তৰ নাই অতি সোনকালে ডক্তৰ দিয়াৰ ব্যৱস্থা কৰিব নে ? আৰু এই বিচনা বিলাকৰ কাৰণে যিবিলাক ৰাজহৰা ধন অপচয় হ'ল সেই দায়ী বিষয়া সকলক সাস্তী দিয়াৰ ব্যৱস্হা কৰিব নে ?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :—প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ বিলাকত বিছনা আৰু খাদ্য ব্যৱস্হা আছিল। মাজতে আগৰ চৰকাৰে কিছুমান অসুবিধাৰ কাৰণে সেইটো বন্ধ কৰিছে কাৰণ হৈছে, খাদ্য যোগান ধৰোতা সকলক নিয়ন্ত্ৰিত দামত বস্তু যোগান ধৰা কথা আছিল। কিন্তু আমাৰ প্ৰাথমিক স্বাস্হ্য কেন্দ্ৰ কিছুমান এনেকুৱা ভিতৰুৱা ঠাইত আছে যত ঠিকাদাৰ সকলে কণ্ট্ৰোল প্ৰাইচত বস্তু যোগান ধৰিব নোৱাৰে। এই কিছুমান খেলিমেলিৰ কাৰণে প্ৰস্তাৱটো বন্ধ কৰি থোৱা হৈছিল। গতিকে এতিয়া যাতে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰবিলাকত ৰোগী থাকিব পাৰে তাৰ ব্যৱস্হা কৰা হব। আৰু প্ৰাথমিক স্বাস্হ্যকেন্দ্ৰ বিলাকত ডাক্তৰ নাই বুলি যি অভিযোগ উঠিছে আচলতে ডাক্তৰ নথকা নহয় কিছুমানে পোষ্টিং পোৱাৰ পিচতো ছুটি লয় আনকি ৬/৭ মাহলৈ ছুটি লৈ থাকে। এতিয়া অলপতে ৰেগুলেচন ৩ এফত কিছুমান ডাক্তৰ দিয়া হৈছে বোধকৰো ইয়াৰ পিছত আৰু ডাক্তৰ নহাকৈ প্ৰাথমিক স্বাস্হ্যকেন্দ্ৰ নাথাকিব।

Shri GAURI SANKAR ROY:—What are the principles on which the Government propese to select site for establishment of the sub-centres?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :— এই প্ৰগেমটো আছিল সাধাৰণতে ১০ হাজাৰ জনসংখ্যাৰ মাজত এটা প্ৰাথমিক স্বাস্হ্যকেন্দ্ৰ কৰা আৰু পাহাৰ অঞ্চলত ৫ হাজাৰৰ মাজত এটা কৰা কথা। চাইদ চিলেকচনৰ ক্ষেত্ৰত মাননীয় সদস্য সকলোকে দায়ীত্ব আৰোপ কৰা হৈছিল আৰু য'ত খেলিমেলিৰ সৃষ্টি হয় তাত আমাৰ বিষয়াসকল গৈ চাইচিতি চাইত চিলেকচন কৰে।

চৈয়দা আনোৱাৰা টাইমুৰ :— জনসংখ্যা অনুসৰি প্ৰাইমাৰী হেল্থ্ চেন্টাৰ দিবলৈ হলে প্ৰতিটো চেন্টাৰতে ষাঠি হাজাৰ জনসংখ্যা আছে প্ৰতিটো চাব-চেণ্টাৰতে দহ হেজাৰ জনসংখ্যা আছে। গতিকে দহ হাজাৰ জনসংখ্যালৈ চাই এজনকৈ ডাক্তৰ দিয়াৰ ব্যৱস্হা কৰিবনে আৰু ভাল ধৰণে চিকিৎসাৰ ব্যৱস্হা কৰি দৰব পাতিৰ ব্যৱস্হা কৰি জনসাধাৰণক ভাল চিকিৎসা দিয়াৰ ব্যৱস্হা কৰিব নে ?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :— প্ৰাইমাৰী হেল্থ্ চেণ্টাৰৰ ষ্টাফিং মতে এ, এন, এম, এগৰাকী চকীদাৰ এগৰাকী থাকিব। এইটো প্ৰকৃত চিকিৎসাৰ ব্যৱস্হাৰ কাৰণে অসুবিধা হয় বুলি চৰকাৰে বুজিব পাৰিছে আৰু যদি ধনে কুলাই তেনেহলে এজনকৈ ডাক্তৰ দিয়াৰ কথা বিবেচনা কৰি আছে।

শ্ৰীপ্ৰেমধৰ বৰা :— চিকিৎসাৰ ক্ষেত্ৰত অসমৰ ব্যৱস্হাই সৰ্ব্বভাৰতীয় পৰ্য্যায়ৰ গড় পাইছে নে ? যদি নাই পোৱা তেতিয়াহলে কিমান কম আছে আৰু কেন্দ্ৰীয় চাৰ্মচ্ মতে কিমান বাকী আছে ?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :— পূৰ কৰিব পৰা নাই। বহুত পিচত পৰি আছে। ইয়াৰ কাৰণে বহুত টকাৰ দৰকাৰ। সেই কাৰণে চিকিৎসা বিভাগ কেনেকৈ উন্নত কৰিব পৰা যায় আৰু জনসাধাৰণক কেনেকৈ উন্নত সেৱা আগবঢ়াব পৰা যায় সেইটো চেষ্টা কৰা হৈছে।

শ্ৰীচামছুদ্দিন হুদা ঃ— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বৰ্ত্তমান চিকিৎসাৰ চাহিদা পূৰণ কৰিবলৈ দৰকাৰী হোৱা প্ৰাইমাৰী হেল্থ চেণ্টাৰ আৰু ডাক্তৰৰ অভাবৰ কথালৈ লক্ষ্য কৰি মেডিকেল চাব চেণ্টাৰৰ বাহিৰেও আন কিবা আঁচনি চৰকাৰৰ হাতত আছে নেকি আৰু যদি নাই,, লোৱাৰ কথা চিন্তা কৰিছে নেকি ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) ঃ— কেন্দ্ৰীয় চৰকাৰৰ আঁচনি আছে আৰু আমাৰ অসম চৰকাৰেও আঁচনি লৈছে আৰু কেৱল এলোপেথিৰ বাহিৰেও চাব চেণ্টাৰ বিলাকত কবিৰাজী আৰু হোমিওপ্যাথি চিকিৎসাৰ সেৱা আগবঢ়োৱাৰ ব্যৱস্হা চিন্তা কৰা হৈছে। ইতিমধ্যে মহকুমা আৰু জিলা পৰ্য্যায়ৰ হস্পিটালত কবিৰাজীও এলোপেথিৰ লগতে ৰখা হৈছে। এই পৰ্য্যায়ৰ চিকিৎসা প্ৰাইমাৰী হেল্থ চেণ্টাৰলৈকো আগবঢ়াবলৈ চিন্তা কৰা হৈছে।

শ্ৰীচামছুদ্দিন হুদা ঃ— বৰ্ত্তমান এম-বি-বি-এচৰ নাৰ্টনিৰ কথালৈ চিন্তা কৰি যিহেতু এই পৰ্য্যায়ত হলে অসমত চিকিৎসাৰ সুবিধা আগবঢ়াবলৈ আৰু কেবাশও বছৰ লাগিব, এই কথালৈ চিন্তা কৰি অন্যান্য ব্যৱস্হা সমূহ যেনে চীন আদি দেশৰ দৰে বিন্ধি দি চিকিৎসা কৰা পদ্ধতি (আংকুপাং চাৰ) আদিও প্ৰবৰ্ত্তন কৰাৰ কথা চিন্তা কৰিছেনে ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) ঃ— সেই ব্যৱস্হা চিন্তা কৰা হৈছে। প্ৰকৃততে জনসাধাৰণক কি ভাৱে ভাল চিকিৎসা দিব পৰা যায় সেইটো কথাই বৰ্ত্তমান চৰকাৰৰ প্ৰধান চিন্তা হৈছে। ইয়াৰ লগতে স্বাস্থ্য বিভাগটো সবল কৰি জনসাধাৰণক প্ৰকৃত সেৱা আগবঢ়োৱাৰ কথা চিন্তা কৰা হৈছে। বৰ্ত্তমান কবিৰাজী আৰু আয়ুৰ্ব্বেদিক ব্যৱস্হাও উন্নত হৈছে। হোমিওপ্যাথিক ব্যৱস্হাত বেজী দিয়াৰ উপৰিও অপাৰেচন পৰ্য্যন্ত কৰিব পৰা হৈছে। ইয়াৰ উপৰিও ইউনানি ব্যৱস্হাও উন্নত হৈছে। কিন্তু কোন পৰ্য্যায়ত কেনেকৈ ব্যৱহাৰ কৰিব পৰা হয় তাৰ চিন্তা কৰা হৈছে ।

শ্ৰীদেবানন্দ বৰা ঃ— হোমিওপ্যাথি স্বীকাৰ কৰা হয় নে নহয় ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) ঃ— এই বাৰ কেন্দ্ৰীয় চৰকাৰৰ আঁচনিত জোৰ দিয়া হৈছে আৰু কেন্দ্ৰৰ পৰা কিছু সাহায্য পালে এইটো কৰিব পৰা হব ।

**Compensation for acquisition of land for Jajlaigaon Electrical Lift Irrigation Scheme**

Shri RANENDRA NARAYAN BASUMATAI asked :

*49. Will the Minister, Revenue be pleased to state—

(a) The total area of Pettaland acquired for the Jajlaigaon Electrical Lift Irrigation Scheme in Kokrajhar Subdivision ?

(b) The total fund earmarked for payment of compensation to the cultivators whose lands have been taken over ?

(c) Whether any payment has been made on account of comensation ?

(b) If not, why ?

Shri LAKSHESWAR GOHAIN (Minister, Revenue) replied :

৪৯। (ক)—এই আঁচনিৰ বাবে মুঠ ১৬৭ বিঘা ৩ কঠা পট্টা ভূক্ত মাটি অধিগ্ৰহণৰ প্ৰস্তাৱ পোৱা হৈছে।

(খ)—মুঠ ৩,০৫,২৫০.০০ টকা।

(গ)—ক্ষতিপূৰণ সম্পৰ্কীয় টকা এতিয়ালৈকে দিয়া হোৱা নাই।

(ঘ)—কাৰণ মাটিখিনিৰ চূড়ান্ত অধিগ্ৰহণৰ আগতে কৰিবলগীয়া কাম সম্পূৰ্ণ হোৱা নাই।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— চূড়ান্ত কৰিবলৈ কেইমাহ লাগে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ।

শ্ৰীলক্ষেশ্বৰ গোহাঁই (ৰাজহমন্ত্ৰী) :—এই প্ৰস্তাৱটো ২৮-১-৭৮ তাৰিখে পোৱা হৈছে । ইয়াৰ উপৰিও উপায়ুক্ত আৰু এচ ডিঅ সকলক নিৰ্দ্দেশ দিয়া হৈছে সোনকালে দি দিয়াৰ ব্যৱস্থা কৰিবলৈ।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— সাধাৰণতে মাটি অধিগ্ৰহণ কৰাৰ আগতে শতকৰা পঞ্চাশ ভাগ ধন আগতীয়াকৈ দিয়া হয় তেনে ক্ষেত্ৰত এই সকলক এক পইচাও আগতীয়াকৈ দিয়া হোৱা নাই এই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (ৰাজহমন্ত্ৰী) :—এইটো প্ৰস্তাৱৰ অনুমোদন আহিলে শতকৰা পঞ্চাশ ভাগ দিব পৰা হব।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— এই বিষয়ে মন্ত্ৰী মহোদয় বিশেষ যত্নপৰ হব নে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :—তেনে কৰা হব।

## UNSTARRED

## QUESTIONS AND ANSWERS

Date—30th May, 1978

**Doctor in P. H. Cs.**

Shri BISHNULAL UPADHYAYA asked .

8. Will the Minister, Health be pleased to state—

(a) Whether there is any provision for opening two out centres under each Primary Health Unit in order to give some medical facilities to the poor people of distant backward villages ?

(b) If so, how the Medical Officer of such Primary Health Unit can manage to attend the centres if opened, at far-flung areas in addition to his daily engagement with the out door and indoor patients and private calls single handed ?

(c) How many Primary Health Units are running with only one Medical Officer in the State ?

(d) Whether Government has made any provision for appointing two doctors in each Primary Health Unit for better and speedy medical services to the people ?

Dr. KOSHESWAR BORA (Minister of State, Health) replied :

8. (a) –Sub-centres are to to be setup at the rate of one for ten thousand population in rural areas in the Plains and for 5000 population in Hills.

(b)—There are generally two doctors in each Primary Health Centre,

(c)—6 (six) P. H. Cs.

(d)—Yes,

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :—প্ৰাইমাৰী হেল্থ চেণ্টাৰ সম্পৰ্কে এইটো কথা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে জিলা বা মহকুমাৰ সদৰলৈ ডাক্তৰ সকল মাহেকত এদিন গৈছে যাবলগীয়া হোৱা এই ব্যৱস্থাত জনসাধাৰণৰ অসুবিধা হয়। আৰু কি যিবিলাক প্ৰাইমাৰী হেল্থ চেণ্টাৰত এজন মাত্ৰ ডাক্তৰ থাকে সেই ডাক্তৰজনো গৈছি যোৱাত সেই দিনটোৰ কাৰণে সেই অঞ্চলৰ বেমাৰীৰ হাহাকাৰ অৱস্থা হয়, সেই কথা মন্ত্ৰী মহোদয়ে চিন্তা কৰিছে নে নাই ?

ডা: কোষেশ্বৰ বৰা (মন্ত্ৰী) :—এইটোকথা ঠিক যে আগৰ পদ্ধতি অনুসৰি জিলাৰ সদৰলৈ সকলো প্ৰাইমাৰী হেল্থ চেণ্টাৰৰ ডাক্তৰ সকল ফেমিলি প্লেনিং, মেলেৰিয়া, বসন্ত আদি ৰোগৰ বিষয় জনাবলৈ আহিব লাগে আৰু নানান খা-খবৰ যোগা-যোগ হয়। তাৰ ফলত সেই দিনটোত সেই বিলাক অঞ্চলত ডাক্তৰ পাবলৈ নাইকীয়া হয় আৰু এনেও হৈছে যে তেনেকুৱা অৱস্থাত হয়তো কোনো দুৰ্ভগীয়া বেমাৰী মৃত্যু মুখতো পৰিছে। এতিয়া এই ব্যৱস্থা সলনি কৰি ডাক্তৰ সকল প্ৰাইমাৰী হেল্থ চেণ্টাৰৰ পৰা যাতে নহাকৈও এই যোগা যোগ কৰিব পৰা যায় তাৰ কাৰণে চিন্তা কৰি থকা হৈছে। যি বিলাকত দুই তিনিজন ডাক্তৰ আছে তাৰপৰা এজন আহিলেও বিশেষ অসুবিধা নহয়।

শ্ৰীহিতেশ্বৰ শইকীয়া :—মন্ত্ৰী মহোদয়ে কেৱা ছয়টা প্ৰাইমাৰী হেল্থ চেণ্টাৰত কত ডাক্তৰ নাই আৰু কত এজন মাত্ৰ ডাক্তৰ আছে জনাবনে ? আৰু ফেমিলি প্লেনিং চাব চেণ্টাৰত এ এন এম দিয়াৰ কথা আছিল তাৰ কাৰণে টকাৰ প্ৰভিজন কৰিছে নেকি ?

ডা: কোষেশ্বৰ বৰা (মন্ত্ৰী) :—মাননীয়সদস্য শইকীয়া ডাঙৰীয়াই কোৱামতে কত ডাক্তৰ নাই বা কোন প্ৰাইমাৰী হেল্থ চেণ্টাৰত এজন ডাক্তৰ আছে ঠাইতে কোৱাতো টান হব কিন্তু চৰকাৰৰ ফালৰ পৰা এই অসুবিধা সমূহ আঁতৰ কৰিবলৈ ব্যৱস্থা চলাই থকা হৈছে।

**Grants for self-help Scheme for Gaon Panchayat**

Shri MATHIAS TUDU asked :

9. Will the Minister, Panchayat be pleased to state—

(a) The total amount of grants for self-help schemes given to the following Gaon Panchayat during 1977-78:—

(1) Grahampur, (2) Tamarhat (3) Gossaigaon (4) Sapkata-Jaraguri, (5) Saraibil, (6) Jalewary (7) Kachugaon.

(b) Whether all the grants have been utilised for the purpose ?

(c) If not, the reasons thereof ?

Shri ZAHIRUL ISLAM (Minister Panchayat) replied :

9. (a)—Nil,

(b) & (c)—Do not arise.

বি ঃ কিলিং-কপিলী নদীৰ সঙ্গমৰ পৰা পলাহগুৰিৰ হৈ ঔগুৰিৰ পাহাৰলৈ মঠাউৰিৰ বান্ধৰ আঁচনি

শ্ৰীপ্ৰসাদ চন্দ্ৰ দলৈয়ে সুধিছে ঃ

১০। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কিলিং-কপিলী নদীৰ সঙ্গমৰ পৰা পলাহগুৰিৰ হৈ ঔগুৰিৰ পাহাৰলৈ মঠাউৰিৰ খণ্ড বান্ধৰ আঁচনি প্ৰস্তুত হৈ আছেনে ?

(খ) যদি আছে তেনেহলে ১৯৭৮-৭৯ চনতে এই কাম আৰম্ভ হবনে ?

শ্ৰীৰমেশ মোহন কুলি (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১০। (ক)—কিলিং-কপিলী নদীৰ সঙ্গমৰ পৰা পলাহগুৰিৰ ওচৰৰ ৰাষ্ট্ৰীয় পথলৈকেহে কিলিং নদীৰ সোঁপাৰৰ মঠাউৰিৰ আঁচনি লোৱা হৈছে, প্ৰাক্‌কলন এতিয়ালৈকে প্ৰস্তুত কৰিব পৰা হোৱা নাই।

(খ)—১৯৭৮-৭৯ চনত কাম আৰম্ভ কৰিব পৰা নাযাব।

Mr. SPEAKER : Item No. 2 Shri Mukut Sarma.

(Member absent)

Mr. SPEAKER : Hon. Member Shri Nurul Huda.

শ্রীনূরুল হুদা ঃ—মাননীয় অধ্যক্ষ মহোদয় আমি আপনার অনুমতি নিয়ে আজ এই বিধান সভায় অত্যন্ত গুরুত্বপূর্ণ একটি প্রশ্নের অবতারনা করছি। এটা কেবল প্রশ্ন নয় একটা সমস্যা। আমাকে ২।৪ মিনিট সময় দিতে হবে, আমি সংক্ষেপে আমার বক্তব্য শেষ করবো।

মহোদয়, কাছাড়ের ডার্বিচা বাগান এবং দেওয়ান চা বাগান এবং আরো ২।১টি চাবাগানে বেশ কয়েকজন শ্রমিককে বিনা কারণে বরখাস্ত করা হয়েছে। ডার্বিতে ৬জন এবং দেওয়ান চা বাগানে ৮ জন শ্রমিককে বরখাস্ত করা হয়েছে। এ ঘটনাগুলি অতি সম্প্রতি ঘটেছে। এই অন্যায় বরখাস্তের বিরুদ্ধে এই চা বাগান গুলি এবং আরো আশে পাশের কয়েকটি চা বাগানের শ্রমিকগণ প্রায় ২ সপ্তাহ ধরে অত্যন্ত শান্তিপূর্ণ ভাবে বিক্ষোভ করেছে। তাদের মূল দাবী হলো এই বরখাস্ত শ্রমিকদের চাকরী ফিরিয়ে দিতে হবে।

তাই, আমি যে প্রশ্ন মাননীয় মুখ্যমন্ত্রী এবং শ্রমমন্ত্রী মহোদয়ের কাছে রাখতে চাই সেটা হলো এই যে, আজ যে সরকার জনপ্রিয় সরকার হিসাবে পরিচিত এবং মাত্র আড়াই মাস আগে যে সরকার ক্ষমতায় অধিষ্ঠিত হয়েছে ৩১ বছরের কংগ্রেসী কুশাসনকে বিতাড়িত করে, এই সরকার তার শ্রমিকদের ব্যাপারে কি ব্যবস্থা নিয়েছেন এবং তাদের শ্রম নীতি কি সেই পুরোনো ৩১ বছরের শ্রম নীতির মতই চলবে? এই সরকারও কি মালিক পক্ষকে তাদের ইচ্ছেমত শ্রমিক-ছাটাই করতে দিবেন এবং মালিক পক্ষের স্বার্থ দেখবেন?

তাই, আমি বলতে চাই যে মাননীয় শ্রম মন্ত্রী মহোদয় আমাদেরই জেলার লোক এবং শ্রমিকদের নেতা হিচাবে তিনি পরিচিত। এই ব্যাপারে আমরা তাঁর কাছে গিয়েছিলাম কিন্তু কোন সদুত্তর পাইনি। তাছাড়া ইতিমধ্যে আমরা শুনতে পেলাম যে দেওয়ান, লাবক, ডার্বি এবং আসেপাশের অন্যান্য চা বাগান গুলিতে বেশ কিছু সংখ্যক সি আর, পি বাহিনীকে মোতায়েন করা হয়েছে।
শৃংখলার অবনতি হয়েছে যার জন্য এই ব্যবস্থার প্রয়োজন হলো। আমি আরোও জানতে চাই যে মুখ্যমন্ত্রী মহোদয় এই ব্যাপারে হস্তক্ষেপ করবেন কি না এবং তিনি এই শ্রমিকদের কাজ ফিরিয়ে আনার ব্যাপারে কোন চেষ্টা করবেন কি না এবং সরকারের বর্ত্তমান যে শ্রম নীতি সেটা শ্রমিকদের অনুকূলে হবে কি না এসব কথা পরিস্কার ভাবে আপনার অনুমতি নিয়ে আমি মুখ্যমন্ত্রী মহোদয়কে জিজ্ঞাসা করতে চাই।

মহোদয়, আমার শেষ বক্তব্য হলো মুখ্যমন্ত্রী মহোদয় অনুগ্রহ করে কি এসব জায়গা থেকে সি, আর, পি ফোর্স প্রত্যাহার করার ব্যবস্হা করবেন কি? কারণ এইসব সি, আর, পি মালিকদের পক্ষ থেকে তাদের স্বার্থ রক্ষার জন্য মোতায়েন করা হয়েছে। তাই আমার বক্তব্য হলো মালিকপক্ষের অনুকূলে যদি সরকারের শ্রম নীতি চলতে থাকে তাহলে কংগ্রেস সরকারের সঙ্গে এই সরকারের কি তফাৎ থাকতে পারে তা আমি বুঝি না। সুতরাং আমি আপনার মারফৎ মাননীয় মুখ্যমন্ত্রী মহোদয়ের কাছ থেকে এই ব্যাপারে সরকারের সুস্পষ্ট অভিমত জানতে চাই।

শ্রীগোলাপ চন্দ্র বৰবৰা (মুখ্যমন্ত্রী) ঃ—মাননীয় অধ্যক্ষ মহোদয়, চাহ বাগান সমূহত বহুতো শ্রমিকক চাটাই কৰা যে চলি আছে। এইটো মই নিজেও জানো। কিয়নো আগৰে পৰা এই চাহ বাগানৰ শ্রমিক সকলৰ লগত মোৰ অলপ সম্বন্ধ আছিল। আৰু লগতে এইটো কথাও মই মাননীয় সদস্যক জনাও যে ট্রেড ইউনিয়ন বিলাকৰ বিকগানিশ্যন লৈ বহুতো হিনদোৰ খুটিনাটি এনে ধৰণৰ বহুতো প্রশ্ন আছে। এই কাৰণে বহু ক্ষেত্রত

এই বিলাকৰ সীমা চেৰাই গৈছে। অৱশ্যে এইটো কথা ঠিক যে চাহ বাগানৰ মালিক সকলে নানা কৌশল হিচাবে বাগানৰ পুৰণা শ্ৰমিক সকলক চাটাই কৰাৰ প্ৰচেষ্টা চলাই আছে। অৱশ্যে আমি এই ব্যৱস্থা বোধ কৰিবলৈ চৰকাৰৰ তৰফৰ পৰা ব্যৱস্থা লম। এই মৰ্ম্মে বৰ্ত্তমান মন্ত্ৰী সভাতো আলোচনা কৰি থকা হৈছে। আৰু কোনো ক্ষেত্ৰত শ্ৰমিকৰ বিক্ষোভ শান্তিপূৰ্ণ হলে, তাক দমন কৰাৰ কাৰণে পুলিচৰ কোনোৰূপ হস্তক্ষেপ আমি নিবিচাৰো। এই ক্ষেত্ৰটো চি আৰ পি প্ৰয়োগ কৰাটোৰ আৱশ্যকতা মই নিজেও অনুভৱ কৰা নাই। গতিকে চি-আৰ পিৰ পৰিবৰ্তে আৱশ্যক অনুসাৰে স্থানীয় পুলিচ থকাটোৱেই ভাল। সেই বিষয়ে মই যথাযথ ব্যৱস্থা গ্ৰহণ কৰিম।

শ্ৰীনুৰুল হুদা :—মহোদয়, একটা কথা আমার পরিস্কার হয় নি যে দেওয়ান, ডার্বি এবং কোকরাঝারের নিকটবর্তী বাগান গুলি ছাড়াও অন্যান্য কয়েকটি চা বাগানের পরিস্থিতি নিয়ে আমি যে প্রশ্ন এখানে উত্থাপন করেছি, সে সম্পর্কে শ্রম মন্ত্রী এবং মুখ্যমন্ত্রী মহোদয় তথা বর্ত্তমান সরকার কি আগের মতই মালিক পক্ষের প্রতিনিধি হয়ে মতই মালিক পক্ষের প্রতিনিধি হয়ে চলবেনচলবেন না শ্রমিক দের অনুকুলে শ্রম নীতি গ্রহণ করে শান্তিপূর্ণভাবে আলাপ আলোচনারমাধ্যমে এই সমস্যার একটা উপনিত হওয়ার আশ্বাস দিতে পারবেন ?

শ্ৰীগোলাপ চন্দ্ৰ বৰুৱা (মুখ্যমন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনক মই এইটো আশ্বাস দিব পাৰো যে, আমাৰ চৰকাৰৰ নীতি শ্ৰমিকৰ বিৰুদ্ধে নহয়। আৰু যাতে এই সকলোবোৰ শ্ৰমিকৰ মংগলৰ কাৰণে হয় তাৰ আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিম।

শ্ৰীগোলোক ৰাজবংশী :—মহোদয় মই এটা কথা জানিব বিচাৰো যে সেই বাগানত শ্ৰমিক দমনৰ কাৰণে চি আৰ পি প্ৰয়োগ কৰা হৈছে এই কথাটো তেখেত মুখ্যমন্ত্ৰী হিচাবে নাজানে নেকি ?

(বহুতো সদস্য একেলগে উঠে)

Mr. SPEAKER:—Now Shri Lakshewar Gohain Minister, Revenue

---

## STATEMENT BY MINISTER

* শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, ২৬।৫।৭৮ তাৰিখে কলিয়াবৰ উত্তোলন আৰু জলসিঞ্চন আঁচনিৰ অধিগ্ৰহণৰ ক্ষতিপূৰণৰ সংক্ৰান্তত তোলা প্ৰশ্নৰ উত্তৰ দিয়াৰ কালত এগৰাকী মাননীয় সদস্যই শিৱসাগৰ ট্ৰেজাৰীৰ পৰা অধিগ্ৰহণৰ ক্ষতি পূৰণৰ টকা আত্মসাৎ কৰাৰ কথালৈ চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰিছিল। গতিকে সেই বিষয়ে এটি স্পষ্টিকৰণ মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে সদনত আজি দাঙি ধৰিব বিচাৰিছো ।

*Speech not corrected.

যোৱা ১০।৩।৭৮ তাৰিখে ৪৯,০০০.০০ (উনপঞ্চাশ হাজাৰ) টকাৰো ওপৰ ক্ষতি পূৰণৰ টকা আত্মসাৎ কৰা এটা দৃষ্টান্ত শিৱসাগৰ মহকুমাৰ মহকুমাধিপতিৰ দৃষ্টি গোচৰ হোৱাত তেওঁ স্থানীয় আৰক্ষী বিভাগক জনায়। এই টকা ৯খন বিপেমেন্ট ভাউচাৰৰ ট্ৰেজাৰী আৰু ষ্টেট বেংকৰ পৰা পাছ কৰাই আত্মসাৎ কৰে। আৰক্ষী বিভাগে গোচৰ নথীভুক্ত কৰি ইয়াৰ তদন্ত আৰম্ভ কৰে আৰু এই সংক্ৰান্তত ৩ জন লোকক গ্ৰেপ্তাৰ কৰে। ইফালে মহকুমাধিপতিয়ে সন্দেহ ক্ৰমে আন কিছুমান অধিগ্ৰহণৰ গোচৰৰ নথি-পত্ৰ পৰীক্ষা কৰিবলৈ কাৰ্য্যালয়ৰ সংশ্লিষ্ট সহায়কক নিৰ্দেশ দিয়ে। এনে পৰীক্ষাৰ ফলত দেখা যায় যে ভালে দিনৰ পৰা এটা প্ৰবঞ্চক চক্ৰই মাটি অধিগ্ৰহন আৰু অধিগ্ৰহনৰ (ৰিকুইজিশ্যন আৰু একুইজিশ্যন) ক্ষতিপূৰণৰ ট্ৰেজাৰিত (ষ্টেট বেংকত)জমা হোৱা টকাৰ পৰা পৰিকল্পিত আৰু বে-আইনীভাবে টকা উঠাই উঠাই আত্মসাৎ কৰি আহিছে। বিভাগীয় অনুসন্ধান চলোৱাৰ ফলত এতিয়ালৈ ১,৫৬,৯৪১.২৩ টকা আত্মসাৎ কৰা ধৰা পৰিছে। হিচাব পত্ৰ ভালদৰে পৰীক্ষা-নিৰীক্ষা চলাবৰ কাৰণে ইতিমধ্যে মহাগাননিক (একাউন্টেন্ট জেনেৰেল) অৰিু বিত্ত বিভাগৰ লগত যোগাযোগ কৰা হৈছে যাতে এটা বিশেষ হিচাব পৰীক্ষৰ দল পঠাব পৰা যায়। তৎপৰতাৰে যাতে অনুসন্ধান কৰা হয় তাৰ বাবে গৃহ বিভাগৰ লগতো যোগাযোগ কৰা হৈছে। এই অভিযোগৰ সংক্ৰান্তত এতিয়ালৈকে ৫(পাচ) জন লোক গেপ্তাৰ কৰা খবৰ আমাৰ ওচৰলৈ আহিছে। তেওঁলোকৰ নাম তলত দিয়া হল ঃ—

১। শ্ৰীখগেন বৰা—শিৱসাগৰ কোষাগাৰৰ জুনিয়ৰ চাৰ একাউন্টেন্ট।
২। শ্ৰীটংকেশ্বৰ চেতিয়া—মহকুমাধিপতিৰ কাৰ্য্যালয়ৰ উচ্চ বৰ্গৰ সহায়ক।
৩। শ্ৰীবুদ্ধেশ্বৰ বুঢ়াগোহাঁই—মহকুমাধিপতিৰ কাৰ্য্যালয়ৰ নিম্ন বৰ্গৰ সহায়ক।
৪। শ্ৰীউমা গগৈ—কাৰ্য্যালয়ৰ পিয়ন
৫। শ্ৰীঅৰুণ কুমাৰ হাজৰিকা—শিৱসাগৰ কোৰ্টৰ চাহ দোকানৰ মেনেজাৰ।

এতিয়া চোৰাং চোৰা বিভাগে অনুসন্ধান চলাই আছে। গতিকে এই পাঁচজনৰ উপৰিও আন লোক গ্ৰেপ্তাৰ হোৱাৰ সম্ভাৱনা আছে।

———

## REPORT OF THE BUSINESS ADVISORY COMMITTEE

Mr. SPEAKER : Under Rule 230 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly, I called a meeting of the Business Advisory Committee at 12.30 P. M. on 29th May, 1978 in my chamber at Dispur. The Committee after going through the draft time table for voting on demands for grants made certain changes The timetable as approved by the Committee has been placed on the Members' tables.

I think this has the approval of the House.

(Voices : Yes, Yes.)

* শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—মাননীয় অধ্যক্ষ মহোদয়, সদস্য শ্ৰীদেবানন্দ্ৰ বৰাই অনা প্ৰস্তাৱটোত অংশ গ্ৰহণ কৰি মই আমাৰ এচ আই দি চিৰ কাৰ্য্যক্ৰম সম্পৰ্কে সিদিনা আপোনাৰ কিছুৰ দৃষ্টিগোচৰ কৰিছিলো। এই বিভাগতে ১ মে তাৰিখে অসম ট্ৰিবিউনত এটা বিজ্ঞাপন দিছে এই বিজ্ঞাপন দি কলে যে ৯ তাৰিখে দিনৰ ১ বজাত এইনিবিদা খোলা হব আৰু সেই একেজন লোকেই ৯ তাৰিখৰ ষ্টেটমেণ্ট কাগজত লম্বাকৈ প্ৰত্যেক বস্তুৰে নিবিদা বিছাৰিছো। ইয়াৰ দ্বাৰা অসমৰ মানুহক ঠগিব বিছৰা নাই নে? আনফালে কালকতাৰ পেপাৰ এখনত ইমান লম্বাকৈ বিজ্ঞাপন দি দুইফালৰ পৰা পইছা ঘটাৰ কি ষড়যন্ত্ৰ থাকিব পাৰে আমি বুজি নাপাওঁ। এনেকৈ যোৱা ৩০ বছৰে আগৰ চৰকাৰৰ আমোলত বিষয়া সকলে লটিঘটি কৰিলে এতিয়াও যদি এই চৰকাৰ তেওঁলোকৰ প্ৰতি সদয় হয় তেনেহলে শ্ৰীবৰা ডাঙৰীয়াই যিটো কাৰণত জনসাধাৰণক আহবান কৰিছে সেইটোত ফলৱতী নহব। মই শুনিব পাইছো এই বিভাগত হাজাৰ হাজাৰ নহয় লাখ লাখ টকা লোকচান কৰা হৈছে। এই লোকচানৰ কাৰণেই এচ আই দি চিৰ অফিছত ৯।৬।৭৫ ইং তাৰিখে এখন সভা হৈছিল আৰু সেই সভাৰে চৰা-টজ অৰজি চি আই চিটি সম্পৰ্ক প্ৰস্তাবো লৈছিল।

resolved that (i) Departmenta proceedings be started against the following officers: (i) Shri D. C. Barua, Controller of s ores and disposal, (ii) Shri N. K. Goldsmith, (iii) Shri K K. Bhuyan, (iv) Shri M. Das Asstt. Acca nts Officer, (v) Shri K. K. Acharyya, (vi) Shri Mrig n Das, Trainee.

আমি শুনিবলৈ পাইছো এনেকুৱা পৰিস্কাৰ প্ৰস্তাৱ লোৱা স্বত্বেও এই দি চি বৰুৱাৰ ওপৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা নহল। তেওঁ আজিও কণ্ট্ৰোলাৰ অৱ ষ্টোৰচ হৈ আছে। তেওঁৰ দিনতে অধ্যক্ষ মহোদয়, মোৰ হাতত ৰেকৰ্ড আছে বহুতো ঘৰসজা যন্ত্ৰপাতি বাহিৰত বিক্ৰী হৈছে। ইয়াৰ বাহিৰেও এই বিষয়াজনে কামাখ্যা ট্ৰেন্সপোৰ্ট এজেন্সিৰ ১০ হাজাৰ টকা আমানত ধন জব্দ কৰি ৰাখিছে অথচ বোৰ্ডৰ নিয়মমতে কাৰো আমনত ধন জব্দ কৰি ৰাখিব নোৱাৰে। কিন্তু এই দি চি বৰুৱা বিষয়াজন ইমান প্ৰতাপশালী যে তেওঁকোনো আইন কানুন নামানে। তেওঁৰ প্ৰভাৱত বাকী সকলোৱে তেওঁৰ ওচৰত নতি স্বীকাৰ কৰিব লাগিব। মই মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো যে ১৯৭৫ চনতে প্ৰস্তাৱ লোৱা স্বত্বেও তেওঁৰ ওপৰত কিয় শাস্তিমূলক ব্যৱস্থা লোৱা নহল ? মই এতিয়াও আশা কৰিছোঁ আমাৰ চৰকাৰে যিবিলাক বস্তু ইতিমধ্যেহৈৰাল তাৰ কাৰণে সেই ফাইলবিলাক তৎক্ষনাত জব্দ কৰিব লাগে। তাৰ পিচত এই বিভাগৰে যেতিয়া টি এল বৰুৱা মেনেজিং ডিৰেক্টৰ হৈ থাকোতে প্ৰিমিয়াৰ ৰোডচ কোৰিয়াৰচৰ লগত লগ লাগি অসমৰ ৩ লাখ টকা লোকচান ভৰিবলগীয়া হৈছে। গতিকে তৎক্ষনাত ফাইলবিলাক জব্দ কৰিলে কথাবিলাক ওলাইপৰাৰ সম্ভাৱনা আছে। তেওঁৰ দিনত ৪ লাখ ৫০ হাজাৰ টকাৰ টিনপাত গুদাম ঘৰৰ পৰা হেৰাল কিন্তু তাৰ কাৰণে আজিলৈ কাকো ৰেম্পনচিবিলিটি ফিস্ক কৰা নহল। যিবিলাক ৰে ব্ৰিজ অনা হল সেই বিলাক তিনিচুকিয়া গুৱাহাটীত দিয়া হল যদিও তাতো বহুত টকাৰ গোলমাল।

উপাধ্যক্ষ মহোদয়, মই এই মেচাছ শ্ৰীচান্দ গোপাল চান্দ কৃষ্ণমল, ডিমাপুৰ— এই ফাৰ্মে কোনো কুটেচন আহবান নকৰাকৈ কলিকতাৰ পৰা মাখন তেল আনে আৰু গুৱাহাটী নাপাওঁতেই বাহিৰতে বিক্ৰী হৈ যায়। তাৰ ফলত এ,এচ,আই,ডি,চি'য়ে ৩০ হেজাৰ টকা লোকচান ভৰিবলগীয়া হল। তাৰ কোনো ব্যৱস্থা লোৱা নহল। ইয়াৰ বাহিৰেও অন্যান্য বহুতো অভিযোগ এই এ,এচ,আই,ডি,চি'ৰ সংক্ৰান্তত আছে।

---

*Speech not corrected.

Mr. DEPUTY SPEAKER :—The learned member Should try to understand that it is a resolution and therfore. the speech must be relevant to the resolution.

*শ্ৰীঅতুল গোস্বামী ঃ—হয়, মই চমু কৰিবলৈ চেষ্টা কৰিম। কিন্তু মোক আৰু ১৫।২০ মিনিট মান সময় দিব লাগিব। ইতিমধ্যে আমাৰ জলসিঞ্চন বিভাগৰ কাৰ্য্য সম্বন্ধে যথেষ্ট কথাই আলোচনা হৈ গৈছে। কিন্তু এই জলসিঞ্চন বিভাগৰ চেক্ৰেটৰী, চিফ ইঞ্জিনিয়াৰ, এডিচনেল চিফ ইঞ্জিনিয়াৰ, তেওঁলোকৰ মাজত বৈবাহিক সম্বন্ধ বা মিতিৰালী থকাত এই ব্যৱস্থাটো পাকচক্ৰৰে গঢ়ি উঠিছে। এইটো বাধা দিব নোৱাৰিলে আমাৰ পথাৰলৈ পানী নাযায়। এই বিভাগে দুই হেজাৰ টকাৰ মূল্যৰ বস্তু ছয় হেজাৰ টকাত কিনিছে। মোৰ আৰু বহুত খবৰ আছে। এই বিধান সভাত এই কথা আলোচনা হৈছিল যে এডিচনেল চিফ ইঞ্জিনিয়াৰ, জনেল নং—৩, তেখেতে চিঠি দি জনাইছে যে হিন্দুস্তান ষ্টীল কোম্পানীত লোহা-লোকৰ নাই। যেতিয়া এই কথাৰ বিৰোধিতা কৰা হৈছিল তেতিয়াও তেখেতে এই কথাটো প্ৰমাণ কৰি দিবৰ কাৰণে এই কোম্পানীৰ পৰা লোহা-লোকৰ নাই বুলি লিখাই লৈছিল। গতিকে এই পাপ চক্ৰটো জলসিঞ্চন বিভাগৰ পৰা দূৰ কৰিবৰ কাৰণে যদি সেই বিষয়া সকলক শাস্তি দিয়াৰ কোনো ব্যৱস্থা নকৰে তেতিয়াহলে এই চৰকাৰ কেতিয়াও প্ৰগতিবাদী চৰকাৰ হব নোৱাৰে আৰু সমাজবাদ গঢ়ি তুলিব নোৱাৰিব। আজি সমাজবাদী ৰাষ্ট্ৰ কৰিবৰ কাৰণে পৰিস্কাৰ প্ৰশাসন লাগে। যিসকল বিষয়াই আমাৰ দেশৰ অধিবাসী হিচাবে দেশৰ স্বাৰ্থৰ কাৰণে কাম কৰে তেনেকুৱা কৰ্ম্মচাৰীকহে প্ৰমোচন দিব লাগে। যি সকল কৰ্ম্মচাৰীয়ে এই ৰাজ্যৰ বশ্যতা স্বীকাৰ নকৰে আৰু এই ৰাজ্যৰ ৰাজহ লোকচান কৰি নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে দেশক বলি দিয়ে সেইসকল কৰ্ম্মচাৰীক উপযুক্ত শাস্তি বিহিব লাগে। ১৯৭৫ চনত যেতিয়া দেশত জৰুৰীকালীন অৱস্থা ঘোষণা কৰা হৈছিল তেতিয়া কিছুমান অফিচাৰক শৰতচন্দ্ৰ সিংহ চৰকাৰ আৰু হিতেশ্বৰ শইকীয়া চৰকাৰে সৰল আৰু নিস্বাৰ্থ হোজা অফিচাৰ বিলাকক প্ৰমোচনৰ পৰা বঞ্চিত কৰি নানা ধৰণে তেওঁলোকক চেৰাই গৈ প্ৰমোচন দিলে তেওঁলোকেই অফিচাৰ হৈ থাকিল। আজিও যদি এইদৰে জনতা চৰকাৰৰ দিনত ৰাইজৰ সেৱাৰ কাৰণে আগ্ৰহশীল নহয় তেনে—অফিচাৰক বা কৰ্মচাৰীক উপযুক্ত শাস্তিমূলক ব্যৱস্থা লব লাগে। ১৯৪৭ চনৰ পৰা ১৯৭৫ চনলৈ আমি তেনেকৈ চেৰাই গৈ অফিচাৰ হোৱা দেখা নাছিলো। ১৯৭৫ চনৰ পাছতহে তেনে হোৱা বুলি শুনিছো। কিন্তু উপাধ্যক্ষ মহোদয়, এতিয়াৰ দৰে আগৰ দিনত ৰাজ্যৰ মুখ্য সচিব বাহিৰলৈ যাওঁতে চিকিউৰিটি লৈ যোৱা নাছিল। এতিয়া অসমৰ মুখ্য সচিবে অসমৰ বাহিৰলৈ গলেও চিকিউৰিটি লৈ যায়। এইটো ব্যৱস্থা কোনেকৰিলে ? এচ, পিয়ে দিছে নে আন কোনোবাই দিছে ? মই ইয়াৰ স্পষ্টীকৰণ মুখ্যমন্ত্ৰীৰ পৰা বিচাৰিছো। এজন শক্তিশালী পুলিচ অফিচাৰ শ্ৰীফনি ৰায়ৰ বিৰোদ্ধে যেতিয়া আলোচনা তেতিয়া অসমৰ মুখ্য সচিবে সৰ্বভাৰতীয় পুলিচ আইন ভঙ্গ কৰি শ্ৰীৰায়ৰ নামটো আই পি এচৰ নমিনেশ্যনৰ কাৰণে অনুমোদন কৰি পঠায়। মাছ বুলি নাখায় জিজি বুলি খায়। মই জনাত তেখেত কালি জইন্ট কৰিছে। যদি এইটোৱেই হৈ থাকে— তেতিয়াহলে ই অতি আচৰিত কথা।

DEWAN JOINAL ABEDIN : Mr Deputy Speaker, Sir, a discussion was raised on the adjourned discussion of honourable member Shri Debananda Bora's resolution but the things that hon. member Shri Atul Goswami is bringing about are not related to the discussion.

---

*Speech not corrected.

Mr. DEPUTY SPEAKER : Order, order, under rule 125 no speech on a resolution shall except with the permission of the Speaker, exceed fifteen minutes in duration. And therefore the things which he has stated regarding the past congress Government are not relevant to the resolution. When we discuss about a resolution we should be concise so that other members can also speak. And so, I urge upon the hon. members to cut short.

* অতুল চন্দ্ৰ গোস্বামী ঃ— হয়, মই তেনেই চমু কৰিম। কিন্তু মোৰ গোটেই কথা কোৱাৰ উদ্দেশ্য হল— যি সকল অফিচাৰে যোৱা ৩০ বছৰে কংগ্ৰেছ চৰকাৰৰ শাসনত সমস্ত পাপকাৰ্য্যত লিপ্ত হৈ আছিল—সেই সকলৰ দেখ দেখ প্ৰমাণো আছে আৰু সেইস কল অফিচাৰৰ বিৰোদ্ধে যদি আজিৰ জনতা চৰকাৰৰ দিনত কোনো শাস্তিমূলক ব্যৱস্থা গ্ৰহণ নকৰে—তেতিয়াহলে স্বেচ্ছাচাৰিতাৰে আজিও কাম কৰি যাব। মাননীয় সদস্য শ্ৰীদেৱানন্দ বৰাই যিটো কথা কৈছে তাৰ দ্বাৰা সেই সকলৰ প্ৰতি সমৰ্থন আগবঢ়োৱা যেনহে লাগে।

Mr. DEPUTY SPEAKER : The hon. member should talk on the relevant points because it is a resolution and not a budget speech.

* শ্ৰীঅতুল গোস্বামী ঃ—মই সেই কাৰণেই কব বিছাৰিছো যে এ এচ আই ডি চি, এগ্ৰো-ইন্ডাষ্ট্ৰি আৰু বাননিয়ন্ত্ৰণ, ইৰিগেচন এই বিভাগ বিলাকত এতিয়াও যদি পাপচক্ৰ চলিয়েই থাকে তেতিয়াহলে জনতা চৰকাৰ আৰু কংগ্ৰেছ চৰকাৰৰ মাজত কোনো পাৰ্থক্য নাথাকিব। গতিকে এই হেয়াখিনি —যিখিনি দেখ দেখকৈ কাগজে-কলমে প্ৰমাণিত হৈ আছে সেইখিনি অনতিপলমে গৰুচাব লাগিব। কংগ্ৰেছৰ দিন সেইদৰে কৰাৰ কিবা উদ্দেশ্য আছিল। সেইকাৰণে বান নিয়ন্ত্ৰণৰ বেলিকা একে ৰাতিৰ ভিতৰতে কাম শেষ কৰে। কালি সদনত আলোচনাৰ কালত শুনিবলৈ পাইছিলো যে—এডিচনেল ইঞ্জিনিয়াৰক বদলি কৰিবৰ কাৰণে একে ৰাতিৰ ভিতৰতে কেবিনেট বহুৱাই সিদ্ধান্ত লৈ লৈছিল আৰু তাৰ বিনিময়ত কংগ্ৰেছৰ ইলেকচন ফান্ডলৈ ১২ লাখ টকা আহিছিল। গতিকে সেইদৰে শ্ৰীগোলাপ বৰবৰা চৰকাৰৰ দিনতো যদি দলৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে ফান্ড শকত কৰিবলৈ লাখে লাখে টকা আমদানি কৰে—তেন্তেহলে এই ৰিজলিউচনৰ কিবা অৰ্থ থাকিবনে ? 'জেইচা ৰাজা ৰামচিং এইচা প্ৰজা ঘিটিং টিং'। জনতা চৰকাৰে দেশত সমাজবাদ প্ৰতিষ্ঠা কৰিব বিচাৰিছে, কল্যাণকামী ৰাষ্ট্ৰ গঢ়িব খুজিছে— সেয়ে এই প্ৰস্তাৱটো সদনলৈ আনিছে।

তাৰ পাছত আমাৰ ইয়াত এটা ডাঙৰ অনুষ্ঠান অলপতে হৈ গৈছে—ফকৰুদ্দিন আলি আহমদ মেমৰিয়েল স্পৰ্টচ ফাউণ্ডেচন। আমাৰ এজন ৰাষ্ট্ৰপতিৰ নামত ফাউণ্ডেচন হোৱাটোত আমি ভালেই পাইছো। কিন্তু এই বিষয়ে এটা প্ৰবন্ধ লিখিছে—ডিৰেক্টৰ শ্ৰীফনি শৰ্ম্মাই। তেখেতৰ ঠিকনা হল—জি,এন, বৰদলৈ ৰোড, ৰামুনি মৈদান, গুৱাহাটী—২১। তেখেত আগতে যুৱক কংগ্ৰেছত আছিল। আমি বেয়া নাপাওঁ কংগ্ৰেছৰ বহুতো মানুহ জনতালৈ আহিছে—ভালো আহিছে আৰু বেয়াও আহিছে। এইটো স্বাভাৱিক কথা যে গণতন্ত্ৰত সকলোৰে সমানে অধিকাৰ আছে কাৰণেই অহাত কোনো বাধা নাই। কিন্তু এই যে—ফাউণ্ডেচনৰ সংক্ৰান্তত তেখেতে কাৰণ দৰ্শাই যিটো কথা লিখিছে যে

---

*Speech not corrected.

To build up infra-structure such as stadia/play grounds of different dimensions at District and Subdivisions and Gram-panchayat levels. (b) to arrange for systematic coaching in different sports and games by experts at different centres (c) to supply useful sports equipments at a concessional rates (d) to assist in advance training on particular sports and games (e) to assist in organising tournaments and competitions (f) to encourage sports and games by publications of books, souvenirs etc.

কিন্তু এইবোৰ কৰিবলৈ স্পৰ্টচ্ কাউন্সিল আছে। ফকৰুদ্দিন আলি আহমেদ চাম্পৰ্টচ্ কাউন্সিল পাতিলে, হাঁহি মুখেৰে অনেকেই ফটো উঠিল। কিন্তু কথা হৈছে ইয়াৰ বাবে টকা পইচা কৰ পৰা আহিছে? এই কাৰ্য্যাবোৰ ইয়াত কেনেকৈ সংঘটিত হৈছে, কোন চক্ৰই ইয়াত কাম কৰিছে এইবিলাক উদ্ঘাটন কৰিব লাগে। গতিকে আমি আশা ৰাখিছো ৩০ বছৰীয়া কংগ্ৰেছী শাসনক ওফৰাই বাইজে যি আশা আকাংখ্যাৰে জনতা চৰকাৰক গাদিলৈ আনিছে সেই আশা আকাংখ্যাত যাতে চেচাঁ পানী নাঢালে।

ইয়াত মন্ত্ৰী সকল বহি থাকোতে তেখেত সকলৰ মুখত এনে এটা ভাব ফুটি উঠা আমি দেখিছো যে অফিচাৰ সকলৰ কামত চকু দিবলৈ গলেই যেন তেখেত সকলক ন্যায় সংগত বিচাৰ কৰা নহব, এনে ভাব তেওঁলোকৰ মুখত ফুটি উঠে। মই কৈছো যি সকল ভাল বিষয়া সেই সকলক প্ৰসংশা কৰক, লাগে ৰাজহুৱা ভাবে হলেও তেখেত সকলক অভিনন্দন জনাওক, তাত আমাৰ আপত্তি নাই। কিন্তু যোৱা ১৯ মাহে মন্ত্ৰী সকলৰ লগ হৈ যি সকল অফিচাৰে অৰাজকতাৰ সৃষ্টি কৰিছিল সেই সকলৰ উপযুক্ত বিচাৰ হবলৈ মই মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো আৰু এই বিধান সভা চলি থকা কালতে এটা কমিচন ঘোষণা কৰক। জনতা চৰকাৰে এনে এটা কমিচন কৰাৰ কথা ঘোষণা কৰিছিল, কিন্তু আজি ২।৩ মাহেও তাৰ একো নহল।

উপাধ্যক্ষ মহোদয়, বেলে কেতিয়াবা চানটিং কৰা আপুনি দেখিছে। ৰেলেযেনেকৈ ঢকা কোবাই কোবাই গৈ থাকে ঠিক তেনেকৈ চৰকাৰো ঢকা কোবাই কোবোই গৈ থাকিব। কিন্তু আমি এটা কাম কৰা চৰকাৰ বিচাৰিছো। সেই কাৰণে মই মাননীয় সদস্য শ্ৰীদেবানন্দ বৰা ডাঙৰীয়াৰ বিজলুচনটো সমৰ্থন কৰিছো, কাৰণ তাত কাম কৰাৰ ইঙ্গিত আছে। আজিৰ এই চৰকাৰটোক বাইজে স্নেহ কৰে আৰু বিশ্বাস কৰে। আজিৰ এই আলোচনা কৰিবৰ সময়ত কংগ্ৰেছ পাৰ্টিয়ে সদন ত্যাগ কৰিছে, নৰ্কাৰ উপায় তেওঁলোকৰ নাই। কাৰণ উপাধ্যক্ষ ডাঙৰীয়া, এইবোৰত তেওঁলোক এনে বেয়া ভাবে জড়িত আছিল যে এই আলোচনা কালত তেওঁলোকে হজম কৰিবলৈ টান পাই ওলাই গৈছে। তেওঁলোক ওলাই গলেও আমি ইয়াৰ আলোচনা কৰিম। আন এটা কথা হৈছে, তেখেতসকলে সংখ্যালঘু সম্প্ৰদায়ৰ কথা কৈছে। চাহ কমিচনৰ পিচত এতিয়া তেখেত সকলে সংখ্যালঘু সম্প্ৰদায়ৰ কথা কবলৈ গৈছে। কিন্তু ইন্দিৰা গান্ধীৰ পুত্ৰ সঞ্জয় গান্ধী আৰু হিতেশ্বৰ শইকীয়া, আনোৱাৰা আদি লগ লাগি এই সম্প্ৰদায়টোৰ কাৰণে কি কি কৰিছিল এই কথা সকলোৱে বুজি পাইছিল। উপাধ্যক্ষ মহোদয়, আপুনি জানে ডাৰ্কমেন টেত, মজহৰুতত এই সকলে কি কৰিছিল? শৰত সিংহ ডাঙৰীয়াৰ ৰাজত্বত মুকলি ঠাইত ভোদোলা ছাগলীক খাহি কৰাৰ নিচিনাকৈ ডাক্তৰ লগোৱাই মানুহক ধৰি নিবীৰ্জকৰণ কৰাইছিল। এজন বিধায়ক হিচাবে সদনৰ সন্মুখত এই কথা মই কব খোজো। পুছপৰ্ট নোহোৱাকৈ ভূটান, চিকিম আদিৰ পৰা কেনেকৈ ইয়ালৈ মানুহ আহিব পাৰে এই সম্পৰ্কত আমি সকলোৱে সমানে উদ্বেগপ্ৰকাশ কৰাৰ অধিকাৰ আছে।

(সময়ৰ সংকেট)

উপাধ্যক্ষ মহোদয়, আপুনি বহিবৰ কাৰণে মোক বহিবলৈ ইংগিত দিছে। মোৰ বহুত কথা কব লগা আছিল, কিন্তু কবলৈ সময় নহল। যিখিনি কথা মই ইয়াত উনুকিয়াইছো সেইখিনিৰ ডকুমেণ্টৰী, প্ৰমাণ সদনত মুখ্যমন্ত্ৰীৰ ওচৰত দাখিল কৰা হব। মই আশা ৰাখিছো যদি কিবা অকাট্য প্ৰমাণ দিব লগা হয় তেন্তে তাৰো ব্যৱস্থা কৰা হব। এই খিনি কৈ মই মাননীয় সদস্য শ্ৰীদেৱানন্দ বৰাৰ প্ৰস্তাৱটো সমৰ্থন কৰিছো আৰু লগে লগে আশা ৰাখিছো জনতা চৰকাৰে যাতে বক্তৃতাৰ ফুলজাৰিৰ জড়িয়তে নহয় আচৰণ আৰু কামৰ জড়িয়তে অন্ততঃ জনসাধাৰণক প্ৰতয় নিয়াবলৈ সক্ষম হব। যদি জনতা চৰকাৰে ৰাইজৰ কল্যাণমূলক কাম কৰিবলৈ বিচাৰিছে তেন্তে এই চৰকাৰ বজ্ৰৰ দৰে কঠোৰ হওক আৰু সেই মতে কাম কৰক। এই খিনি আশা ৰাখি মই এই প্ৰস্তাৱটো সমৰ্থন কৰিছো।

Mr. DEPUTY SPEAKER : Hon. member, Shri Biresh Misra wanted to make on a amendment to the Resolution No. 2. Is he desires, he may now move it.

*Shri DEWAN JOYNAL ABEDIN : Mr. Deputy Speaker, Sir, I want to speak a few words on the admissibility of the Resolution. We the legislators of the S. U. C. I. did not find due oppotunity to express our views on the admissibility of the Resolution moved by the Hon. member, Shri Devananda Bora of Janata Party on the 26th May last. The aforsaid Resolution has sought to shower praises on the newly formed Janata Government which at best represents the majority of the House. We strongly feel that to pass such a Resolution which seeks to glorify a Government formed by a particular political party, from a narrow sectarian point of view, will tentamount to imposing the views, for all practical purposes. of a single party upon other.

Shri ATUL CHANDRA GOSWAMI : Mr. Deputy Speaker, Sir, under what rule the hon. member is raising the poin of order ?

Mr. DEPUTY SPEAKER : Yes, what is your point of order ? What are you reading ?

Shri DEWAN JOYNAL ABEDIN : It relates to the admissibility of the Resolution.

Mr. DEPUTY SPEAKER : The matter was already discussed and the Hon. Speaker has ruled it out. Now, Shri Misra.

শ্ৰীবিৰেশ মিশ্ৰ ঃ—মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা সংশোধনীৰ নটিচ দিছিলো, মই এতিয়াই এই সম্পৰ্কত নকও। মই যেতিয়া মোৰ বক্তব্য ৰাখিম তেতিয়াই মই সেই সম্পৰ্কও কম।

শ্ৰী নিশীখ রঞ্জন দাস ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদেবানন্দ বরা মহাশয় যে প্ৰস্তাব উৎথাপন কৰছেন সে সম্পৰ্কে কিছু আলোচনা করতে চাই। একতা ঠিক যে বিগত ৩১ বছরে কংগ্ৰেসী ৰাজত্ব যে ইতিহাস সৃষ্টি করেছে সেই ইতিহাস একটা বঞ্চনাৰ ইতিহাস, প্ৰবঞ্চনার ইতিহাস। আমাদের দেশের কোটি কোটি

*Speech not corrected.

মানুষকে বঞ্চিত করে কংগ্রেছী শাসন কেবল ভারতবর্ষের একচেটিয়া পুঁজিপতি ও সাম্রাজ্য-বাদী পুঁজিপতি আর জমিদার শ্রেণীর স্বার্থ রক্ষা করে এসেছে। আমরা জানি ১৯৪৭ ইংরাজীতে আমাদের দেশে যারা পুঁজিপতি ছিল, যেমন টাটা বিড়লারা, তাদের মিলিত পুঁজির পরিমাণ ছিল মাত্র ৬০ কোটী টাকা, আর ৩১ বছরের কংগ্রেছী রাজত্বে সেই পুঁজির পরিমাণ গিয়ে দাঁড়িয়েছে দুই হাজার কোটি টাকারও অধিক। আবার উল্টো দিকে আজ ভারতবর্ষের শতকরা ৭০ জন মানুষ দরিদ্র সীমা রেখার নীচে নেমে আছে। গ্রামাঞ্চলের শতকরা ৭৮ জন মানুষের দৈনিক রোজগার মাত্র .৯০ পয়সা, আবার অন্যদিকে ভারত-বর্ষের মাত্র ৭৫ টি পরিবারের জরুরী অবস্থার সময় বাৎসরিক মুনাফা হয়েছে ১০০ কোটি টাকা করে। এই হলো ভারতবর্ষের জনগনের অবস্থা। একচেটিয়া পুঁজিপতিদের এই কংগ্রেস সরকার রাজা থেকে মহারাজার আসনে প্রতিষ্ঠিত করছে, আর অন্যদিকে গরীব কৃষককে করেছে ভূমিহীন,। শতকরা ৪০ ভাগ জমি আজ মুষ্ঠিমেয় কয়েকজন মানুষের হাতে কুক্ষিগত। সারা দেশে এরা সৃষ্টি করেছে হাহাকার। আজ আমাদের দেশের কৃষক জন্মলগ্ন থেকেক্ষুধার্ত, আর ক্ষুধার্ত কৃষক রোগগ্রস্ত, রোগগ্রস্তকৃষক ঋণগ্রস্ত। জন্মলগ্ন থেকে এরা শিক্ষার আলো বঞ্চিত। ভারতবর্ষের ৬৫ কোটি মানুষের মধ্যে ৪০ কোটি নিরক্ষর। যদি কেউ জিজ্ঞাসা করে যে, কংগ্রেসী রাজত্বে ভারতবর্ষের কোন ব্যাপারে শীর্ষ স্থান অধিকার করেছে, নিঃসন্দেহে উত্তর দিতে হবে যে মূর্খের ব্যাপারে ভারতবর্ষ এক নম্বর। এই হলো আজ দেশের অবস্থা। একশতজন মানুষের মধ্যে আশীজন মরার সময়ে ঔষধ পায়না। হাতী কমিটী বলেছিল যে ভারতবর্ষের শতকরা ৮০ জন মানুষ রোগে চিকিৎসা লাভ করতে পারেনা। বৃদ্ধ কৃষক-পিতার সামনে রোগগ্রস্ত সন্তান ধুঁকে ধুঁকে মরে যায়, একফোঁটা ঔষধ পায়না, অথচ বিদেশী ঔষধ কোম্পানীগুলো আমাদের দেশ থেকে কোটি কোটি টাকা মুনাফা লুটে নিয়ে যাচ্ছে। ১৯৪৭ ইংরেজীতে আমাদের দেশে বিদেশী দের কাছে পাওনা ছিল ১৬০০ কোটী টাকা আর আজত বিদেশী সাম্রাজ্যবাদী কেবল আমাদের কাছে পাবে দশ হাজার কোটী টাকা। তার জন্য কেবল সুদ হিসাবেই বছরে আমাদের দিতে হয় ৭০০ কোটি টাকা। এই অবস্থা হলে কি করে বেকার সমস্যার সমাধান হবে? কি করে ব্রহ্মপুত্র এবং বরাকের বন্যা থেকে কোটি কোটি মানুষকে রক্ষা করা হবে? এই অর্থনৈতিক অবস্থা বাঁচিয়ে রাখার জন্য এই কংগ্রেসদল ১৯৭৫ ইংরাজীর ২৫ জুন তারিখে এক জঘন্য রাজনৈতিক চক্রান্ত করে এই জরুরি অবস্থা ঘোষনা করে এবং একচেটিয়া পুঁজিপতিদের ও সামন্তবাদী জমি-দারদের স্বার্থ রক্ষা করতে ভারতবর্ষের জনসাধারণের সমস্ত গণতান্ত্রিক অধিকার হরণ করেছিল। তারা আমাদের কথাও বলতে দেয়নি। গত ৩১ বছরের কংগ্রেসী রাজত্বের দমন নীতি বৃটিশ সাম্রাজ্যবাদীদের দমন-নীতিকেও ম্লান করে দিয়েছিল। লাঠি আর গুলি দিয়ে কেবল তারা দেশ শাসন করেছে। ক্ষুধার্ত মানুষ্য যখন খাবার চেয়েছিল তখন রুটির বদলে তারা পেয়েছে বুট-বুলেট-বেয়নেট। এই গোয়ালপাড়া জেলা থেকেই কেবল ১৫ হাজার মানুষকে এরা করেছে ভিটে-মাটি ছাড়া। এর বিরুদ্ধে কথা বলতে গেলে ঐ সরকার আমাদেরে গ্রেপ্তার করছে। আমার মত একজন অতি সাধারণ মানুষ-কেও ঐ সরকার পিডি এ্যাকট, ডি-আই-আর,মিসায় বার বার গ্রেপ্তার করেছে। আমাদের গণতান্ত্রিক অধিকারকে, রুটির-রুজির আন্দোলনকে পদদলিত করে এরা একচেটিয়া পুঁজিপতির স্বার্থ রক্ষা করে এসেছে, দেশের সম্পদ লুন্ঠন করেছে, দুর্নিতী করেছে। আমি সীমান্ত অঞ্চলের লোক সেই অঞ্চলে আমি দেখেছি পুলিশ প্রশাসন এবং বি এস এফ মিলে মানুষের উপর কি অত্যাচার করছে। মাঘ মাসের শীতের মাঝে সারা রাত মৎস্যজীবিরা বিলের জলে মাছ ধরে দুমুঠো অন্ন যোগাড় করার আশায়, আর এইসব দুর্নীতিপরায়ন পুলিশ বিড়াল যেমন ইঁদুরের উপর ঝাপিয়ে পড়ে তেমনি তাদের উপর ঝাপিয়ে পড়ে বলে "দেখ, ২০ টাকা যদি দাও তবে বলব ভারতের মাছ আর যদি না দাও তাহলে বলব বাংলাদেশের মাছ।" এই রকম অত্যাচার ওরা চালিয়েছে বিশেষ্র করে

সংখ্যালঘু মৎসজীবিদের উপর দিনের পর দিন। এই রকম একটা ত্রাসের রাজত্ব সৃষ্টি করেছিল এই কংগ্রেস সরকার। কুশিয়ারা নদীর জলে হাজার হাজার মৎসজীবি মাছ ধরে জীবিকা নির্বাহ করে। অথচ এই কংগ্রেস সরকার নিয়ম করেছিল যে এক বৎসর ভারতের মানুষ মাছ ধরবে, আর এক বৎসর বাংলাদেশের মানুষ মাছ ধরবে। আমি বুঝতে পারিনা এক বৎসর কি করে ক্ষুধার্ত মানুষ মাছ না ধরে, রোজগার না করে বেচে থাকবে ? এজিদের মত অত্যাচার চালিয়েছিল এই কংগ্রেস সরকার। কারবালাতে পিপাসার্ত মানুষ জল চেয়ে যেমন জল পায়নি তেমনি নদীতে মাছ থাকা সত্বেও মাছ ধরতে দেয়নি কংগ্রেস সরকার ।

শ্ৰীমতী আনৱাৰা টাইমুৰঃ— মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা পইন্ট অব অৰদাৰ উত্থাপন কৰিব বিচাৰিছো। মোৰ কথাটো হৈছে এই যে আজি ৰাতিপুৱাৰে পৰা বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল তেওঁলোকৰ বিভিন্ন দাবী লৈ প্ৰচেচন কৰি আহি বিধান সভাৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শণ কৰি আছে আৰু তেওঁলোকে মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰিব বিচাৰিছে। সেই কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো তেখেতে যাতে তেওঁলোকক দেখা দি তেওঁলোকৰ লগত আলোচনা কৰি এটা মিমাংশালৈ আহিবলৈ চেষ্টা কৰিব।

মঃ ছামচুল হুদাঃ— মাননীয় উপাধ্যক্ষ মহোদয়, আজি ৰাতিপুৱা ১০ বজাৰে পৰাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰায় ৩০০ মান ছাত্ৰ-ছাত্ৰী শুভাযাত্ৰা কৰি আহি বিধান সভাৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শণ কৰি আছেহি। তেওঁলোকে সেই দৰে বিধান সভাৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শণ কৰি থকাৰ কাৰণে আমাৰো সদনৰ কাৰ্য চলোৱাত ব্যাঘাট জন্মিছে। গতিকে মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো তেখেতে যেন ছাত্ৰ-ছাত্ৰী সকলৰ লগত দেখা কৰি কিবা এটা মীমাংসালৈ আহিবলৈ চেষ্টা কৰে। আমি এই সম্পৰ্কত ইতিমধ্যে দেখিবলৈ পাইছো যে প্ৰায় ২০০ এগ্ৰো বোটানিত পাচ কৰা মানুহ বেকাৰ হৈ আছে। আৰু ইমান মানুহ বেকাৰ হৈ থকা স্বত্বেও বিশ্ববিদ্যালয়ে এই কৰ্চটো চলাইয়েই আছে। চৰকাৰে এই কৰ্চটো বন্ধ কৰিব লাগে আৰু বেকাৰ হৈ থকা মানুহখিনি নিযুক্তি দিব লাগে। এই দৰে কৰ্চটো চলাই থাকিলে বছৰে বছেৰে মানুহ পাচ কৰি ওলাই থাকিব আৰু চৰকাৰেও নিযুক্তি দিব নোৱাৰিব, এটা জটিল সমস্যাৰ সৃষ্টি হব। সেই কাৰণে মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো তেখেত সকলৰ আগৰ আলোচনা যিহেতুক ব্যৰ্থ হৈছে তেওঁলোকে পুনৰ বৰ্দ্ধিতশক্তি লৈ ইয়ালৈ আহিছে ইয়াৰ পিচত পষ্ট গেজুৱেটৰ ছাত্ৰ, ল' কলেজৰ ছাত্ৰ আৰু মেডিকেল কলেজৰ ছাত্ৰ অহাৰ সম্ভবনা আছে। সেই কাৰণে এটা বিৰাট আকাৰ ধাৰণ কৰাৰ আগতেই মুখ্যমন্ত্ৰী মহোদয়ে তেওঁলোকৰ লগত আলোচনা কৰি কিবা এটা মীমাংসা কৰিব পাৰিলে ভাল হয়।

Shri BANESWAR SAIKIA :—Before the situation slips ont of hand I think, the Govt. should take appropriate stand and the Hon. hief Minister should go and meet the demonstratoks and tal7 to them so that situation is ease! and issues are amicably settled.

*শ্ৰীখগেন্দ্ৰ নাথ বৰবৰুৱাঃ— উপাধ্যক্ষ মহোদয়, প্ৰায় দুইশ পোষ্ট গ্ৰেজুৱেট, এগ্ৰিকালচাৰ বটানি লৰাৰ ১৯৭০ চনৰ পৰা ডিমান্ড আছে। কিন্তু তেওঁলোকৰ ডিমান্ডটো বৰ ডাঙৰ নহয় ।

---

*Speech not corrected.

Demands of students. 1. We want Assam Government's interference in the irregularities of appointments in Assam Agricultural University and to allow open competition for our Gauhati University students. (2) We demand direct recruitment of Post-graduates of Agricultural Botany in Agriculture Department of Assam. (3) We demand immediate release of concurrent grant to the Colleges of Assam under Gauhati University to introduce 'Agri-Science' in under-graduate level from the current financial year.

এই ডিমাণ্ড কেইটাৰ সৈতে স্মাৰক পত্ৰ মুখ্যমন্ত্ৰীৰ ওচৰত ২৪ তাৰিখে দাঙি ধৰিছে।যিহেতু সেই বিষয়টোৰ ওপৰত চৰকাৰৰ তৰফৰ পৰা বিশেষ আস্থাৰ ভাব যোগাব পৰা নাই সেই হেতুকে পুণৰ আহি সমবেত হৈছেহি। গুৱাহাটী বিশ্ববিদ্যালয়ৰ লৰা, কৃষি বিশ্ববিদ্যালয়ৰ লৰা, ইঞ্জিনিয়াৰিং কলেজৰ লৰা মুঠ লৰা তিনিশ ছাত্ৰ-ছাত্ৰী আহিছে। ৰাতিপুৱাৰ পৰা নাখাই-নবৈ ৰ'দত বিক্ষোভ প্ৰদৰ্শন কৰিব লগা হৈছে, দুখৰ বিষয়। এই বিষয়টো আজিৰ নহয়, আগৰ বিষয়। বৰ্তমান চৰকাৰৰ মূৰত আহি দায়িত্ব পৰিছে, সমাধান নকৰিলে ঠিক নহয়। সেই বিষয়ত দৃঢ় চিন্তা ধাৰাৰ প্ৰয়োজন আছে। যিহেতু লৰা বিলাক আহি সমবেত হৈছেহি, আশ্বাস দিয়াৰ প্ৰয়োজন। এই বিষয়ত অতি সোনকালে কেবিনেট বহি সিদ্ধান্ত লোৱা দৰকাৰ। মুখ্যমন্ত্ৰীয়ে আজি তেওঁলোকক দেখা কৰিলে ভাল হয়। গণতান্ত্ৰিক দেশত মুখ্যমন্ত্ৰীৰ ওচৰলৈ নাহি কলৈ যাব ?

*শ্ৰীপ্ৰেমধৰ বৰা :—মুখ্যমন্ত্ৰীক অনুৰোধ কৰিছো সমস্যাটো সমাধান কৰিব দিহাত দিয়া যদি প্ৰতিনিধি সকলক আশ্বাস দিলে ভাল হয়।

শ্ৰীযোগেন গগৈ :— মই কব বিচাৰিছো——

Mr. DEPUTY SPEAKER: The hon. members are talking on the same subject; already it has been raised; and so the repetition is not necessary.

*শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, এই সমস্যাটোৰ বিষয়ত ছাত্ৰ সকলৰ লগত ইয়াৰ ভিতৰত আলোচনা হৈছে।কৃষিমন্ত্ৰী, শিক্ষামন্ত্ৰী আৰু মোৰ লগত আলোচনা হৈছে। এই সমস্যাটো বহুদিনৰ পৰা ওলমি থকা জটিল সমস্যা। এই সমস্যাটোৰ বিষয়ে তেওঁলোকে ২৪ তাৰিখে আলোচনা কৰিবলৈ আহোঁতে কৈ থৈছিল ২৭ তাৰিখে বিক্ষোভ আছে তাৰ আগতে সমস্যা সমাধান কি কৰে কৰক। মইও আলোচনা কৰিছো আৰু ইতিমধ্যে আমাৰ বিভিন্ন সংশ্লিষ্ট দপ্তৰৰ সৈতে এই বিষয়ত কি কৰিব পৰা যায় আলোচনা বিলোচনা কৰি সিদ্ধান্তত আহিবলৈ চেষ্টা কৰিছো। সন্মানিত সদনে জানে যে আমাৰ দেশৰ বিভিন্ন স্তৰত নিবনুৱাসমস্যা কি জটিল হৈ আহিছে আৰু আমাৰ শিক্ষা ব্যৱস্থা বা অৰ্থনৈতিক অৱস্থা এই দুটাত পৰিকল্পনাত সংঘটিত আছে। এই সমস্যাটো আমি যিমানেই ইচ্ছা কৰো একেদিনাই সমাধান কৰি পেলাব, সেইটো আশ্বাস দিব নোৱাৰো। এই বিষয়ত কিমানখিনি কৰিব পৰা যায় তাৰ কাৰণে আলোচনা বিলোচনা কৰি আছো। আন এটা কথা হল বিশ্ববিদ্যালয়ৰ ছাত্ৰ সকলৰ যিটো দাবী, তাৰ বিকল্প দাবী কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰ সকলৰ। কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰ সকলে কয় যে সেই খিনিক কামত লব নালাগে, আমাক লব লাগে। এই দৰে পৰস্পৰ বিৰোধী ছাত্ৰ সকলৰ সমাজত আছে। এই জটিল পৰিস্থিতিত আমি সকলোৰে অন্তৰেৰে সৈতে অনুভৱ কৰিছো যে এটা অংশ এনেকৈ কৰ্মসংস্থাপনৰ সুবিধা নোপোৱাকৈ আছে। তাৰ সমাধানৰ কাৰণে কেনেকৈ কি কৰিব পৰা যায় সেই বিষয়ে চিন্তা কৰি আছো আৰু কৰিব পৰা খিনি নিশ্চয় কৰিম।

*শ্ৰীপ্ৰেমধৰ বৰা :— দেখা কৰিলে বেয়া নহয়।

*শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :—আলোচনা কৰি আছো।

---

*Speech not corrected.

শ্রীনিশীথ রঞ্জন দাস ঃ উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহাশয় যদি সমাগত ছাত্র নেতৃবৃন্দের সঙ্গে দেখা করে তাদের সমস্যার সমাধান করে তাহলে আমারা খুশি হবো।

উপাধ্যক্ষ মহোদয়, আমি বলেছিলাম যে এক বৎসর রোজি-রোজগার বন্ধ রেখে পরের বৎসর এইসব ক্ষুধার্ত মৎসজীবি রোজগার করবে-এই ছিল কংগ্রেস সরকারের নীতি। কংগ্রেস আমলে গরীব মানুষ যখনই জীবিকা অর্জনের জন্য কাজ করতে গিয়েছে তখনই তাদের উপর করের বোঝা চাপিয়ে দিয়েছে এরা। ১৯৪৭ ইংরাজিতে মাথাপিছু কেন্দ্রীয় সরকারের কর ছিল ৫ টাকা করে আর এখন হয়েছে মাথাপিছু ৭০ টাকা। কংগ্রেস আমলে ৫ গুণ বৃদ্ধি পেয়েছে। গরীব মানুষের সর্বস্ব লুণ্ঠন করেছে এই কংগ্রেস সরকার। দেশের কোটি কোটি মানুষ আজও নিরক্ষর অন্যদিকে লক্ষ লক্ষ শিক্ষিত আজ বেকার। আমাদের সংবিধানেও বলা হয়েছিল যে স্বাধীনতার ১০ বৎসরের মধ্যে নিরক্ষরতা দূর করতে হবে। তাই আজ যদি দেশের শিক্ষিত সমাজ নিরক্ষরতা দূর করার দায়িত্ব দিলে এক সঙ্গে আমাদের দুই সমস্যার সমাধান হতে পারতো। শিক্ষার প্রসারের সঙ্গে সঙ্গে বেকার সমস্যার সমাধানও হতো।

মহোদয় আমাদের দেশের শতকরা ৮০ জন মানুষ আজ বিনা চিকিৎসায় মরছে এবং এই প্রসঙ্গে মাননীয় সদস্য কমঃ সামসুল হুদা সাহেব যে পরামর্শ দিয়েছেন যে বেকার ছেলেদের প্রাথমিক চিকিৎসায় একটা ট্রেনিং দিয়ে গ্রামের অভ্যন্তরে পাঠিয়ে দিলে গ্রামাঞ্চলের দরিদ্র মানুষ যেমন একদিকে রোগ শোকের হাত থেকে রক্ষা পাবে ঠিক তেমন বেকার ছেলেদের অন্ন সংসহানেরও একটা ব্যবস্হা হবে তাঁর এই পরামর্শ আমি সমর্থন করি। এসব দিকে নজর দেওয়ার জন্য কংগ্রে সরকার ছিলনা, তারা ছিল শুধু একচেটিয়া পুজিপতিদের স্বার্থ রক্ষা করতে। অধ্যক্ষ মহোদয়, অসাম রাজ্যে সম্পদের সীমা নাই। অথচ এই সদনে অনেক সদস্য ভূমি স্বল্লতা ও গোছ বৃদ্ধির কথা বলেছেন এবং কংগ্রেসীরা এই সুযোগ জাতি বিদ্বেষ এবং সাম্প্রদায়িক বিদ্বেষের বিস্তারের সুযোগ পেয়েছে। আমরা জানি চীন দেশে কৃষিযোগ ভূমি লোকসংখ্যার অনুপাতে অনেক কম। কিন্তু ভূমির মৌলিক সংস্কার করার জন্য সেখানে কেউ নিরন্ন নাই, ক্ষুধার্ত নাই, চিকিৎসার অভাবে কেউ সেখানে মরছেনা। সুতরাং আমার বক্তব্য হলো, আমরা যদি সমাজতান্ত্রিক ধাঁচে অথনীতির প্রবর্তন করি তাহলে এই সমস্যা কখনো থাকতে পারেনা। কিন্তু, আজও চাবাগানের উপর, তেলের উপর, বনসম্পদের উপর একছেটি পুজী ও সাম্রাজ্যবাদীদের আধিপত্য রয়েছে। কোটি কোটি টাকা এরা লুণ্ঠন করছে। এভাবে যদি সাম্রাজ্যবাদীরা ও বড় বড় রাঘব বোয়ালরা দেশের সম্পদকে গ্রাস করতে থাকে কোন অর্থ দিয়ে আমরা দেশের সমস্যার সমাধান করব?

আজ যোগযোগের ব্যবস্হা এমন পর্যায়ে এসে দাঁড়িয়েছে যে কথা আমি আগেও বলেছিলাম যে ত্রিপুরা, নর্থকাছার হিলস ও আসাম রাজ্যের একমাত্র যোগাযোগের রাস্তা হলো পাহার লাইন। সেখানে আছে ৭৩ টা টানেল, নড়বড়ে সেতু। সামান্য বৃষ্টি হলেই এই বিরাট অঞ্চল সম্পূর্ণ বিচ্ছিন্ন হয়ে যায়। সেখানে যে মটর রাস্তা আছে, করিমগঞ্জের রেল গেইট একবার বন্ধ করলেই বিশৃংখলার সৃষ্টি হয়ে যায়, সভ্য জগৎ বলে মনে হয়না. মুহূর্তের মধ্যে শত শত গাড়ী জমা হয়ে যায়। সেখানে একটা ওভার ব্রীজকরে দিলেই সমস্যার সমাধান হয়ে যেত কিন্তু এই ন্যূনতম কাজ টুকুর দিকেও কংগ্রেসের নজর ছিলনা। কেবল একচেটিয়া পুঁজিপতিদের সেবা করেছে এসেছে।

উপাধ্যক্ষ মহোদয়, আজ আমরা যখনএই প্রস্তাবের মধ্য দিয়ে দেশে গণতন্ত্র প্রতিষ্ঠার কথা বলছি, গভীর দুঃখের সঙ্গে বলতে বাধ্য হচ্ছি যে, এই জনতা সরকারের আড়াইমাস কার্যকালের মধ্যেও কলকারখানা বন্ধ হচ্ছে, শ্রমিক ছাটাই হচ্ছে। কর্মচারীরা যখন সংঘবদ্ধভাবে দাবী আদায় করতে যাচ্ছে, তখন মালিকরা তাদেরে ছাটাই করছে এবং অত্যন্ত লজ্জার কথা যে বর্তমান জনতা সরকারও পূর্বের কংগ্রেস সরকারের মত এবিষয়ে সম্পূর্ণ নীরব থাকছে। কর্মচারীদের প্রতি নির্মম ভাবে ব্যবহার করা হবে আর এর বিরুদ্ধে প্রতিবাদ করতে পারবেনঃ এ কেমন কথা ? মানুষ স্বৈরতন্ত্রীকে উৎখাৎ করেছে দেশে প্রকৃত গণতন্ত্র প্রতিষ্ঠা করার জন্য। কিন্তু আজও স্বেচ্ছাচারী মালিকের বিরুদ্ধে শ্রমিকরা আন্দোলন করতে পারছেনা, মিল বন্ধ করে দিলে তার বিরুদ্ধে আওয়াজ দিতে পারছেনা, আর দিলেও পুলিশ তাদের ধরে নিয়ে গিয়ে বলছে, 'লিখে দাও আর কোন দিন ইউনিয়ন করবেনা, আর যদি কর তাহলে জকিগঞ্জ বা সুতারকান্দি দিয়ে তোমাকে বাংলাদেশে পাঠিয়ে দেব।' এই জনতা সরকারের রাজত্বেও পুলিশ এসব কাজ করার স্পর্ধা রাখছে। আগের মতই আজও প্রসাশন ব্যবস্থায় এই একই অবস্থা অব্যাহত আছে।

শ্রীদুলাল বৰুৱা (মন্ত্রী) :—একেটা কথকে কালিও তেখেতে কৈছিল, আজিও কৈছে। লিখিত ভাবে দিলে চৰকাৰৰ তৰফৰ পৰা ব্যৱস্হা লোৱা হব। আমি কথাটো গম পোৱা নাই। I request the hon'members through you, Sir, to submit all the information to us so that we can take action.

Mr. DEPUTY SPEAKER—When one hon'ble member has spoken something already the same thing should not be repeated and every thing should be spoken on truth and on document.

শ্রীনিশীর রঞ্জন দাস :— আচ্ছা। এজন্য আমি মন্ত্রী মহোদয়কে ধন্যবাদ জানাচ্ছি। মহোদয় আমাদের রাজ্য থেকে কৃষক উচ্ছেদ বন্ধ করার কোন ব্যবস্থা আমরা দেখছিনা। আমি আশা করবো জমিদারের শোষণের হাত থেকে মানুষকে রক্ষা করার জন্য, বন্ধ কলকারখানা খোলার জন্য যে প্রতিশ্রুতি এই জনতা সরকার নির্বাচনের সময় আসাম বাসীকে দিয়েছিলেন, তা পালন করবেন এবং দেশেগণতন্ত্র প্রতিষ্ঠা করবেন।

Mr. DEPUTY SPEAKER :—The hon'ble member will Speak something relevent to the resolution.

শ্রীনিশীথ রঞ্জন দাস :—একথা আমি প্রস্তাবের প্রসঙ্গেই বলছি। কারণ, এখানে বলা হয়েছে যে "গণতন্ত্রের ভেটি দৃঢ় করিব" এবং এই প্রসঙ্গেই আমি বলছি যে আমাদের ইউনিয়ন করার অধিকার, সংঘবদ্ধ ভাবে প্রতিবাদ করার যে অধিকার এসব ব্যাপারে যে প্রতিবন্ধকতার সৃষ্টি হয়েছে তা দূর করতেহবে। আপনাদের নির্বাচনী প্রতিশ্রুতি ছিল প্রশাসনকে দুর্নীতি মুক্ত করা জরুরি অবস্থার সময় যে সব কর্মচারি নির্যাতীত হয়েছিল, ছাটাই হয়েছিল, যে সমস্ত ভাবে পদাস্ত কর্মচারী তাদেরে ছাটাই করেছিল তাদের কাছে আবার এদেরে পাঠানো হয়েছে ফলে তাদের হয়রানির সীমা থাকছেনা।

সেই জন্যই আমি বলতে চাইছি যে, নির্বাচনী প্রতিশ্রুতির কথা মনে রেখে এই সব জরুরী অবস্থা কালীন নির্যাতীত লোকেদের যেন আমরা অতি শীঘ্র পূর্ণবহাল করার ব্যবস্থা করি এবং এই সুন্দর আসাম গড়ে তুলি যেখানে বেকারসমস্যা থাকবেনা, নিরক্ষরতার কদর্যতা থাকবেনা, ক্ষুধার কান্না থাকবেনা। এই সব কাজ যাতে সার্থক হয় তার জন্যইতো রাজ্যের জনগণ জনতা সরকারকে ক্ষমতার আসনে প্রতিষ্ঠিত করেছে।

Shri DEWAN JAINAL ABEDIN : Mr. Deputy Speaker, Sir. we the legislators of the S.U.C.I. did not find due opportunity to express our views on the admissibility of the resolution moved by the hon'ble member Shri Devananda Bora of the Janata Party.

Mr. DEPUTY SPEAKER : That question does not arise. Already the Hon'ble Speaker has ruled it out.

Shri DEWAN JAINAL ABEDIN : I am speaking on this Sir. Sir, we feel that this resolution if somehow passed in the name of the entire House will set a highly dangerous precedent.

Shri DULAL CHANDRA BARUA (Minister) : On this a point of order was raised and the hon'ble Speaker already gave his ruling. On the merit of that he can speak but he can not speak on the admissibility of it.

Shri DEWAN JAINAL ABEDIN : I am speaking on the merit of the resolution.

Mr. DEPUTY SPEAKER : The Hon'ble Speaker has alread detailed it. So you can speak regarding the resolution only.

Shri DEWAN JAINAL ABEDIN : That is what I am doing. Sir, this resolution if somehow passed in the name of the entire House will set a dangerous precedent.

Mr. DEPUTY SPEAKER : The hon'ble member can not read out anything. Only he can speak. You will not be allowed to read.

শ্ৰীমতী আনোৱাৰা টাইমুৰ :— মাননীয় উপাধ্যক্ষ মহোদয়, আগতে যিটো কথা মুখ্যমন্ত্ৰী মহোদয়ক কোৱা হল — — — —

Mr. DEPUTY SPEAKER : Under what rule you are raising point of order ?

Shri DULAL CHANDRA BARUA (Minister) : That can not be point order, it can be point of information only.

শ্ৰীমতী আনোৱাৰা টাইমুৰ :— উপাধ্যক্ষ মহোদয় — — — — — — — — —

Mr. DEPUTY SPEAKER : You can not interrupt the debate ; please take your seat.

Shri DULAL CHANDRA BARUA (Minister) : For information of the hon'ble members we have already requested our Chief Minister to go and see the demonstrators. Therefore the question does not arise.

শ্ৰীমতী আনোৱাৰা টাইমুৰ :— উপাধ্যক্ষ মহোদয়, এইটো আপোনাৰ দৃষ্টিগোচৰ কৰিলো, এটাদল নহয় দুটা দল আহিছে ।

Mr. DEPUTY SPEAKER : Let there be two or more 'dals'.

শ্ৰীমতী আনোৱাৰা টাইমুৰ :— উপাধ্যক্ষ মহোদয় — — — — — — — —

Mr. DEPUTY SPEAKER : When the Hon'ble speaker or the Deputy speaker is on his leg the hon'ble member should know that he should take his seat. Regarding the point of information it is already stated, and now we are discussing regarding the resolution, so there should not be any interruption. I want to here the Parliamentary Affairs Minister.

* শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী,) :—এসময়ত আপোনালোকো ক্ষমতাত আছিল। আমি বাইজৰ জনসাধাৰণৰ চেণ্টিমেণ্ট বুজি পাও। আমাৰ মুখ্যমন্ত্ৰী সেই দেমনষ্ট্ৰেচন কৰা লোকসকলক লগ কৰাৰ কাৰণেই গৈছে।এতিয়া আমাৰ দিবেত চলি আছে বেলেগ প্ৰশ্ন আনিব নালাগে।

শ্ৰীএ, এন, আক্ৰাম হোচেইন :— উপাধ্যক্ষ মহোদয়, অন্তঃত তাত পানীৰ ব্যৱস্থা কৰিব দিব লাগে। চামিয়ানাৰ ব্যৱস্থাও কৰি দিব লাগে।

Mr. DEPUTY SPEAKER : No. I can not allow it.

Shri BENOY BASUMATARY : We have had the opportunity of demonstrating and though many of us were starving and standing nnder the scorching heat you provided lathis instead of water.

Shri DEWAN JAINAL ABEDIN : Sir, resuming my discussion on the resolution, I would like to say that this resolution seeks to impose the views of one particular political party which forms the Government upon the views all other political parties or independents in the Opposition. Now, Sir, we think that if such a resolution is passed it will set a dangerous precedent for future, taking advantage of which, in future some political party in power because of its majority may pass a resolution and impose it on other parties. It may be dangerous for the spirit and tradition of democracy.

Mr. DEPUTY SPEAKER : The question of imposition does not arise because you have got the right to speak; the hon'ble members of the House will decide.

Shri DEWAN JAINAL ABEDIN : Now we would like to express our sense of opposition to the resolution and protect against it.

শ্ৰীহৰেন্দ্ৰ নাথ দেৱ গোস্বামী :— মাননীয় সদস্য জনে আগ বঢ়োৱা প্ৰস্তাৱটো সমৰ্থন কৰিব নোৱাৰো এই কাৰণেই যে, ইয়াত স্পষ্ট ভাৱে লিখা আছে যোৱা ৩০ বছৰত যিবোৰ ঘটনা হৈছিল সেইবিলাক অসমৰ জনসাধাৰণে অসল প্ৰত্যাখান কৰাই নহয়, পৰিবৰ্ত্তনো আনিলে। এই পৰিবৰ্ত্তন আনি ইয়াৰ জৰিয়তে এটা নতুন ব্যৱস্থা কৰাৰ কাৰণে আগবাঢ়ি আহিছে। অসমত দীৰ্ঘ দিন ধৰি চলি থকা ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক ভাৱে দুনীতি গ্ৰস্ত, স্বেচ্ছাচাৰিতা, ওপৰ গধুৰ আমোলাতান্ত্ৰিক সংবিধান আৰু আইনৰ শাসন বিৰুদ্ধিধতা চৰকাৰৰ পতন হোৱাৰ পিছত এটা নতুন সমাজ ব্যৱস্থা প্ৰবৰ্ত্তন কৰিবৰ কাৰণে এই বিধান সভাই এই প্ৰস্তাৱৰ যোগেদি ৰাইজলৈ মাত্ৰ আহ্বান জনাবহে খুজিছে। এই কাম সফলকাম কৰিবৰ কাৰণে যাতে চৰকাৰক দিহাপৰামৰ্শ আদি দি সহায় আদি কৰিব পাৰে। মাননীয় ওপৰুক্ত বক্তা জনে যি কৈছে তাত মই সমৰ্থন দিব নোৱা-

*Speech not corrected.

ৰিলোঁ। এই টোকেহে আমি আজি আহ্বান দিব খুজিছোঁ যে, আজি যি নীতি গ্ৰহণ কৰি আমাৰ সমাজখন আগবাই আহিছে তাৰ কাৰণে আমাৰ মানসিক প্ৰস্তুতিৰ নিতান্তেই প্ৰয়োজন। অসমৰ উন্নতিৰ উন্নয়ণৰ কাৰণে। সকলো দিশতে অসমৰ উন্নয়ণৰ কাৰণে। এই প্ৰস্তাৱৰ দ্বাৰা কেৱল আমাৰ জনসাধাৰণক হে আহ্বান জনাব খুজিছো যে, আমাৰ সমাজত যিবিলাক বৈষম্য আছে সেইবিলাক যাতে দূৰ কৰিব পাৰি। সমাজৰ পৰা জাতীভেদ, শ্ৰেণী বিভাগ আদিসকলো বিলাক দূৰীভূত কৰিবৰ কাৰণে আজি এই যিটো প্ৰস্তাৱ অনা হৈছে সেইটোত আমি সমৰ্থন আগবঢ়াইছো।আশাকৰো, সদনেও এই প্ৰস্তাৱটো গ্ৰহণ কৰিব।

শ্ৰীজীৱন বৰা ঃ—মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰস্তাৱটো আলোচনা কৰিবলৈ যোৱাৰ আগতে ইয়াৰ কন্টেন্ট কি সেইটো বিছাৰ কৰি চাব লাগিব। সেইটোৱেই হৈছে ডাঙৰ কথা। এই ক্ষেত্ৰত প্ৰস্তাৱটো দুটা দিশত আলোচনা কৰা হৈছে। প্ৰথম দিশটো হৈছে ইয়াৰ আগতে অৰ্থাত যেতিয়া এই চৰকাৰ প্ৰতিষ্ঠা কৰা হল তাৰ আগতে আমাৰ দেশত কি শাসন ব্যৱস্হা চলিছিল ? এটা স্বেচ্ছাচাৰী, আমোলাতান্ত্ৰিক চৰকাৰ চলিছিল নে নাই এইটোৱেই হৈছে প্ৰশ্ন। দ্বিতীয়তে যি জন মাননীয় সদস্যই এই প্ৰস্তাৱটোৰ বিৰোধীতা কৰিছে তেখেতে এই কথাটো মানি লৈছেনে নাই নতুন শাসন ব্যৱস্হা প্ৰবৰ্ত্তনৰ লগত অসমৰ ৰাইজ ওতঃপ্ৰোতভাৱে জড়িত। ওফৰাই পেলাব লগা এটা চৰকাৰক অসমৰ ৰাইজে ওফৰাই পেলালে। তাৰ কাৰণে এই ৰাইজ ধন্যবাদৰ পাত্ৰ। এই প্ৰস্তাৱটোৱে সেইখিনিকেই আজি ডাঙি ধৰিছে। হয় অৱশ্য অসমৰ এক সমাজবাদী ৰাজ্য প্ৰবল গঢ়ি তুলিবলৈ আশা কৰি ৰাইজৰ সহায় সহযোগ বিচৰা হৈছে। এই প্ৰস্তাৱত কোনো নীতিগত কথা বা জনতা দলৰ কাৰ্য্যসূচী নাই। গতিকে এই দিশৰ পৰাই এই প্ৰস্তাৱটো সৰ্ব্বসম্মত ভাৱেই সদনে গ্ৰহণ কৰা উচিত।

শ্ৰীবীরেশ মিশ্র ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, আমি আমার অ্যামেন্ডমেন্ট উইড্রো করার সময় বলেছিলাম যে আমি আমার বক্তব্য রাখার অধিকার রাখছি। সুতরাং আমি আমার বক্তব্য এখন আপনাদের সামনে রাখতেচাই। কারণ আগেই আমি বলেছি যে যেহেতু সংশোধনী প্রস্তাব আমি ভোটে দিতে চাইনা সেজন্য এটা উইড্রো করলাম। কিন্তু কেন আমি অ্যামেন্ডমেন্ট আনতে চেয়েছিলাম সেই বক্তব্য এবারে আমি আপনাদের সামনে পরিস্কার ভাবে রাখতে চাই। কারণ, উপাধ্যক্ষ মহোদয়, আপনি চেয়ারে আসার আগে মাননীয় অধ্যক্ষ যখন আমাকে জিজ্ঞাসা করেছিলেন তখন আমি বলেছিলাম যে এই অ্যামেন্ডমেন্ট'এর জন্য চাপ দেবনা এবং বলেছিলাম যে আমি আমার বক্তব্যর অধিকার রাখছি।

উপাধ্যক্ষ মহোদয়, এই প্রস্তাবের তিনটি পার্ট আছে। আমার পূর্ববর্তী মাননীয় সদস্যও একথা বলেছেন। এই প্রস্তাবের প্রথম যে অংশে পূর্বতন কংগ্রেস শাসন কালে নিন্দার কথা রয়েছে সেটা সহ্য করবার মত ক্ষমতা আজ যারা বিরোধী পক্ষ হয়ে আমাদের ডানদিকে বসেছেন তাদের নেই। তাদের সেই সাহস বা ক্ষমতা কোনদিনই ছিল না এবং আজও নেই। তাই আজকে এই সদনে এই প্রস্তাবের উপর কোন বক্তব্য না শোনার এবং এতে কোন রকম অংশ গ্রহণ না করার ভান করে তারা বাইরে চলে গিয়েছেন। তারজন্য তারা ইতিহাসের কাছে দায়ী হবেন। মহোদয়, বিগত ৩১ বছরে ভারবর্ষে যে অবস্থার সৃষ্টি তারা করেছিলেন তার কৈফিয়ত দেওয়ার মত ক্ষমতা ওদের নেই আর ওদের যিনি নেত্রী, শ্রীমতী ইন্দিরা গান্ধী, তাঁরও নেই।

উপাধ্যক্ষ মহোদয়, যেদিন জনসাধারণের রায় ওদের ইতিহাসের আবর্জনায় নিক্ষেপ করেছে আর জনতা সরকারকে ক্ষমতায় অধিষ্ঠিত করেছে সেদিন থেকেই এদের সমস্ত

অপকীর্ত্তি পৃথিবীর সামনে উৎঘাটিত হচ্ছে। এই সদনের সবাই নিশ্চয় লক্ষ্য করেছেন যে আজ তারাই আবার মাইনোরিটির অধিকারের রক্ষক বলে নিজেদেরে জাহির করছেন, আর সেদিনের স্বেচ্ছাচারী ইন্দিরা গান্ধী মাইনোরিটির জন্য চোখের জলে বুক ভাসাচ্ছেন। কিন্তু ভারতবর্ষের মানুষ এখনও ভুলে যায়নি এদের কার্যকলাপ। খোদ দিল্লি শহরে যে রোমহর্ষক ঘটনা ঘটেছিল সেই ঘটনার ২/৪ টি কথা আজ আমি এখানে বলবো। যে দিল্লির জুম্মা মসজিদ সমস্ত পৃথিবীর মধ্যে একটা আশ্চর্য্য দৃশ্য বস্তু হিসাবে গণ্য হচ্ছে, যার পিছনে মুসলীম জাহানের ঐতিহ্য—সেই দিল্লিতে যখন দেড় লক্ষ কুটীর ভেঙ্গে দেওয়া হয় তখন এই জুম্মা মসজিদের আসে পাশে যে সমস্ত দোকান, ষ্টল, বহুদিনের পুরোনো যে সমস্ত ব্যবসায়ী ছিল ওদের ঘর-দোর ভাঙ্গার নাম করে বুলডোজার দিয়ে ঐ জুম্মা মসজিদের দেওয়াল পর্য্যন্ত ও'রা ভেঙ্গে দিয়েছিল। আজ যারা মাইনোরিটির রক্ষক হিসাবে পরিচয় দিচ্ছেন আমি তাদের জিজ্ঞাসা করবো পৃথিবীর মধ্যে মাইনোরিটির এরচেয়ে বড় অপমান আর কি হতে পারে? কি আশ্চর্য্য সে ইন্দিরা গান্ধী আজ নিজেকে জাহির করছেন মাইনোরিটির রক্ষক হিসাবে। মহোদয়, অত্যন্ত দুঃখের কথা, লজ্জার কথা যে বাইরে একদল দালাল আছে যারা ইন্দিরা গান্ধীর টাকা খেয়ে দেশে এই বিভ্রান্তির সৃষ্টি করছে।

জরুরী অবস্থার সময় যারা শত শত মাইনোরিটিকে গুলী করে হত্যা করেছে ও খাসী বানিয়েছে আজ তারাই মাইনোরিটিকে রক্ষা করার স্লো-গান দিচ্ছে। ভারতবর্ষের অনেক জায়গায় এবং আসাম রাজ্যেও এরা বলছে ইন্দিরা গান্ধীই মাইনোরিটিদের রক্ষা করবেন।

উপাধ্যক্ষ মহোদয়, কেবল দিল্লিতেই এরা মানুষের উপর বুল-ডোজার চালায় নি। দিল্লীতে তো ১৮ দিন ধরে বুল-ডোজার চালিয়ে ছোট ছোট কুটীরের ভেতর স্ত্রীও শিশু নির্বিশেষে চ্যাপ্টা করে, পিষে মেরে ফেলে দিয়েছে এই কংগ্রেস সরকার—ইমারজেন্সির সময়। তাদের সামান্যটুকু তৈসজপত্রও এরা ধ্বংস করে দিয়েছিল। মুজাফর পুর এবং তুর্কমেন গেইটের হত্যাকাণ্ডের কথা আজ সবাই জানে। নাদির সাহের ইতিহাস আমরা জানি কিন্তু জরুরী অবস্থার সময় ইন্দিরা গান্ধী আর তার পুত্র সঞ্জয় গান্ধীর নির্দ্দেশে সমস্ত আইন-কানুনকে পদদলিত করে নৃশংস অত্যাচারের যে কাহিনী সৃষ্টি হয়েছে তা ভারতবর্ষের ইতিহাসের পৃষ্ঠায় নাদির শাহ ও চেঙ্গিস খানের নৃশংতাকেও ম্লান করে দিয়েছে। ইন্দিরার চেলারা কি দেবে এর জবাব? তাদের মুখ আজ এখানে দেখার উপায় নাই, আজ এই বিতর্ক থেকে তারা পলায়ন করে নিজেদের রক্ষা করার চেষ্টা করছে। জনসাধারণের রায় এদের কার্যকলাপের নিন্দাকে সমর্থন করেছে, ক্ষমতার গদী থেকে তাদেরে উপড়ে ফেলে দিয়েছে উপাধ্যক্ষ মহোদয়, প্রস্তাবের এই যে অংশ এই অংশকে ভারতবর্ষের প্রত্যেকটি গণতন্ত্রকামী নাগরিক সমর্থন করবেন, যারা চান ভারতবর্ষে গণতন্ত্র প্রতিষ্ঠিত হোক, ভারতবর্ষের মানুষ নিজের মনের কথা খুলে বলার স্বাধীনতা ফিরে পাক,সংগঠনের অধিকার, আন্দোলনের অধিকার পাক, তারা কেউই এই প্রস্তাবের প্রতি বিরূপ মনোভাব রাখতে পারে না। আমি যে কথায় আপত্তি করেছিলাম সেটা হলো এই যে জনতা দলের সর্বময় নেতা যিনি ভারতের প্রধানমন্ত্রী তার থেকে আরম্ভ করে সবাই একথা বার বার ঘোষণা করেছেন যে তারা সমাজতন্ত্রী নন, গান্ধীবাদী। গান্ধীবাদকে যদি কেউ সমাজবাদ বলে চালাতে চায় তাহলে আমি তাদের সঙ্গে একমত হতে পারবো না। আমি এখানে তত্তকথা বলে সদনের সময় নষ্ট করতে চাই না। কিন্তু একথা মনে রাখা দরকার যে বৈজ্ঞানিক সমাজবাদ গান্ধীবাদ থেকে সম্পূর্ণ আলাদা—সেকথা স্বয়ং মহাত্মাগান্ধীও স্বীকার করেছেন। সে জন্যই, এই যে কনট্রেডিকশন, এই যে শব্দ তার থেকে বিরত থেকে নিজেদের নীতির উপর প্রতিষ্ঠিত, গান্ধীবাদের পতাকাতলে যে রাজনৈতিক দৃষ্টিভঙ্গী তারা গ্রহণ করেছেন তার মধ্যে থেকে যেন তারা কোন বিভ্রান্তি সৃষ্টি না করেন। সে জন্যই আমি এই অ্যামেণ্ডমেন্ট আনতে চেয়েছিলম। জনতা দল এটা গ্রহণ করতে পারতেন বা বর্জনও করতে পারতেন।

উপাধ্যক্ষ মহোদয়, এই প্রস্তাবের পরবর্তী অধ্যায়ে আসামকে গণতান্ত্রিক রাজ্য বলে অভিহিত করার কথা বলা হয়েছে।। কিন্তু এ বিষয়ে অত্যন্ত দুঃখের সঙ্গে কয়েকটি বিষয় এই সদনের গোচরে আনতে চাই। কারণ আমরা জানি আজ যে ঘোড়ার পিঠে জনতা সরকার উঠেছেন সে ঘোড়া ইন্দিরা গান্ধীর তৈরী, কংগ্রেসের তৈরী ৩১ বছরের ঘোড়া এবং এই ঘোড়ার পিঠে বসে এই জনতা সরকার চলতে পারছেন না, কারণ মন্ত্রীরা যেসব আস্বাস দেন সেসব নীচে কিছুই যায় না। সেই পুরোনো ঐতিহ্য এখনো চলছে, এখনো আমলাতান্ত্রিক শাসনকে এরা খর্ব্ব করতে পারছেন না, সংকোচিত করতে পারছেন না। এখন কার মন্ত্রী যে নীতি ঘোষনা করেণ, নীচের অফিসারেরা সেগুলোকে বৃদ্ধাঙ্গুষ্ঠ দেখায়, সেগুলোকে মান্য করতে চায় না। আমি এ ব্যাপারে ২/৩ টি ঘটনা বলবো, কারণ আমরা যখন এই প্রস্তাব গ্রহণ করতে যাচ্ছি, একটা সমাজতান্ত্রিক সরকার গঠন করতে চলেছি বলে জাহির করা হচ্ছে তখন এগুলো জেনে রাখা দরকার। সমাজতন্ত্র বর্ত্তমান সংবিধানের কথামোতে আদো সম্ভব কিনা সেটা আলাদা কথা কিন্তু এই জনতা সরকারের আড়াই মাস কার্যকালের মধ্যেও দিকে উচ্ছেদের নোটিশ জারী হয়েছে। ৪ দিন আগে আমার সমষ্টি থেকে একদল কৃষক এসেছে। ন'কুটি নামক যায়গায় কংগ্রেস আমলে এই কৃষকগুলকে বার বার উচ্ছেদ করতে চেয়েছিল. কিন্তু এই বীর কৃষক কমাজ, কৃষক মেয়েরা হাতী পায়ের নীচে, সিআর পি'র পায়ের নীচে নিজেদের ফেলে দিয়েছিল। সাহস হয়নি ঐ গদীহারা কংগ্রেসীদের তখন তাদেরে উচ্ছেদ করতে। বাধ্য হয়ে প্রত্যাহার করে ছিল উচ্ছেদের নোটীশ। কিন্তু এবারে আবার ৪০০ জন কৃষক পরিবারকে উচ্ছেদ করার জন্য না কি ডি সি'র তরফ থেকে নোটীশ গিয়েছে। আমি এ ব্যাপারে রাজহ মন্ত্রী মহোদয়'এর কাছে গিয়েছিলাম। আমি জানি না তিনি এই নোটীশ প্রত্যাহার করবেন কি না। যদি তিনি এই উচ্ছেদের ব্যাপারে সি, আর, পি, পাঠান তাহলে আজ আমরা কোন সমাজতন্ত্রের প্রস্তাব পাশ করছি, এ কোন আসাম আমরা তৈরী করতে যাচ্ছি তা আমি জানি না। আসামের কৃষকের বুকের রক্তে ন'কুটির মাটি রক্তাক্ত হবে।

উপাধ্যক্ষ মহোদয়, আমি আর একটি কথা বলতে চাই যা এই সদনের জানা উচিত। মহোদয়, আমার সমষ্টিতে আসামের বিস্তীর্ণ অঞ্চলে ভীষন খরার।

প্রকোপে খাবার জল শূণ্য হয়ে গিয়েছে। সেখানকার মানুষ, কৃষক এখন চাষ-বাকসর অভাবে কোন কাজ পাইছে না। আমার সমষ্টি ডেরাপাথারের কথা আমি মুখ্যমন্ত্রী মহোদয়কে বলেছি, রাজস্ব মন্ত্রীকে বলেছি, ডি, সিকে বলেছি, বি ডি ও'কে বলেছি যে সেখানে ৭টি লোক না খেয়ে মারা গিয়েছে। এটা হলো ১ মাস আগের কথা কিন্ধ গতকাল আরো ২ জন লোক সেখানে অনাহারে মরেছে। সমাজতান্ত্রিক রাষ্ট্রেও কি মানুষ অনাহারে মরে?অনশন মৃত্যুর মর্ম্মস্পর্শী ঘটনা গুলি আমি জনতা সরকারের দৃষ্টিগোচরে আনলাম। ডি,সি বলেছিলেন যে সেখানে টেষ্ট রিলিফের কাজ করবেন। পুনর্ব্বাসন মন্ত্রীকে আমি ঐ অঞ্চলে নিয়ে গিয়েছিলাম, তিনি দেখে এসেছেন সেখানকার দুরবস্থাএবং রিকমেন্ড করেছিলেন যে সেখানে রিলিফ পাঠানো প্রয়োজন, অতি সম্ভর সেখানে টেষ্ট রিলিফের কাজ আরম্ভ করা প্রয়োজন। উপাধ্যক্ষ মহোদয়, গভীরদুঃখের সঙ্গে আমি বলতে বাধ্য হচ্ছি যে আজ ৬ সপ্তাহেরও অধিক হয়ে গেল কিন্ত সেখানে টেষ্ট রিলিফের কাজ এখনেও আরম্ভ হয়নি। ডি,সি প্রথমে বলেছিলেন- টাকা আছে অথচ এখন বলছেন টাকানাই। তারপর রাজস্বমন্ত্রী নির্দ্দেশ দিলেন—কাজ আরম্ভ করুন, ২৪ হাজার টাকার সেংশন পাঠাচ্ছি। এটা ৮ দিন আগের কথা অথচ আজ এই ডেরাপাথার থেকে মানুষ এসেছে এবং আমাদের বলেছে— জনতা সরকারের আমলে আমরা না খেয়ে মরব নাকি? কোন টেষ্ট রিলিফের কাজ সেখানে শুরু হয়নি, তাই আমি বলেছিলাম যে হৃদয়হীন আমলা তন্ত্র মন্ত্রীর হুকুম মানছে না। এই বুভুক্ষু দরিদ্র কৃষক

কৃষকদের তিলে তিলে মৃত্যুর কথা মুখ্যমন্ত্রীও জানেন। তার কাছে এইসব হতভাগ্যরা মেমোরেন্ডামও দিয়েছে, রাজস্ব মন্ত্রীও জানেন, ডি, সি জানেন, আমিও আমার বাজেট বক্ত‌তায় তাদের হুশিয়ার করে দিয়েছিলাম যে এই অঞ্চলের মানুষ না খেয়ে মরবে। মহোদয়, এদের পুর্নবাসিত করা হয়েছে অনুবর্বর পাহাড়ের উপর, কৃষির উপযোগী কোন জমি এদের দেওয়া হয় নি। প্রতিবত্সর এরা না খেয়ে মরছে। এত দিন না হয় কংগ্রেস রাজত্বে এসব হয়েছে, যারজন্যে আজ আমরা তাদের নিন্দা করছি, জনসাধারন তাদের শাস্তি দিয়েছে কিন্ত জনতা সরকারকে আজ আমি বলছি যে তাদের আমলেও যদি আসামের মানুষ অনাহারে মরে তবে তারা যি ধরণের সমাজতন্ত্র প্রতিষ্ঠা করতে বলেছেন।

উপাধ্যক্ষ মহোদয়, এই প্রস্তাবে আজ সমাজতন্ত্রের কথা বলা হচ্ছে। কিন্ত আজ ভারতবর্ষে অথবা আসাম রাজ্যে জমির যে ব্যবস্থা প্রচলিত আছে তারআমূল পরিবর্তন যদি না করা হয় তাহলে সমাজতন্ত্র কেন গণতন্ত্রও প্রতিষ্ঠা হতে পারে না আসামের শতকরা ৭০ ভাগ কৃষক আজ নিঃস্ব। রেভিনিউ বিভাগের কর্ম্মচারী-দের কল্যানে শতকরা ৪০ ভাগ কৃষকের জীবন আজ শূন্য ঝুলছে। ৩০।৩৫ বছর জমির উপর দখল থাকা সত্বেও আজ তাদেরজমির পাট্টা দেওয়া হচ্ছে না। আমি নতুন সরকারকে বলেছিলাম আইন-কানুনের ব্যবস্থা অবলম্বন করে আপনারা ঘোষনা করুন যে আপনারা উচ্ছেদ বন্ধ করবেন, আর উচ্ছেদ যদি একান্ত করতেই হয় তাহলে বিকল্প জমীর ব্যবহা না করে কখনই উচ্ছেদ করবেনা না। কারণ বিকল্প কোন ব্যবস্থা ছাড়া কোন সভ্য সরকারের, কোন সমাজতান্ত্রিক সরকারের তদুরের কথা, কোন গণতান্ত্রীক সরকারের পক্ষে উচ্ছেদ করা উচিত বলে আমি মনে করি না। কিন্ত মহোদয়, এই প্রতিশ্রুতি আমি এই সদনে আজ পর্যন্ত পাই নি যে আসামে উচ্ছেদ বন্ধ হবে এবং জমির ব্যাপারে প্রয়োজনীয় ব্যবস্থা নিয়ে কৃষকদের উপযোক্ত জমি বন্টন করে দেওয়া হবে।

শ্রীদুলাল চন্দ্র বরুৱা (মন্ত্রী):—উপাধ্যক্ষ মহোদয় মই মাননীয় সদস্য গৰাকীক জনাব বিছাৰিছো যে এভিচন আমি কতোতেই কৰা নাই।

শ্রীএ,এন, আক্রাম হুছেইনঃ— চাব এভিকচন হৈছে। আজি চাৰিদিন আগতে হৈছে।

শ্রীনুরুল হুদা ঃ—মাননীয় মন্ত্রী মহাশয়কে অনুরোধ করবো তারা যেন আগের মন্ত্রী সভার মতো আমলাদের দ্বারা পরিচালিত না হ'ন। সমস্ত আসামে—কাছাড়ু জেলায়, নওগাঁ জেলায় এখনো উচ্ছেদ চলছে, মাটী থেকে কৃষককে উচ্ছেদ এখনো করা হচ্ছে। কিন্ত সরকারের কাছে কোন খবর আসছে না।

শ্রীযোগেন গগৈ ঃ— চৰকাৰৰ দ্বাৰা, গুন্দাৰ দ্বাৰা আৰু মাটিৰ মালিকৰ দ্বাৰা উচ্ছেদ কৰা হৈছে।

শ্রীদুলাল বৰুৱা (মন্ত্রী) ঃ—বৰ্ত্তমান চৰকাৰ আমোলা সকলৰ দ্বাৰা পৰিচালিত নহয়, এই চৰকাৰৰ নিজা নীতি আছে আৰু সেই নীতিৰ দ্বাৰাই সকলো কাৰ্য্য পৰি-চালনা কৰা হব।

শ্রীএ, এন, আক্রাম হুছেইন ঃ—যোৱা ২৮ তাৰিখে জনোৱা হৈছিল আৰু চৰকাৰেও ব্যৱস্থা কৰিছে বুলি কৈছে কিন্ত তথাপিও এতিয়াও উচ্ছেদ কাৰ্য্য চলি আছে ইট, ইজ, ফেক্ট।

শ্রীবীরেশ মিশ্র ঃ— উপাধ্যক্ষ মহোদয়, একথা আমি প্রথমেই পরিস্কার করে বলেছি যে জনতা সরকার যে ঘোড়ায় উঠেছেন সে ঘোড়া ৩১ বছরের ট্রেইন্ড ঘোরা, সে ঘোরা ইন্দিরা গান্ধীর ট্রেইন্ড ঘোরা। তাছাড়া, এই ঘোরা সোয়ার মানছে না, জনতা সরকারের কেউ শক্ত হাতে এই ঘোড়ার লাগাম ধরতে পারছে বলেও আমি দেখতে পাচ্ছি না। ফলে আজও কি হচ্ছে জানেন ? উচ্ছেদের নোটীশ নিয়ে পুলিশ কৃষকদেরে বলছে 'দেখ, কিছু দর্শনি দাও, দেখি তোমাদেরে বাঁচাতে পারি কি না। উচ্ছেদের নোটীশ জার হলেই কৃষকের রক্ত মোক্ষণ হতে সুরু করে। অনেক যায়গাতে উচ্ছেদ বন্ধের নোটীশ গিয়ে পৌছতে পৌছতেই উচ্ছেছ কার্য্য সমাধা হয়ে যায়। এটা তো সমাজতত্রের লক্ষন নয় ?

আমার দ্বিতীয় কথা এই যে, জমির উপর কৃষকের এক্তিয়ার কেন হবে না ? যদি লক্ষ লক্ষ কৃষক ২০।২৫।৩০ বছর ধরে বুকের রক্ত জল করে আবাদ করে, প্রচলিত আইনেরঅধিকারে তৌজি খাজনা দেয়, তাহলে সেখানে কেন উচ্ছেদের নোটীশ যাবে ?

Mr. DEPUTY SPEAKER : Hon'ble member will resume his discussion after lunch. The House now stands adjourned till 2-30 p.m. today.

(After lunch)

শ্রীবীরেশ মিশ্র ঃ—মহোদয়, এই সদন স্থগিত রাখার আগে যেখানে আমি আমার বক্তব্যে ছেদ এনেছিলাম সেই কথাটা হলো এই যে কৃষকদের যে উচ্ছেদ করা হয়েছে এটা কেবল একটা বিশেষ স্থানের ঘটনা নয়, সমস্ত আসামে এই অবস্থা চলছে এবং এখানকার মন্ত্রী মহোদয়কে এসব বিষয়ে খবর দেওয়া সত্বেও কেন কোনও কার্যকরী ব্যবস্থা দেওয়া হয় না ? রাষ্ট্র যন্ত্রের সর্বোশ্চ একজিকিউটিভ্ কেবিনেটের যদি প্রশাসন যন্ত্রের উপর কোন প্রভাব নাথাকে এক্তিয়ার না থাকে তাহলে সমাজতন্ত্র তো দূরের কথা গণতন্ত্র পর্যন্ত্য আমরা প্রতিষ্ঠিত করতে পারব না। সুতরাং আমি বলতে চাই যে প্রশাসন যন্ত্রের বর্তমান অবস্থার যদি আমূল পরিবর্তন আমরা সাধন করতে না পারি তাহলে এই প্রস্তাব পাশ করে কিছু হবে না। কিন্ত এসবের তো কোন লক্ষন আমরা সরকারের কার্যকলাপে দেখতে পাচ্ছি না ? সমাজতন্ত্র দূরের কথা, আমরা যাতে গণতন্ত্রের একটা ভিত্তি স্থাপন করতে পারি তারজন্য আমি কয়েকটা পরামর্শ দিতে চাই।

প্রথম কথা, জমির ব্যাপারে এই সদনের এই অধিবেশনে আমাদের সরকার ঘোষনা করুন যে"আমাদের আসাম রাজ্যে কৃষক উচ্ছেদ বন্ধ হলো"।

দ্বিতীয়তঃ যে সমস্ত কৃষক ৩ বৎসর ধরে জমিতে বাস করছে তাদের সবাইকে পাট্টা দেওয়ার ব্যবস্থা হউক এবং কোন ক্ষেত্রে যদি উচ্ছেদের প্রয়োজন অনুভব করেন তাহলে সরকার যেন তাদের বিকল্প জমির ব্যবস্থা করেন।

তৃতীয়তঃ জমিদারদের হাতে যে জমি আছে, প্রতি ক্ষেত্রে ৩০ বিঘার উর্দ্ধে সমস্ত জমি বের করে সরকার যেন ভূমিহীন কৃষকদের মধ্যে বিনমূলো বিলি করেন। চা বাগানের উদ্বৃত্ত জমি যদি বেকার শ্রমিক ও ভূমিহীন কৃষকদের মধ্যে বিলি করতে না পারেন তাহলে সমাজতন্ত্র হবে কি করে ? এই কাজ করতে পারলে সমাজতান্ত্রিক রাজ্য গঠনের পথে একপা এগুনো যাবে গণতন্ত্রের একটা ভিত্তি আপনারা প্রতিষ্ঠা করতে পারবেন। আর সরকার যদি এই রাজ্যের বর্তমান ভূমি ব্যবস্থার মধ্যে এখনো যে জমিদারী প্রথার পুরণো ও পচা ব্যবস্থা শিকড় গেড়ে রয়েছে তাকে

নির্মূল করতে না পারেন, বনাঞ্চলের কৃষকদেরে যদি বেগার প্রথা থেকে, দাস-প্রথা থেকে উদ্ধার করে এইসব ফরেষ্ট ভিলেজগুলিকে রেভেনিউ ভিলেজ হিসাবে পরিগণিত করতে না পারেন তাহলে এই প্রস্তাব গ্রহণ করে সমাজতন্ত্রের স্বপ্ন দেখলে কোন লাভ হবে না।

মহোদয়, এই প্রস্তাবে আমরা শিল্পায়নের মাধ্যমে সমাজতন্ত্র প্রতিষ্ঠার কথা দেখতে পাচ্ছি। এই প্রসঙ্গে আমি বলতে চাই যে আসামে এখনো সাম্রাজ্যবাদী প্রবল। ভারতের একচেটিয়া পুঁজি আসামের সমস্ত শিল্প কব্জি করে রেখেছে। যে খানে শতকরা ৬০ ভাগ সরকারী টাকা শিল্পে বিনিয়োগ করা হয়েছে সেই শিল্পেও কারখানার দরজা বন্ধ হয়ে গেছে। যেমন আসাম হার্ডবোর্ড। কত ডেপুটেশন গিয়েছে, মন্ত্রীদের সঙ্গে দেখা করেছে কিন্তু কিছুই হলো না। শতকরা ৬০ টকা সরকারের নিকট থেকে নিয়ে এই প্রতিষ্ঠান শ্রমিকদেরে উদ্বাস্তু করেছে। তাই আমি বলতে চাই যে খানেই সরকারী টাকার বিনিয়োগ হয়েছে সে খানেই কারখানার দরজা মাসের পর মাস বন্ধ থেকেছে, লক্ষ লক্ষ শ্রমিক বেকার হয়েছে। এইগুলি তো আমরা মেনে নিতে পারি না। একটা সমাজতান্ত্রিক রাষ্ট্র ব্যবস্থারে মূল কথা হলো উৎপাদনের মূল যন্ত্রগুলি যেমন, কল কারখানা, জমি, শিল্প সমস্ত সম্পত্তির মালিক হবে রাষ্ট্র, সমাজ হবে মালিক। ব্যক্তিগত কোন মালিকানা থাকবে না। এটা হলো সমাজতন্ত্রের প্রথম কথা। দ্বিতীয় কথা হলো সামাজিক প্রয়োজন মেটাবারজন্য পরিকল্পনা মাফিক জনসাধারণের প্রয়োজনে, সমাজের উপকারর্থে উৎপাদন ও বন্টন ব্যবস্থা চলবে। ব্যক্তিগত মুনাফার জন্য কোন উৎপাদন হবে না। মহোদয়, আমাদের যে লেবার ফোস আছে কাচামালের যে সম্ভাবনা আছে এগুলোকে পরিকল্পনা মাফিক সমাজের প্রয়োজন ব্যবহার করতে হবে। যেখানে ব্যক্তিগত স্বার্থ, ব্যক্তিগত মুনাফা উৎপাদনের মূল লক্ষ্য হিসাবে দেখা দেয় সেখানে এইসব প্রস্তাব পাশ করলেও সমাজতন্ত্র প্রতিষ্ঠিত হবে না। এই জন্যই তো আমাদের সমস্তপঞ্চবার্ষিকী পরিকল্পনাগুলি ব্যর্থ হয়েছে এবং এই ৬ষ্ঠ পঞ্চবার্ষিকী পরিকল্পনাও ব্যর্থতায় পর্যবসিত হতে বাধ্য।

অধ্যক্ষ মহোদয়, আজ শিল্পের জগতে একটা নৈরাজ্য চলছে। চা বাগানের কথা আজ কমরেড্ নুরুল হুদা এই সদনে তুলে ধরেছেন। শ্রমিককে ছাটাই করে তাদেরে ভাতে মারার যে চেষ্টা চলছে এই সব যদি আমরা দূর করতে না পারি তাহলে সমাজতন্ত্রের কথা তো আমাদের মুখে শোভা পায় না।

উপাধ্যক্ষ মহোদয়, ভারতবর্ষের যে সংবিধান আছে এই সংবিধানের যদি আমূল পরিবর্তন সাধন আমরা না করি, (অবশ্য আমরা এই জুলাই মাসেই দেখব জনতা সরকার কি ভাবে এই সংবিধানের পরিবর্তন সাধন করেন) তাহলে ভারতবর্ষে কখনো সমাজতন্ত্র প্রতিষ্ঠা হতে পারে না। ব্যক্তিগত মালিকানাকে যেখানে এই সংবিধান মৌলিক অধিকার হিসাবে গণ্য করছে, টাটা বিড়লা এবং অন্যান্য সমস্ত বড় বড় পুঁজিপাতিদের সম্পত্তি যেখানে সেক্রোসেন্ট করার ব্যবস্থা করে মৌলিক অধিকারের অন্তর্ভুক্ত করা হয়েছে, সেই দেশের সমাজতন্ত্রের কথা বলা আত্ম প্রতারনা ছাড়া আর কিছুই নয়।

আপনারা সমাজতন্ত্র প্রতিষ্ঠা করবেন এই রাজ্যে, ভাল কথা। পারবেন কি আপনারা রাইট টু ওয়ার্ক কথাটা সংবিধানে অন্তর্ভুক্ত করতে? প্রত্যেক প্রাপ্ত বয়স্ক ব্যক্তিকে যদি তার যোগ্যতা অনুযায়ী কাজ করার অধিকার না দিতে পারেন তাহলে কোন সমাজতন্ত্র আপনারা প্রতিষ্ঠা করতে চলেছেন? আপনারা জনসাধারনকে কাজের

অধিকার দিন এবং যদি কাজ দিতে না পারেন তাহলে রাষ্ট্র যাতে তাদের ভরন-পোষনের দায়িত্ব নিতে পারে তার ব্যবস্হা করুন। মহোদয়, অত্যন্ত দুর্ভাগ্যের কথা যে এই আসাম রাজ্যে দুই লক্ষেরও উপর বেকার রয়েছে, গ্রামাঞ্চলে লক্ষ লক্ষ কৃষক এখন পর্যন্ত জমিতে কাজের অভাবে বেকার হয়ে রয়েছে এবং তিলে তিলে অনশনে মৃত্যু বরন করছে। এই রাজধানীর ১০০ মাইল দূরে গেলেই শুনতে পাবেন মৃত্যুপথ-যাত্রী কৃষকের বুকফাটা ক্রন্দন, গ্রামাঞ্চলে এক ফোঁদা খাবারের জল পাচ্ছে না। আর আপনারা বলছেন সমাজতন্ত্রের কথা। সমাজতন্ত্রের কথা বলতে গেলে অনেক ভেবে চিন্তে বলতে হয়, ভূমির উপরথেকে সবরকমের পরগাছার উচ্ছেদকরি প্রকৃত কৃষকি জমিতে প্রতিষ্ঠিত করা, মিলের ব্যক্তিগত মালিকানার অবসান, বেকারদের কাজের অধিকার এবং ব্যক্তিগত মালিকানার পরিবর্তে উৎপাদনের উপর পরিকল্পনা অনুযায়ী সামাজিক নিয়ন্ত্রন এবং সামাজিক বন্টন প্রথা প্রবর্ত্তন যদি না করতে পারেন তাহলে আপনারা সমাজ তন্ত্র প্রতিষ্ঠা করতে পারবেন না। আজ ভারতবর্ষের ৬৫ কোটি মানুষ মুষ্টিমেয় মালিকগোষ্ঠীর, পুজিপতিদের লোভের বলি হয়ে আছে, মুনাফার পাহাড় জমিয়ে জমিয়ে তারা কোথায় টাকা রাখবে ভেবে পাচ্ছে না। আর অন্য দিকে শতকরা ৭০ জন লোক দেশে না খেয়ে ধুকে ধুকে মরছে। এই অবস্হায় আপনারা কেবল সমাজতন্ত্রের স্বপ্নই দেখতে পারেন, সমাজতন্ত্রের বাস্তব ভিত্তি পর্যন্ত প্রতিষ্ঠিত করতে পারবেন না। গণতন্ত্রের ভিতটাইত আমাদের দেশে এখন পর্যন্ত্র গড়ে উঠল না— সমাজ তন্ত্র হবে কোথা থেকে?

অধ্যক্ষ মহোদয়, সমাজতন্ত্র কখনো বাইরে থেকে আমদানী করা যায় না, দান হিসাবে সমাজতন্ত্র গ্রহণ করে কখনো প্রতিষ্ঠা করা যায় না, প্রস্তাব গ্রহণ করে কখনও সমাজতন্ত্র কোন দেশেই প্রতিষ্ঠা করা যায়না একমাত্র সমাজের সচেতন মানুষই এর বুনিয়াদ তৈরী করতে পারে, এক্ষেত্রে সরকার কি করতে পারে ৷ সরকার এই সমাজতন্ত্রের পটভূমি তৈরী করতে গেলে শিল্পের ক্ষেত্রে বিদেশী মালিকানাকে এদেশ থেকে হটাতে হবে। যেখানে আসামের চা বাগানের শতকরা ৩৮ ভাগ এখনো বিদেশী মালিক গোষ্ঠীর হাতে আর শতকরা ৪৪ ভাগ উৎপাদন যেখানে এখনো এই বিদেশীদের নিয়ন্ত্রনে রয়েছে আর বাদবাকী গুলোর উপরে এ টাটা বিড়লা গোষ্ঠী এখনো শকুনির মতো বসে আছে, যারা আসামের চা বাগানের ১ লক্ষ শ্রমিককে ছাটাই করে বেকার করেছে সেখানে সমাজতন্ত্রের কথা ভাবতেই পারা যায় না। আমরা যদি শ্রমিক শ্রেণীর নিরাপত্তার কোন বিধান না করতে পারি, আসাম হার্ড বোর্ডকে খুলতে না পারি, ঐ এভারেষ্ট সাইকেল ফ্যাক্টরী খুলতে না পারি তাহলে সমাজতন্ত্রের কথা বলে কোন লাভ হবে না। এদিকে জনতা সরকার কতখানি প্রস্তুত আমি জানি না। এখন পর্যন্ত কেবল সদিচ্ছাই দেখেছি, কিন্তু কেবল সদিচ্ছা থাকলেই হবে না, কারণ আমি দেখতে পাচ্ছি কার্যক্ষেত্রে জনসাধারণকে একটুও রিলিফ দেবার ক্ষমতা এদের নাই।

আমাদের পি ডব্লিও ডি মন্ত্রী মহাশয় সেদিন যখন নওঁগা গিয়েছিলেন তখন আমি বলেছিলাম যে এই গরীব ছেলেটিকে একটা চাকুরী দিন। তিনি তার বিভাগীয় অফিসারদেরে বলেছিলেন ঐ গরীব ছেলেটিকে চাকুরী দিতে। কিন্তু তারা ঐ মন্ত্রীর আদেশকে বৃদ্ধাঙ্গুষ্ঠ দেখিয়েছে। পরে আমাকে বলেছে যে আইনতঃ সম্ভব নয়। সুতরাং এই যে আইনের ব্যবস্হা, এই আইনের, এই সংবিধানের যদি আমুল পরিবর্তন আমরা সাধন না করতে পারি তাহলে কিরিলিফ আমরা জনসাধারণকে দিতে পারব? কারণ রাজ্য সরকার তো আইনের বাইরে, সংবিধানের বাইরে যেতে পারেণ না, আইন তাদের হাত পা বেধে রেখেছে। তবুও যদি ঐ পশ্চিম বাংলা আর ত্রিপুরার দিকে দৃষ্টি দেন তাহলে দেখবেন যে তারা সমাজতন্ত্র প্রতিষ্ঠা

বড়াই করছি না, বড় বড় কথা বলছে না,, তারা তাদের এই আইনের সীমিত্ পরিসরে থেকেও ভূমিহীন কৃষকদের একটু রিলিফ্ দিতে চেষ্টা করিছে, একটু নিরাপত্তার ব্যবস্থা করছে, ভূমি বন্টনের ব্যবস্থা সুরু করেছেন, শ্রমিক ছাটাই বন্ধ করছি, শ্রমিকের নায্য গণতান্ত্রিক আন্দোলনকে ওরা সি, আর পুলিশ দিয়ে টুটি টিপি মারছে না। বর্ত্তমান আইন কানুনের পরিধির মধ্যেই ওরা শ্রমিকের গণতান্ত্রিক অধিকার, তাদের বেঁচে থাকার অধিকারকে নিশ্চিত করার চিন্টা করছে। এই টুকুওতে আমরা এই আসাম রাজ্যে দেখতে পাচ্ছি না ? সমাজতন্ত্র প্রতিষ্ঠার জন্য এই মন্ত্রী সভার সকল মন্ত্রীকেও তো আমি মানসিক ভাবে প্রস্তুত বলি মেনে নিতে পারছি না। কারণ এখনোতো তারা শ্রমিক ছাটাই হলে মালিকের পক্ষে সি, আর, পি, পুলিশ পাঠাচ্ছেন, তাছাড়া প্রশাসন যন্ত্রের মধ্যে এই মন্ত্রী সভার বিরুদ্ধ এমন একটা মনোভাব কাজ করে যাছে যে ইন্দিরা গান্ধী ছাড়া যেন আর কেউ এই দেশ শাসন করতে পারে না আজ সারা আসামে স্বৈরাচারী ইন্দিরা গান্ধীর পান্ডারা ছদ্মবেশে মাইনোরিটির কথা বলছে। মাইনেরিটির জন্য তারা চোউের জলে বুক আসাচ্ছে। আমার তারা জনসাধারণকে টুটি টিপে মারার জন্য ছদ্মবেশে অগ্রসর হতে চেষ্টা করছে। মহোদয়, দুঃখের সঙ্গে বলতে বাধ্য হচ্ছি যে বিশেষ করে গ্রামাঞ্চলে আজ মুসলমান মোল্লা মৌ লবীরাও এই কাজে নেমে পড়েছেন এবং তারা আজ বক্তৃতা করতে আরম্ভ করেছেন যে ইন্দিরা গান্ধী রক্ষা না করলে এই মাইনরিটিদের কেউ বাঁচাতে পারবে না প্রশাসন যন্ত্রের অভ্যন্তরে এমন সব অফিসাররা রয়েছেন যারা বর্ত্তমান নতুন সরকারের অস্তিত্বকে বিপন করতে চাইছেন আর অন্য দিকে আমি যে কথা বলেছিলাম যে এই মন্ত্রী সভায় অনেক মন্ত্রী রয়েছেন যাদের দৃষ্টিভংগীর সঙ্গে সমাজতান্ত্রিক দৃষ্টিভঙ্গীর কোন মিল নাই। যেখানে মন্ত্রীর কলমের এক খোঁচায় বনাঞ্চল থেকে দাস প্রথাদেরেহতে পারে; এই বনাঞ্চলের গ্রাম গুলিকে রেভিনিউ ভিলেজ হিসবে গণ্য করার ব্যাপারে একটা আইন এই লিধান সভায় আনতে কি বাধা তাকতে পারে ? এই মনোভাব তো সমাজতান্ত্রিক মনোভাবের লক্ষন নয় ?

সুতরাং মহোদয় এই অবস্থায় আমরাতো এই প্রস্তাবকে পুরোপুরি সমর্থন করতে পারি না, আবার অন্যদিক পারোপুরি বিরোধিতাও করতে পারি না। কারণ এতে সমাজত প্রর কথা রয়াছ পার্বতন কংগ্রেস সরকারের নিন্দা রয়েছে। কিন্তু এই নিন্দা আরও কঠোর হওয়া উচিত ছিল।

Shri Sumsul Huda :—Mr. Deputy Speaker, Sir, it appears that this is for the first time in the history of Assam Legislative Assembly that the member of Congress menmbers has been hill inside the House.

Shri Biresh Misra:—They have not the grants to oppose this as Opposition because these are based on facts and truths experienced by the people, the whoe people of India এটা ফেস্ করার ক্ষমতা নাই বলেই ইন্দিরার চেলারা এই বিতর্কে অংশ গ্রহণ করা থেকে বিরত রয়েছে।

যাই হেকে, আমি আর সদনের সময় নিতে চাই না। কেবল একথা আমি বলতে চাই যে, আমাদেরে আপনার ভুল বুঝবেন না কারণ একটা প্রস্তাব গ্রহণ করে সমাজতন্ত্র প্রতিষ্ঠার নাম মানুষকে আমরা ধোকা দিতে পারব না। এর কারণ আমি আমার বক্তৃতায় যথা সম্ভব পরিস্কার ভাবে উপস্থিত করেছি। এই বলে আমার বক্তৃতা শেষ করছি।

*মোঃ মোজাম্মিল আলী চৌধুরী ঃ—মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীদেবেন বরা মহাশয় যে প্রস্তাব এই সদনে উপস্থিত করেছেন তা আমি সমর্থন করি। এইজন্য সমর্থন করি কারণ, তিনি তার প্রস্তাবে সমাজতান্ত্রিক রাজনৈতিক স্বাধীনতা এবং অর্থনৈতিক স্বাধীনতার কথা বলেছেন। উপাধ্যক্ষ মহোদয়, ভারতবর্ষের জনসাধারণ এইমাত্র কিছুদিন আগে এক তিক্ত অভিজ্ঞতা অর্জন করেছে। এই তিক্ত অভিজ্ঞতা হলো, শ্রীমতী ইন্দিরা গান্ধীর শাসনকালে ভারতবর্ষের জনসাধারণ তাদের রাজনৈতিক অধিকার হারিয়ে ফেলেছিল। ১৯৭৫ ইংতে ইন্দিরা গান্ধী ভারতবর্ষে জরুরী অবস্থা ঘোষণা করেণ। এই জরুরী অবস্থার ফলে ভারতবর্ষের জনসাধারণ কথা বলার অধিকার রাজনৈতিক বক্তব্য রাখার অধিকার, পত্রিকায় তার স্বাধীন বক্তব্য রাখার ইত্যাদি বিভিন্ন অধিকার হারিয়ে ফেলেছিল। এইসব অধিকার হারিয়ে ফেলার দরুণ ভারতবর্ষের জনসাধারণ যে তিক্ত অভিজ্ঞতা অর্জন করেছে সেই তিক্ত অভিজ্ঞতা আর রাজনৈতিক যন্ত্রের উল্লেখ মাননীয় সদস্য শ্রীদেবানন্দ বরার প্রস্তাবে রয়েছে। তাই এই প্রস্তাব আমি সর্বান্তঃকরণে সমর্থন করছে। কেন না, এই প্রস্তাবে অন্ততঃপক্ষে দেশের জনসাধারণকে রাজনৈতিক অধিকার দানের রাজনৈতিক স্বাধীনতাদানের যে নিশ্চয়তা, সেই নিশ্চয়তা দান করেছে, তাছাড়া আমি এই প্রস্তাবটি আরও এই কারণে সমর্থন করছি যে এই প্রস্তাবে সমাজতান্ত্রিক অধিকার প্রতিষ্ঠার কথা বলা হয়েছে এবং এই সমাজতন্ত্র গণতান্ত্রিক সমাজতন্ত্র।

অধ্যক্ষ মহোদয়, ভাবতবর্ষের মতো একটি দেশ, যে দেশ অত্যন্ত গরীব দেশ এবং এই দেশে যেখানে শতকরা ৭০ ভাগ লোকে দরিদ্র সীমা রেখা নীচে বসবাস করছে, এরূপ একটি দেশে সমাজতন্ত্র ব্যতীত এই দেশের আর্থিক তবস্থার উন্নতি কোন রকম সম্ভব নয়। তাই, এই দেশে সমাজতন্ত্র প্রতিষ্ঠা না হলে আর্থিক অবস্থার উন্নতি সাধন করা যাবে না। এই প্রস্তাবে সমাজতন্ত্রর কথা রয়েছে এবং সমাজতন্তের মাধ্যমে এই দেশের জনসারণের আর্থিক অবস্থার উন্নতি করা সম্ভব হবে। এই প্রস্তাবে অর্থনৈতিক স্বাধীনতার কথা রয়েছে। অর্থনৈতিক স্বাধীনতার কথা সমাজতন্তের সঙ্গে ওতপ্রতভাবে জড়িত রয়েছে। অর্থনৈতিক ব্যতীত একটি দেশের সম্পূর্ণ উন্নতি সম্ভব না, আমাদের এই দেশ কৃষি প্রধান দেশ। এই কৃষি প্রধান দেশে তার অর্থনীতি কৃষি ভিত্তিক অর্থনীতি হওয়া দরকার। কিন্তু কেবল কৃষির উপর নির্ভর করে একটি দেশ তার সম্পূর্ণ অর্থনৈতিক উন্নতি সাধন করতে পারে না। তাই উদ্যোগের প্রয়োজন। সুতরাং আমাদের বর্তমান সরকার এই অভাব অনুভব করেই কৃষি ভিত্তিক উদ্যোগের নির্মাণ করার কথা ঘোষণা করেছেন। আগে যে গুলি উদ্যোগ প্রতিষ্ঠিত হওয়ার দরুণ পহরের মানুষই কেবল এই অর্থনৈতিক সুযোগ সুবিধা ভোগ করে এসেছিল। যেহেতু ভারতবর্ষের শতকরা ৯০ ভাগ লোক গ্রামে বাস করে এবং যেহেতু তারা গ্রামে কৃষির উপরই নির্ভরশীল সেইহেতু ভারতবর্ষের গ্রামগুলির যদি উন্নতি সাধন না করা যায় তাহলে দেশের উন্নতি সাধন করা সম্ভব নয়। গ্রামকে বাদ দিয়ে দেশের উন্নতি করা যাবে না। সুতরাং জনতা সরকার এবং জনতামন গ্রামকে উন্নত করার যে পরিকল্পনা নিয়েছেন এবং গ্রামমুখী শিল্প, কৃষির উপর নির্ভরশীল গঠনের যে পরিকল্পনা নিয়েছেন সে জন্য আমি এই প্রস্তাবকে সমর্থন করি। যদি এই প্রস্তাবের মাধ্যমে ভারতবর্ষে সমাজতান্ত্রিক অর্থনীতির প্রতিষ্ঠা হয়, যদি রাজনৈতিক ক্ষেত্রেভারতবর্ষের গ্রামাঞ্চলের, শহরাঞ্চলের, ভারতের দরিদ্র জনসাধারনের সার্বিক উন্নতি সাধন হয় এবং এই পরিপ্রেখিতে যে আভাষ এই প্রস্তাবের মধ্যে আমারা পাই, সেজন্য এই প্রস্তাবকে আমি সমর্থন করি।

*Speech not corrected.

উপাধ্যক্ষ মহোদয়, সমাজতন্ত্রের বিভিন্ন দিক রয়েছে। কেউ হয়তো বলেন যে সমাজতন্ত্র একটি বিশেষ ধরায় পরিচালিত। কিন্তু না, সমাজতন্ত্র গণতান্ত্রিক সমাজতন্ত্রে যেখন রয়েছে তেমনি গণতন্ত্র ব্যাতিয়েকেও সমাজতন্ত্র রয়েছে। সমাজতন্ত্র ধাপে ধাপে প্রতিষ্ঠা লাভ করে। ফরাসী বিপ্লবের মধ্য দিয়ে এটা প্রকাশ পেয়েছো গতিকে সমাজতন্ত্রকে কেউ সীমাবদ্ধ গম্ভীর ভিতর চেপে রাখতে পারে না। অন্ততঃ আমি এই ব্যাখ্যা স্বীকার করতে পারি না ভারতবর্ষের জনসাধারণ, ভারতবর্ষের যে আবহাওয়া, যে পরিবেশ সেই পরিবেশে যদি আমরা সমাজতন্ত্র প্রতিষ্ঠা করতে চাই তাহলে গান্ধীবাদই উৎকৃষ্ট। এই গান্ধীবাদই সমাজতান্ত্রিক ভারতবর্ষের জনসাধারণকে পূর্ণ নাগকদের মর্যাদা দিয়েছে, নিজের বক্তব্য রাখার অধিকার নাম করেছে, সভা সমিতি করার অধিকার দান করেছে এবং বিভিন্ন পত্র পত্রিকার মাধ্যমেও জনসাধারণের বক্তব্য রাখার অধিকার দান করেছে এবং সর্বোপরি বিভিন্ন রকমের রাজনৈতিক দল গঠনেরও অধিকার করেছে। আবার অন্যদিকে এমনও সমাজতান্ত্রিক দেশ আছে যেখানে এইসব অধিকার জনসাধারণ ভোগ করছে না। সুতরাং ভারতবর্ষের যে সমাজবাদ, গণতান্ত্রিক সমাজবাদ, এই সমাজবাদকে যারা চেপে দিয়ে মারতে চেয়েছিল তাদের আসন আজ শূন্য। তারা মুখে এতদিন সমাজবাদের ফাঁকা আওয়াজ দিয়েছিল। সেই ফাঁকা আওয়াজের স্বরূপ উৎঘাটিত হয়ে যাবে একথা অনুমান করতে পেরেই তারা আজ এখানে আসেন নি। তা নাহলে, এই যে প্রস্তাব এই প্রস্তাবে এমন কোন কথাব উল্লেখ নাই যা ভারতের জনস্বর্থে বিরোধী। ভারতের জনসাধারণের স্বার্থের অনুকূলেই রচিত এই প্রস্তাবের বিষয়বস্তু। সে জন্যই তো, জনস্বার্থ বিরোধী কার্যকলাপের জন্য ভারতবর্ষের জনসাধারণ তাদেরে তালাক দিয়েছে। এসব কার্যকলাপের জন্য সমালোচনার সম্মুখীন হওয়ার সাহস তাদের নেই। এই প্রস্তাব যখন সদনে উৎথাপন করা হয় তখন তারা দৃপ্ত কণ্ঠে এই প্রস্তাবের বিরোধিতা করে।

অধ্যক্ষ মহোদয়, এই প্রস্তাবের মধ্যে আপত্তিজনক কিছু নাই। ভারতের জনসাধারণ যে দৈবরতন্ত্রী শাসন থেকে মুক্তি পেয়েছে—এই মুক্তির কথা এতে রয়েছে। ভারতের জনসাধারণ এর উন্নতি, আমাদের রাজ্যে সমাজতন্ত্র প্রতিষ্ঠার কথা এই প্রস্তাবে রয়েছে। জনসাধারণের অর্থনৈতিক প্রগতির কথা এতে রয়েছে অর্থচ এই প্রস্তাবকে কেন বিরোধিতা করা হেলো একথা আমি বুঝতে পারিনি। এই প্রস্তাবকে যারা বিরোধিতা করি তারা দেশের শত্রু, জনগণের শত্রু, সমাজের শত্রু। সেজন্যই তো তাদের জনসাধারণ পরিত্যাগ করেছে।

শ্রীযোগেন গগৈ :—উপাধ্যক্ষ মহোদয়, এটা প্রস্তাৱ এই বিধান সভাত আলোচনা কৰাৰ যেনেকৈ অধিকাৰ আছে তেনেকৈ প্রস্তাৱটোৰ পক্ষে বিপক্ষে যুক্তি দিয়াটোও বা আলোচনা কৰাটোও সকলোৰে অধিকাৰ আছে। কিন্তু প্রস্তাৱটোৰ বিপক্ষে কলেই যে দেশৰ শত্রু হব সেইটো নহবও পাৰে। এই কথাটো উইদ্র কৰিব লাগে।

শ্রীবাণেশ্বৰ শইকীয়া :—গণতন্ত্ৰৰ কথা হৈছে কোনোবাই সমৰ্থন কৰিব পাৰে আৰু কোনোবাই বিৰোধীতাও কৰিব পাৰে কিন্তু বিৰোধীতা কৰা মানেই দেশৰ শত্রু হব সেইটো গণতন্ত্র হব নে? ।

মোঃ মোজাম্মিল আলী চৌধুরী :—আমি দেশের শত্রু এজন্যই বলেছি যে তারা দেশের জনসাধারণের স্বার্থের বিরুদ্ধে কাজ করেছিলেন, সেই জন্যই তারা আজ এখানে উপস্থিত থাকতে সাহস পাননি।

সুতরাং আমার বক্তব্য হলো, দেশের জনসাধারণের মঙ্গলের জন্যই আমি শ্রীদেবানন্দ বরা কর্ত্তৃক উৎথাপিত এই প্রস্তাবকে সর্বান্তঃ করণে সমর্থন করছি।

মাননীয় উপাধ্যক্ষ ঃ— শত্ৰু নহয়।

শ্ৰীবাণেস্বৰ শইকীয়া ঃ—উপাধ্যক্ষ মহোদয়, এইটো এটা ৰুলিং দিব লাগে। বিপক্ষে মতামত দাঙি ধৰিলেই দেশৰ শত্ৰু বুলি অভিহিত হব সেইটো গণতান্ত্ৰিক নীতি সন্মত হৈছে নে ?

শ্ৰীভূবনেশ্বৰ বৰ্ম্মণ ঃ— যি দেশৰ স্বাথৰ বিৰুদ্ধে যায় তেনে ক্ষেত্ৰত দেশৰ শত্ৰ বুলি কোৱাত নিশ্চয় অসুবিধা নাই।

Mr. Deputy Speaker:—The honourable members would hear me. Whenever we discuss a resolution somebody may speak in favour of it and again somebody may speak against the resolution. But we should always use parliamentaay words.

শ্ৰী এ, এন, আক্ৰাম হুচেইন ঃ—এতেকে এইটো বাদ দিব লাগে।

শ্ৰীযোগেন গগৈ ঃ—প্ৰস্তাব দিলেই কোনোবাই সমৰ্থন কৰিব আৰু কোনোবাই বিৰোধীতা কৰিব কিন্তু বিৰোধীতা কৰিলেই যে দেশৰ শত্ৰু হব সেইটো কেনে কথা।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ—উপাধ্যক্ষ মহোদয়, এইখিনিতে কথাটো বুজাবুজিৰ অলপ ভূল হব খুজিছিল। উপাধ্যক্ষ মহোদয়ে ইতিমধ্যে ৰুলিং দিছে। যে এই ধৰণৰ প্ৰস্তাৱ দিলেই সমৰ্থন কৰিব পাৰে বা বিৰোধীতাও কৰিব পাৰে কিন্তু এইটো নুবুজায় যে বিৰোধীতা কৰিলেই শত্ৰু হব। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়ৰ ৰুলিঙত সন্তুষ্ট থাকি ভবিষ্যতে যাতে এনে নহয় তাৰ বাবে আমি সকলোৱে সাবধান হোৱা উচিত হব।

শ্ৰী এ, এন, আক্ৰাম হুচেইন ঃ—এইটো কাৰ্য্যবিৱৰণীৰ পৰা বাদ দিব লাগে।

মাননীয় উপাধ্যক্ষ ঃ— কুল বাহাদুৰ চেত্ৰী।

* শ্ৰীকুল বাহাদুৰ চেত্ৰী ঃ—মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদেবান,দ বৰা ডাঙৰীয়াই এই বিধান সভাত উত্থাপন কৰা প্ৰস্তাৱটো সমৰ্থন কৰি কেআষাৰমান কথা কবলৈ থিয় হৈছো। এই প্ৰস্তাৱৰ যোগেদি আমাৰ যি সকল লোকে দুদ্দৰ্শাভোগ কৰি আছে তেনে দুখীয়া দুদ্দৰ্শাগ্ৰস্ত লোক সকলৰ কথাও চিন্তা কৰা হৈছে। তেখেতসকললৈ অভিনন্দন জ্ঞাপন কৰাৰ কথা এই প্ৰস্তাৱত আছে। সেই কাৰণেই মই এই প্ৰস্তাৱ সমৰ্থন কৰিছো। যোৱা জৰুৰীকালীন অৱস্থাৰ সময়ত নেতা সকলক আৰু নিৰ্দ্দোষী ৰাইজক জধে মধে নি জেলত সোমোৱাই থৈছিল সেই কথা অসমৰ তথা ভাৰতবৰ্ষৰ ৰাইজে নিশ্চয় নাপাহৰিব। এই প্ৰস্তাৱত যিখিনি কথা উল্লেখ কৰা হৈছে তাত আমাৰ দুই এজন মাননীয় সদস্যই কোৱাৰ দৰে মোৰ মতে ইয়াত আৰু বেছি সমালোচনা হোৱা উচিত আছিল। সেই সময়ত যিসকল জেলত সোমাই থোৱা হৈছিল তাৰ ভিতৰত বহুতৰেই অঙ্গ-প্ৰত্যগং ঘূণীয়া কৰি থৈ গৈছে। সেই অসুস্থ অঙ্গ-প্ৰত্যঙ্গ লৈয়েই যি সকলে সেই সময়ৰ কথা মনত ৰাখিব লগীয়া হৈছে। গতিকে মই ভাবো এই প্ৰস্তাৱৰ সন্দৰ্ভত আৰু বেছি সমালোচনা হোৱা উচিত আছিল।

আজি আচৰিত কথা স্বাস্থ্যৰ কাৰণে আগৰ চৰকাৰে বহুত ঠাইত হস্পিটল কৰি দিব বুলি ৰাইজে ভাবিছিল কিন্তু সেই স্বাস্থ্যকেন্দ্ৰ আৰু হৈ নুঠিল। কিন্তু এই সকলো লেঠা নতুন চৰকাৰৰ ওপৰত আহি পৰিছে। গতিকে আগৰ চৰকাৰৰ বেমাৰ বিলাক এতিয়া আহি পৰিছে আৰু নতুন চৰকাৰে চিকিৎসা কৰিবলগীয়া হৈছে। আজি

*Speech not corrected.

যদি কৰবাত কিবা এটা চাকৰী ওলাই তেনেহলে ডেকা সকলৰ ঢৌ আছে কিয়নো আগৰ চৰকাৰৰ এই সকলো বিলাক নিজৰ লগাভগা সকলকহে দিছিল। নতুন চৰকাৰৰ দিনত যাতে তেনে এটা অৱস্থা নহয় তাৰ কাৰণে অনুৰোধ কৰিলো।

তাৰ পিছত জৰুৰীকালিন অৱস্থাত আগৰ চৰকাৰে বহুত ক্ষেত্ৰতে মানুহৰ অধিকাৰ খৰ্ব্ব কৰিছিল আনকি বাতৰি কাকতৰ স্বাধীনতাকো খৰ্ব্ব কৰা হৈছিল। এইবিলাক কথা জনসাধাৰণে কেতিয়াও পাহৰি নাযায়। দেশত যি একনায়কত্ববাদ চলিছিল সেই পৰিপ্ৰেক্ষিততে আমাৰ বৰা ডাঙৰীয়াই উত্থাপন কৰা প্ৰস্তাৱটো সমৰ্থন কৰিছো। ইয়াত দুখীয়া অতি পিচপৰা ৰাইজৰ কথা উল্লেখ কৰা হৈছে। আগৰ চৰকাৰে ২০ দফীয়া আঁচনি কাৰ্য্যকৰী কৰিবলৈ ওলাইছিল কিন্তু সেই আঁচনিৰ দ্বাৰা দুখীয়াক আৰু দুখীয়া কৰিছে। সেইবিলাক দায়ীত্ব আজি এই চৰকাৰৰ হাতত পৰিছে। এই সকলো বিলাক সমস্যা আগৰ চৰকাৰে কৰা হলে আজি আমাৰ সন্মুখত নাহিল হেতেন। বানপানীৰ শিতানত আগৰ চৰকাৰে বহুত টকাই খৰছ কৰিছিল কিন্তু প্ৰকৃততে দুখীয়া মানুহবিলাক সেই পুনৰসংস্থাপন পালে নে? আমি শুনিবলৈ পাইছো তেনেধৰণে মঞ্জুৰ কৰা টকা পইছা আনফালে গুচি গ'ল বানপীড়িত লোক সকলে নাপালে? মই সুধিব খুজিছো আগৰ চৰকাৰক এই টকা পইছাবিলাক কলৈ গ'ল? আগৰ চৰকাৰে যিমানবিলাক মাটি অধিগ্ৰহণ কৰা হৈছে সেইবিলাকৰ টকা পইছা আজিও দিয়া নাই। আজি আমাৰ মন্ত্ৰী মহোদয়ে আগৰ পুৰণা কাজগ-পাতিবিলাক পঢ়ি শুনাইছে। ৫-৬ বছৰ মানুহে টকাপইছা পোৱা নাই। ৰাষ্ট্ৰীয়পথ কৰা হল কিন্তু তাৰ কাৰণে অধিগ্ৰহণ কৰা টকা পইছা আজিও দুখীয়া ৰাইজে পোৱা নাই। এই বিলাক আগৰ চৰকাৰৰ বেমাৰ নতুন চৰকাৰে ট্ৰিটমেন্ট কৰিব লগা হৈছে। কিমান সুন্দৰ আঁচনি কাগজেপত্ৰ-ই কৰিলে কিন্তু কোনো কামত নাহিল। শিক্ষাৰ ক্ষেত্ৰতে আজি কৈছো এনেকুৱা গাঁও আছে যতআনকি এজন গ্ৰামসেৱকো নাই। গাঁওলীয়া ঠাইত একোখন স্কুল হৈছে ২২ বছৰ পৰ্য্যন্ত হৈছে কিন্তু আজিলৈকে চৰকাৰীকৰণ হোৱা নাই। এতিয়া লৈছে কিন্তু মাণ্টৰজনৰ ৫০ বছৰ হৈ গৈছে। গতিকে এইবিলাকত বিশেষ চকু দিব বুলি আশা কৰিলো। আজি কংগ্ৰেছ দল ইয়াত উপস্থিত নাই কাৰণ তেওঁলোকে ভয় খাইছে তাৰ দ্বাৰা এইটোৱে প্ৰমানিত হয় যে তেওঁলোক দোষী। তেওঁলোক দোষী নহয় যদি থাকি পেলাই প্ৰতিবাদ কৰিব লাগিব। মই ভাবো বৰ্ত্তমান যি সমালোচনা চলিছে তাতকৈও বেছি সমালোচনা আগৰ চৰকাৰক কৰিব লাগিছিল। ইমানবিলাক আঁচনি কংগ্ৰেছ চৰকাৰে কৰা স্বত্বেও আজি গাৱে ভূৱে বহুত মানুহ লঘোণে থাকিব লগা হৈছে। আনকি গুৱাহাটীৰ ওচৰৰ কিছুমান ঠাইত এনে কিছুমান পৰিয়াল আছে যিবিলাকৰ ঘৰ দেখিলে আপোনালোকে দুখ পাব অথচ এই-খন চহৰতে যিবোৰ ঘৰবাৰী আমি দেখিবলৈ পাওঁ সেইবিলাক কিমান অট্টালিকা। হাউচিং বোৰ্ডে কেইটামমান ঘৰ কৰি দিছেযদিও সেইখিনি পৰ্য্যাপ্ত নহয়। এই আঁচনি বিলাকত আগৰ চৰকাৰে যিমান টকা পইছা খৰছ কৰিলে সেই হিচাবে কোনো উন্নতি নহল। আমি দেখিছো ৰেল লাইনৰ ওচৰত কিছুমান জুপুৰীঘৰ কৰি কিছুমান পৰিয়াল চলি আছিল তেওঁলোকক আগৰ চৰকাৰে উচ্ছদ কৰিছে অথচ তেওঁলোকৰ নিজৰ কোনো ঘৰবাৰী নাই। তেওঁলোকৰ মাটিবাৰী থকা হলে উঠি যাওঁক কিন্তু যাৰ বাস কৰিবলৈ অলপো মাটী নাই তেওঁলোক যায় কলৈ? গতিকে তেওঁলোক যদি প্ৰকৃত মাটিহীন মানুহ হয় তেওঁলোকক মাটিবাৰী দিয়াৰ ব্যৱস্থা কৰিব লাগে। আজি বহুতদিনৰ পৰা বহি থকা মানুহকো পট্টা দিয়া নাই এইবিলাক ৰাইজৰ পুৰণা বেমাৰ আমাৰ নতুন চৰকাৰে সেইবিলাকৰ চিকিৎসা কৰিব বুলি আশা কৰিলো। এই বিলাক কাৰণতে ৰাইজে আগৰ চৰকাৰক খেদি জনতা চৰকাৰক ক্ষমতাত বহুৱাইছে। আজি দেশত নিবনুৱাৰ সংখ্যা দিনক দিনে বাঢ়ি গৈছে। এইটো এটা ডাঙৰ সমস্যা অথচ এই দিনত আগৰ চৰকাৰে যিবোৰ কাম কৰিলে তাৰ কোনো ফলেই নধৰিলে। সেই কাৰণে এই প্ৰস্তাৱটো সমৰ্থন কৰিছো।

শ্ৰীবাণেশ্বৰ শইকীয়া ঃ—উপাধ্যক্ষ মহোদয়, এই প্ৰস্তাৱৰ সম্পৰ্কত মই কেইটামান কথা কবলৈ উঠিছো। প্ৰস্তাৱটোত কোৱা হৈছে-"অসমত দীৰ্ঘ দিন ধৰি চলি থকা ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিকভাবে দুনীতি গ্ৰস্ত, স্বেচ্ছাচাৰিতা, ওপৰ-গধুৰ আমোলা তান্ত্ৰিক সংবিধান আৰু আইনৰ শাসন বিৰুদ্ধি অগণতান্ত্ৰিক চৰকাৰ অন্ত কৰি অসমৰ জনসাধাৰণে এটা নতুন প্ৰগতিবাদী, গণতান্ত্ৰিক সমাজবাদী চৰকাৰ গঠন কৰি গণতন্ত্ৰৰ ভেটি সুদৃঢ় কৰাৰ কাৰণে আজিৰ এই বিধান সভাই অসমৰ ৰাইজলৈ ঐকান্তিক আৰু বৈপ্লৱিক অভিনন্দন কৰাৰ লগতে এক নতুন অৰ্থনৈতিক ব্যৱস্থাৰ জৰিয়তে অগনন দৰিদ্ৰ, নিস্পেষিত, অৱহেলিত জনসাধাৰণৰ আশা-আকাংখ্যা পূৰণ কৰি দেশৰ অৰ্থনৈতিক, সামাজিক ৰাজনৈতিক আদি সকলো দিশতে এই আমোল পৰিবৰ্ত্তন সাধি, এখন নতুন সমাজবাদী অসম গঢ়ি তুলিবলৈ নতুন চৰকাৰলৈ আহবান জনায় আৰু এই প্ৰস্তাৱটোত সকলো প্ৰকাৰৰ সহায় সহযোগ আগবঢ়াবলৈ সমূহ ৰাইজলৈ বিনীত অনুৰোধ জনায়"।

উপাধ্যক্ষ মহোদয়, এই প্ৰস্তাৱৰ সন্দৰ্ভত মই এই কথাকেই কব বিচাৰিছো যে যোৱা নিৰ্ব্বাচনৰ যোগেদি অসমৰ জনসাধাৰণে দীৰ্ঘদিন ধৰি স্বেচ্ছাচাৰিতা দুনীতি আৰু আমোলাতন্ত্ৰৰ এক শাসক চক্ৰৰ অন্তঃ পেলাইছে। তাৰ কাৰণে দেশৰ জনসাধাৰণ অভিনন্দন যোগ্য আৰু সেই কাৰণে মই অভিনন্দন জনাইছো। কিন্তু লগতে এটা কথা পৰিস্কাৰ কৈ জনাৰ দৰ্কাৰ যে ইয়াত গণতান্ত্ৰিক সমাজবাদৰ কথা কোৱা হৈছে। এই গণতান্ত্ৰিক সমাজবাদ এই প্ৰস্তাৱৰ দ্বাৰা এই অৱস্থাত গঠন কৰা সম্ভৱ নহয়। পৃথিবীত কোনো দেশেই সমাজবাদ এনে ধৰণে গঠন কৰা নাই। এনে ধৰণৰ সমাজবাদ নিৰ্ম্মাণ কৰা সম্ভৱ নহয়। শ্ৰেণী সংগ্ৰামৰ ভিত্তিত শ্ৰেণী আন্দোলন সৃষ্টিনকাৰ শ্ৰেণীযুক্ত সমাজত সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰে কেনেকৈ? গোটেই জনসাধাৰণক একো একোটা শ্ৰেণীত বিভক্ত কৰি ৰাখি সমাজতন্ত্ৰ নিৰ্ম্মাণৰ কল্পনা কৰি জনসাধাৰণক প্ৰতাৰণা কৰাৰ বাহিৰে এইটো আন একো নহয়। সেই কাৰণে গণতন্ত্ৰৰ কথা কলেও বুৰযোৱা গণতন্ত্ৰত ই সম্ভৱ নহয় আৰু দুখীয়া জনসাধাৰণক পুনঃ প্ৰতাৰণা কৰিবলৈ ইয়াৰ দ্বাৰা ভুলখিনি ঢাকি ৰাখিবলৈ প্ৰচেষ্টাহে কৰা হৈছে। বিগত নিৰ্ব্বাচনত অৰ্থাৎ ১৯৭৭ চনৰ লোকসভা নিৰ্ব্বাচনৰ দ্বাৰা এক ঐতিহাসিক ঘটনাৰে স্বৈৰাচাৰী শাসনত অন্তঃ পেলাই স্বাধীনতাৰ পুনৰুদ্ধাৰ হৈছে। তাৰ মাজেদি এই কথা কেতিয়াও কব নোৱাৰো যে দেশৰ জনসাধাৰণৰ মাজলৈ গণতন্ত্ৰ পুনৰ ঘূৰি আহিছে। কাৰণ এতিয়াও আমাৰ দেশত বুৰযোৱা শ্ৰেণীটোৱে দপধপাই আছে আৰু তেওঁলোকেই এতিয়াও প্ৰধান ভূমিকা লোৱাৰ সুবিধা হৈ আছে।কেন্দ্ৰৰ জনতা চৰকাৰে এই বুৰযোৱা শ্ৰেণীটোক এতিয়াও লৰচৰ কৰিব পৰা নাই। সেইকাৰণে এইটো কেতিয়াও আশা কৰিব নোৱাৰি যে তেওঁলোকে বুৰযোৱা শ্ৰেণীটোৰ শোষণ অন্ত পেলাই দেশৰ জনসাধাৰণক গণতন্ত্ৰৰ অধিকাৰ দিব পাৰিব। এই বুৰযোৱা গণতন্ত্ৰৰ শ্ৰেণীযুক্ত সমাজৰ দ্বাৰা দেশৰ শ্ৰমিক, কৃষক তথা দুখীয়া মানুহক তেওঁলোকৰ শোষণৰ পৰা কেতিয়াও উদ্ধাৰ কৰিব নোৱাৰে। গতিকে এনে ধৰণৰ প্ৰস্তাৱ এই সদনত নিশ্চয় গ্ৰহণযোগ্য হব নোৱাৰে। আনফালে মই শ্ৰেণী সংগ্ৰামৰ কথাও এৰাই যাব নোৱাৰো। সমাজবাদৰ নামত ১৯৫৪ চনৰ পৰাই কংগ্ৰেছৰ নেতাসকলে সমাজবাদৰ কথা সকলোকে কৈ স্বৈৰাতন্ত্ৰৰ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল আৰু দেশৰ জনসাধাৰণক পুজিপতিৰ হাতত তুলি দিবলৈ চেষ্টা কৰিছিল। সেইকাৰণে এনেধৰণৰ পুজিপতি আৰু শোষণকাৰী সকলে দেশৰ জনসাধাৰণক পুনৰ প্ৰতাৰণা কৰিব পাৰে। কাজেই সমাজবাদ প্ৰতিষ্ঠা কৰিবলৈ হলে এনে ধৰণৰ স্বৈৰাতন্ত্ৰ অনতিপলমে ধ্বংস কৰিব লাগিব। মই এইটো আশা কৰিছো জনতা চৰকাৰে দেশত পুনৰ সাংবিধানিক অধিকাৰ প্ৰতিষ্ঠা কৰি ৰাইজক কথা কোৱাৰ অধিকাৰ, সভা-সমিতি কৰাৰ অধিকাৰ আদি ৰক্ষা কৰিব। কিন্তু বাৰ

বৰযোৱা গণতন্ত্ৰ শ্ৰেণীযুক্ত সমাজবাদ প্ৰতিষ্ঠা কৰিব বুলি মই আশা কৰিব নোৱাৰো। কাৰণ এই বুৰযোৱা শ্ৰেণীটোৱে দেশত খুটি পুতি আছে— আৰু এই আমোলাতন্ত্ৰক এনেভাবে দেশত ৰাখিলে কেতিয়াও সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰা সম্ভৱ নহয়।

সেইকাৰণে মই নীতিগতভাবে অসমৰ ৰাইজক তথা জনসাধাৰণক যোৱা নিৰ্ব্বাচনৰফলস্বৰূপে অভিনন্দন জনাই এই প্ৰস্তাবটোৰ এই অংশটো সমৰ্থন কৰিব পাৰো— কিন্তু বাকী খিনি আমাৰ পক্ষৰ পৰা সমৰ্থন কৰিব নোৱাৰো।

শ্ৰীপূৰ্ণ বড়ো ঃ— উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদেবানন্দ বৰা দেৱে অনা প্ৰস্তাৱটো মই সমৰ্থন কৰিবলৈ টান পাইছো কিন্তু ইয়াক দলিয়াই পেলাবও বিচৰা নাই। আমি জানো দীৰ্ঘদিনীয়া কুশাসন অন্ত হোৱাৰ পাছত আমাৰ দেশত সাম্ৰাজ্যবাদ শোষণ এতিয়াও চলি আছে আৰু দেশী-বিদেশী একচেতীয়া পুজিপতি সকলৰ কুশোষন চলি আছে। আমাৰ দেশত যি চাহ বাগিছা আছে— সেই চাহ বাগিছা সমূহৰ মালিকানা এতিয়াও বিদেশীবুটিছ সকলৰ হাতত আছে। এই চাহ বাগিছা সমূহত যি সকল বনুৱাই কাম কৰি আছে সেইসকলে এই বিদেশী শোষক সকলৰ দ্বাৰা শোষিত হৈ আছে। বৰ্ত্তমান চাহ বাগিছাত যি চাহ উৎপাদন হয়— সিই উৎপাদন বৃদ্ধি হৈছে যদিও এই চাহ শ্ৰমিক সকলৰ কোনো প্ৰকাৰেই উপকাৰ হোৱা নাই। বিগত ২০ বছৰৰ ভিতৰত এই চাহ বাগিছা সমূহৰ পৰা ৯০ হেজাৰ বনুৱা চাটায় হৈছে আৰু এই চাহ বাগিছা সমূহত এতিয়াও যিসকল শ্ৰমিক বা মজদুৰ আছে— সেই বনুৱা সকলৰ চাটায় এই জনতা চৰকাৰৰ দিনতো অব্যাহত আছে। গতিকে এই সাম্ৰাজ্যবাদী অন্ত নেপেলালে ইয়াত কেতিয়াও সমাজবাদ হব নোৱাৰে। ইয়াত যিবিলাক তেল কোম্পানী আছে এই তেলকোম্পানী বিলাকতো বিদেশী মালিকানা চলিয়েই আছে, শোষণ চলিয়েই আছে আৰু ধুবুৰীত যি জুইশলা ফেক্টৰী আছে তাৰো মালিকজন চুইডেনৰ। এই বিদেশী সামন্তবাদৰ শোষণ যেতিয়ালৈকে বন্ধ কৰিব নোৱাৰে— তেতিয়ালৈকে নিশ্চয় আমাৰ ইয়াত সমাজবাদ নাহিব। এইদৰে যদি কৃষি অৰ্থনীতিৰ ক্ষেত্ৰত দৃষ্টি নিক্ষেপ কৰে তেতিয়াহলে তাত দেখিব আমাৰ দেশৰ যিসকল কৃষক আছে এই কৃষক সকল অৰ্দ্ধসামন্তবাদী শোষণৰ দ্বাৰা শোষিত হৈ আছে। এতিয়াও দেশত জমিদাৰী প্ৰথা চলিয়েই আছে। অসমৰ কৃষি অৰ্থনীতিত নিৰ্ভৰশীল যি শতকৰা ৯৩ ভাগ কৃষক আছে— তাৰ ভিতৰত শতকৰা ৫০ ভাগেই দুৰ্দশাগ্ৰষ্ঠ অৱস্হাত নিপতিত হৈছে। তেওঁলোকৰ হাতত খেতি কৰিবলৈ উপযুক্ত পৰিমাণৰ মাটি নাই। আৰ্নাপিনে এই কৃষকসকল ধ্বংশমূখী হব ধৰিছে। গতিকে আমি এই কৃষক শ্ৰেণীক ধ্বংসৰ মুখলৈ ঠেলি দি আমি কোনো ধৰণৰ সমাজবাদ আনিব নোৱাৰো। এই কৃষক সকলৰ শতকৰা ৩০ ভাগেই এতিয়া বনুৱাত পৰিণত হৈছে। আৰ্নাপিনে কৃষি মজদুৰৰ সংখ্যা চাৰিগুণ বৃদ্ধি হৈছে। এই দেশখনত যি শোষণ চলি আছে এই শোষণ যেতিয়ালৈকে চলি থাকিব তেতিয়ালৈকে সমাজবাদ সম্ভৱ নহয়। অলপ আগতে কমৰেড্ শ্ৰীবিৰেশ মিশ্ৰই বক্তব্য প্ৰকাশ কৰিছে যে সাংবিধানিক সুৰুঙা থকাৰ কাৰণে সাম্ৰাজ্যবাদী, এক চেতীয়া দেশী বিদেশী পুজিপতি আৰু অৰ্দ্ধ সামন্তবাদী ব্যৱস্হাৰ কাৰণে শোষণ চলি আছে। এই শোষণৰ পৰা জনসাধাৰণৰ মুক্ত নোহোৱালৈকে নিশ্চয় সমাজবাদ আহিব নোৱাৰে সেইকাৰণে এই প্ৰস্তাৱটো সমৰ্থন কৰিবলৈ টান হৈছে আৰু দলিয়াই পেলাবও বিচৰা নাই।

*শ্ৰীশৰল বৰা ঃ— উপাধ্যক্ষ ডাঙৰীয়া, আজিৰ এই সদনত জনতা পাৰ্টিৰ মাননীয় সদস্য শ্ৰীদেবানন্দ বৰা ডাঙৰীয়াই এটা প্ৰস্তাৱ উত্থাপন কৰিছে আৰু এই দেশৰ চৰকাৰটো গণতান্ত্ৰিক সমাজবাদী চৰকাৰ বুলি অভিহিত কৰিছে আৰু ইয়াক সমৰ্থন কৰাৰ কাৰণে

* Speech not corrected

আমাৰ ৰাজ্যত জনসাধাৰণক আহবান জনোৱা হৈছে। মই বিশেষকৈ এই গণতান্ত্রিক সমাজবাদ ব্যৱস্থা হব বুলি যিটো প্রস্তাৱ ডাঙি ধৰিছে তাৰ তীব্রভাবে বিৰোধীতা কৰিছো। কাৰণ কথাটো হল যে বৰ্ত্তমান চৰকাৰে এই দুখীয়া ৰাজ্যখনৰ দুখীয়া লোকসকলক সকাহ দিবৰ কাৰণে যিবিলাক আঁচনি লৈছে—সেই আঁচনি যদি শুদ্ধভাবে আমাৰ হাতত পাৰলেহে আমি সহযোগ কৰিম। কিন্তু আজি স্বাধীনতাৰ পিচৰে পৰা শাসনত থকা দলে আৰু এতিয়া যি নতুন চৰকাৰ শাসনৰ গাদীত উঠিছে — তেখেত সকলে সমাজবাদৰ নামত বহুত পেটাৰ্ণ কৰিছে আৰু বহুতো পেটাৰ্ণত সমাজবাদৰ কথা নাই।

এই সমাজবাদৰ কথা কৈ আমাৰ ৰাজ্যৰ আৰু দেশৰ জনসাধাৰণক ভুৱা দি আহিছে আৰু আমি এই নতুন চৰকাৰৰ পৰা যিটোআশা কৰিছিলো সেই আশা এতিয়া হতাশাত পৰিণত হৈছে। সেইকাৰণে আমি এই চৰকাৰৰ তীব্র বিৰোধীতা কৰিছো। কথা হৈছে এই চৰকাৰ বুৰ্জোৱা চৰকাৰ, জনতা দল আৰু আন দুই এটা দল লগ হৈ যি কোৱালিচন চৰকাৰ কৰিছে এই চৰকাৰ ধনীক শ্রেণীৰ চৰকাৰ, পুঁজিপাতিৰ চৰকাৰ। এই চৰকাৰৰ যি পথ সেই পথে গোটেই ৰাজ্যখনক তথা ভয়াবহ খাদ্যসংকটলৈ, ভয়াবহ নিবনুৱা সমস্যাৰ গৰাহলৈ ঠেলি দিছে। বয়-বস্তুৰ মূল্য বৃদ্ধি হোৱাৰ ফলত দেশৰ সংখ্যা গৰিষ্ঠ মানুহখিনিয়ে মূৰৰ ঘাম মাটিত পেলাই দুবেলা দুসাজ খাবলৈ নোপোৱা হৈছে, এক শ্রেণীৰ শোষকে শ্রমিক শ্রেণীৰ উৎপাদনখিনি আত্মসাত কৰিছে। ফলত দেশৰ শতকৰা ৯০/৯৫ ভাগ হালোৱা-হজুৱা, শ্রমিক, কৰ্মচাৰী, শিক্ষক আৰু সংখ্যাগৰিষ্ঠ শ্রেণীটোৰ নিৰাপতা নোহোৱা হৈ পৰিছে। চৰকাৰৰ এই প্রশাসন যন্ত্রটোৰ বিষয়ে সদনৰ বাহিৰে আৰু ভিতৰে যিবিলাক আলোচনা উত্থাপন হৈছে তাৰ মাজেদি এইটো পৰিস্কাৰ হৈছে যে চৰকাৰৰ প্রশাসন যন্ত্রটো বাহিৰে আৰু ভিতৰে ওপৰ গধূৰ হৈ পৰিছে যাৰে ফলত ৰাজ্যখনত অৰাজকতা, অন্যায়, অত্যাচাৰ আৰু অৰাজকতাই ৰাজত্ব কৰিছে। গতিকে এই চৰকাৰক সমাজবাদী, গণতান্ত্রিক চৰকাৰ বুলি অভিহিত কৰিব নোৱাৰি। এই চৰকাৰেই আমাৰ ৰাজ্যখনৰ জনসাধাৰণক ভুৱা দিব খুজিছে। তাৰ কাৰণে মই এই চৰকাৰক সাবধান কৰি দিব খুজিছোঁ। সমাজ বদিৰ নামত এই চৰকাৰে ধনীক ধনী কৰিছে আৰু দুখীয়াক দুখীয়া কৰিছে। আমাৰ দেশখনৰ আমোল পৰিবৰ্ত্তন কৰিবৰ হলে আমাৰ দেশখনত যি পুঁজিবাদী, সাম্রাজ্যবাদী আৰু এক চেটিয়া শাসন চলিছে তাৰ ধ্বংস কৰিব লাগিব। আজি আমাৰ দেশৰ কোটি কোটি মানুহে দুবেলা দুসাজ খাবলৈ পোৱা নাই, পিন্ধিবলৈ পোৱা নাই, উপযুক্ত খাদ্য নাই, শিক্ষা নাই, আৰু চিকিৎসা নাই। সেইকাৰণে মই এই চৰকাৰৰ বিৰোধিতা কৰিছো।

কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ সমূহক যেতিয়ালৈকে শক্তিশালী কৰি ঐক্যবদ্ধ ভাবে গঢ় দিব নোৱাৰে তেতিয়ালৈকে ইয়াৰ জনসাধাৰণে সুখ শান্তি পাব নোৱাৰে। মই মোৰ বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ পৰা কব খুজিছো যে আজি আমাৰ মানুহৰ উশাহ-নিশাহ বন্ধ হৈ যোৱাৰ উপক্রম হৈছে। আজি জনসাধাৰণে জনতা চৰকাৰৰ দোৰ কিমান সেইটো বুজি পাইছে। আজি আমাৰ দেশৰ কোটি কোটি মানুহে যি আশা আকাংখ্যাৰে জনতা চৰকাৰক গাদিলৈ আনিছে সেই আশা আকাংখ্যা পূৰণ নোহোৱাত মই এই চৰকাৰক হুঁচিয়াৰ কৰি দিছো। লগতে সমাজ বাদৰ নামত জনসাধাৰণক ভুৱা দিয়াৰ কাৰণে মই উদ্বেগ প্রকাশ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্রীবিৰেণ চৌধুৰী :— মাননীয় সদস্য গৰাকীয়ে যি প্রস্তাৱ আগ্রাহ্য কৰিছে তাৰ পৰা মই এইটো কথা জানিব বিচাৰিছো যে আমাত দীৰ্ঘ দিন ধৰি চলি থকা ৰাজনৈতিক সাম্রাজ্যবাদৰ হেতাঁ, আমোলাতান্ত্রিক অৰাজকতা এই সকলোবোৰ অগ্রাহ্য কৰিছে নে কি?

*Speech not corrected.

*শ্ৰীযোগেন গগৈ :— কথা হৈছে যিহেতু এই চৰকাৰ সমাজবাদ চৰকাৰ নহয় তাৰ লগতে আনুসঙ্গিক সকলো কথা আহিছে, মূলতঃ সমাজবাদি চৰকাৰ নহয়।

শ্ৰীবীৰেন্দ্ৰ চৌধুৰী :—মাননীয় উপাধ্যক্ষ মহোদয়, যিটো প্ৰস্তাৱ আলোচনা কৰিবলৈ লৈছে এই সম্পৰ্কত মই আলপ-আলোচনা কৰিবলৈ লৈছো। এই প্ৰস্তাৱটোত মই প্ৰধানকৈ তিনিটা ভাগ দেখিছো। প্ৰথম ভাগৰ সম্পৰ্কত কংগ্ৰেছৰ শাসনত দেশত দুনীৰ্তি ভৰি পৰিছিল, স্বেচ্ছাচাৰিতা চলিছিল, উপৰ গধুৰ আমোলাতান্ত্ৰিক ব্যৱস্হা চলিছিল। এই বিষয়ে মোৰ বিশেষ কবলগীয়া নাই। মই বিস্বাস কৰো এই প্ৰস্তাৱকে কোৱা মতে এই ব্যৱস্হা বিগত ৩১ বছৰ একচেতীয়া কংগ্ৰেছী শাসনে দেশ চলাইছিল। কিন্তু এই প্ৰস্তাৱৰ দ্বিতীয় ভাগত এটা নতুন প্ৰগতিবাদী গণতান্ত্ৰিক সমাজবাদী চৰকাৰ গঠন কৰি গণতন্ত্ৰৰ ভেটি সুদৃঢ় কৰাৰ কাৰণে আজিৰ এই বিধানসভাই অসমৰ ৰাইজলৈ ঐকান্তিক আৰু বৈপ্লবিক অভিনন্দন কৰাৰ লগতে এই অংশত প্ৰগতিবাদী আৰু গণতান্ত্ৰিক সমাজবাদী চৰকাৰ গঠন কৰি গনতন্ত্ৰৰ ভেটি সুদৃঢ় কৰাৰ কাৰণে এই অংশত মোৰ কবলগীয়া আছে।

উপাধ্যক্ষ মহোদয়, এই প্ৰস্তাৱৰ প্ৰথম অংশত কৈছে যে ইয়াত দৈৱৰতন্ত্ৰ চলিছে, দেশত দুনীৰ্তি ভৰি পৰিছে কংগ্ৰেছৰ আমোলত। আমাৰ দেশত দৈৱৰতন্ত্ৰ চলাৰ কাৰণ দুনীৰ্তি আহি পৰাৰ কাৰণ আৰু ওপৰ গধুৰ আমোলাতান্ত্ৰিক ব্যৱস্হা গঢ়ি উঠাৰ কাৰণ অনুসন্ধান নকৰাকৈ যদি এই প্ৰস্তাৱ কাৰ্য্যকৰী কৰিবলৈ যায় তেতিয়াহলে এইটো অবান্তৰ কথা হব। যদি বৰ্তমানৰ চৰকাৰ প্ৰগতিবাদী আৰু গণতান্ত্ৰিক হব লাগে এই চৰকাৰ দৈৱৰাচাৰী চৰকাৰত ৰূপান্তৰিত হব নেলাগে তেনেহলে আগৰ চৰকাৰ যি কাৰণত দৈৱৰাচাৰী হবলৈ বাধ্য হৈছিল সেই কাৰণ বিলাক আজি আতৰাব লাগিব। তেতিয়াহলেহে এই চৰকাৰ গনতান্ত্ৰিক চৰকাৰ হবলৈ সমৰ্থ হব।

উপাধ্যক্ষ মহোদয়, এই সম্পৰ্কত এই চৰকাৰৰ চৰিত্ৰ কি হব গণতান্ত্ৰিক প্ৰগতিবাদী হব নে নহয় সমাজবাদী হবনে নহয় এই বিষয়ে এতিয়াই আমি মতামত দাঙি ধৰাটো জটিল হৈ পৰিছে। আমি চাবলাগিব আজি আমি অন্ধৰ দৰে নোচোৱাকৈ কব নোৱাৰো এই চৰকাৰ প্ৰগতিবাদী আৰু সমাজবাদী চৰকাৰ। প্ৰকৃততে সচা কথা কবলৈ গলে অসমৰ জনতা চৰকাৰ বা কেন্দ্ৰৰ জনতা চৰকাৰৰ যি কাৰ্য্যপন্থা দেখা গৈছে তাক বিচাৰ কৰি চাই আমি এইটো বিশ্বাসকৰিবলৈ কোনো স্হল পোৱা নাই, এই চৰকাৰ সমাজবাদী হবনে গণতান্ত্ৰিক হব। কাৰণ আগৰ চৰকাৰে নিজকে গণতান্ত্ৰিক চৰকাৰ বুলি দাবী কৰিছিল, সমাজবাদী বুলি কৈছিল কিন্তু নিজকে সমাজবাদী আৰু গণতান্ত্ৰিক বুলি কোৱা স্বত্তেও দৈৱৰাচাৰী হবলৈ বাধ্য হৈছিল। কাৰণ সমগ্ৰ ভাৰতবৰ্ষৰ যি অৰ্থনৈতিক অৱস্হা চলি আছে একচেতীয়া পুজিবাদী শাসনত সমগ্ৰ দেশত যি অৰ্থনৈতিক সংকট আহি পৰিছে সেই অৰ্থনৈতিক সংকট এৰাই যাবলৈ কোনো চৰকাৰে প্ৰগতিবাদী সমাজতান্ত্ৰিক গ্ৰহন অৰ্থনীতি নকৰাকৈ নোৱাৰে কংগ্ৰেছৰ স্বৈৰাচাৰ প্ৰতিষ্ঠাৰ মূল কাৰণ হৈছে পুজিবাদী অৰ্থনীতিৰ সংকট বৰ্তমান চৰকাৰে যি অৰ্থনীতি কৰিছে এই নীতি তাতকৈ পৃথক নহয়। এই মূল কাৰণ জনতা চৰকাৰে অতৰাবলৈ চেষ্টা নকৰিলে এই চৰকাৰেও স্বৈৰাচাৰী হবলৈ বাধ্য হব। সেই কাৰণে মই কৈছো আমি মতামত নিদি এই বিষয়ে পৰ্য্যবেক্ষন কৰিব লাগিব। আমাৰ পুজিবাদী সংকট গৰচাই ইয়াৰ উৎপাদিত শক্তিৰ বিকাশ বাধাপ্ৰাপ্ত হৈছে, অৱৰুদ্ধ হৈছে, ইয়াৰ মুক্ত বিকাশ কৰিব নোৱাৰিলে এই চৰকাৰও স্বৈৰাচাৰী চৰকাৰ হব। সেইকাৰণে মই কৈছো এই চৰকাৰ প্ৰগতিবাদী আৰু সমাজবাদী আৰু গণতান্ত্ৰিক বুলি আখ্যা দিবলৈ হলে আমি দেখা পাবলাগিব যে উৎপাদিকা শক্তিৰ যিটো অৱৰুদ্ধ অৱস্হা, তাক মুকলি কৰি দিয়াৰ কাৰণে যিটো প্ৰাথমিক কৰণীয় কাম সেইটো কৰিবলৈ আৰম্ভ কৰিবলাগিব। কিন্তু কৰা নাই।

*Speech not corrected.

উপাধ্যক্ষ মহোদয়, আগৰ বক্তা সকলে কৈ গৈছে যে এতিয়াও কৃষকে জধে-মধে উচ্ছেদৰ নোটিশ পাইছে। অৱশ্যে চৰকাৰে উচ্ছেদ বন্ধ নাই বুলি কৈছে। কিন্তু উচ্ছেদৰ নোটিশ মোৰ হাততো আছে। ছাটাই চলিয়েই আছে, হার্ডবোর্ড উদ্যোগ বন্ধ হৈ গৈছে। তাৰ কৰ্ম্মীসকলে চৰকাৰৰ ওৰচত ডেপুটেচন দিছিলে। ইয়াৰ ৫।৬ শ শ্ৰমিক আজি নিবনুৱা হৈ পৰিছে। এইবিলাকৰ অৱস্থা চলিছে। আমাৰ কামৰ উৎপাদিকাশক্তি বিকাশৰ কাৰণে, সমাজবাদী গাঠনি তৈয়াৰ কৰাৰ কাৰণে, সমাজবাদী সমাজ তান্ত্ৰিক ব্যৱস্থা প্ৰতিষ্ঠা কৰাৰ কাৰণে চৰকাৰ আগবঢ়া নাই স্বৈৰাতন্ত্ৰৰ ফালেহে আগবাঢ়িছে বুলি আমি কবলৈ বাধ্য হৈছো। উপাধ্যক্ষ মহোদয়, এই কাৰণেই কৈছো আমাৰ এই অৰ্থনৈতিক সংকটৰ পৰা দেশক মুক্ত কৰিব লাগিব, তেতিয়াহে ভাৰতবষত সমাজবাদী সমাজ ৰূপে গঢ়াৰ পথেৰে আগবাঢ়িব পাৰিব। গণতান্ত্ৰিক ব্যৱস্থা প্ৰতিষ্ঠা কৰিবলৈ যদি চৰকাৰৰ লক্ষ্য সচাকৈয়ে হয় তেতিয়াহলে প্ৰাথমিক কাম দেশত আজি যি শতকৰা ৭৫ ভাগ মানুহৰ ক্ৰয় ক্ষমতা নোহোৱা হৈছে। বিশেষকৈ ভূমিহীন কৃষক আৰু নিবনুৱা সকল, এই সকলৰ ক্ৰয় শক্তি নোহোৱা হৈ গৈছে।

আজি এই পুজিবাদী অৰ্থনীতিৰ বজাৰ সংকোচিত হোৱাৰ মূল কাৰণ হল বজাৰ সংকোচন। বজাৰ সংকোচন বন্ধ কৰি বজাৰ মুক্ত কৰাটো বিকশিত কৰাটো চৰকাৰৰ কৰ্ত্তব্য। এই বজাৰ সংকোচন বন্ধ কৰিবলৈ যদি চেষ্টা নকৰে তেতিয়া আমি কম এই চৰকাৰ স্বৈৰাতন্ত্ৰলৈ ৰূপান্তৰিত হবলৈ গৈছে, এই চৰকাৰ সমাজবাদী নহয়, প্ৰগতিবাদী নহয়। এই চৰকাৰে যদি কৃষকৰ উচ্ছেদ বন্ধ কৰে, নিবনুৱাৰ সংস্থান তৈয়াৰ কৰে, চাতাই বন্ধ কৰে, শ্ৰমিকৰ স্বাৰ্থৰ প্ৰতি চেষ্টা কৰে এই বিলাক দেখি আমি মন্তব্য কৰিম এই চৰকাৰ সমাজবাদী হয়, প্ৰগতিবাদী হয়। আজি এই প্ৰস্তাৱৰ ওপৰত আমি সমৰ্থন আগবঢ়াব নোৱাৰো। আমি আশা ৰাখিছো এই প্ৰস্তাৱৰ নীতিত খাপ খাই কামত আগ বাঢ়িব। তেতিয়া আমি এই প্ৰস্তাৱৰ সম্পৰ্কত বিবেচনা কৰি ভৱিষ্যতে আমাৰ মন্তব্য ৰাখিম।

শ্ৰীশশ কমল সন্দিকৈঃ উপাধ্যক্ষ মহোদয়, শ্ৰীদেবানন্দ বৰা ডাঙৰীয়াই উত্থাপন কৰা প্ৰস্তাব সম্পৰ্কত আমাৰ দলৰ তৰফৰ পৰা ইতিমধ্যে কৈছে। তেনে ধৰণৰে প্ৰস্তাবৰ আগৰ ডোখৰত মইও সমৰ্থন আগবঢ়াব বিচাৰিছো। অসমত ৩১ বছৰৰ পিচত স্বৈৰাচাৰী এটা চৰকাৰক ক্ষমতাচ্যুত কৰি অসমৰ জনসাধাৰণে প্ৰথম বাৰৰ কাৰণে অসমত নতুন এটা চৰকাৰ প্ৰতিষ্ঠা কৰিছে আৰু গণতন্ত্ৰৰ ভেটি সুপ্ৰতিষ্ঠাত কৰিবলৈ ওলাইছে, এই ক্ষেত্ৰত অসমৰ জনসাধাৰণক নিশ্চয় অভিনন্দন জনাব লাগিব। লগতে বিগত চৰকাৰৰ যি চৰিত্ৰ তাক যদি আৰু স্পষ্টকৈ ভাবে দাঙি ধৰিলেহেতেন তেনেহলে প্ৰস্তাবটোৰ সম্বন্ধে আমাৰ মন্তব্য আৰু সুষ্ঠ ভাৱে প্ৰকাশ কৰিবলৈ সুবিধা পালোহেতেন। বিগত দিনত আমি দেখি-ছিলো পুজিবাদক ৰক্ষা কৰিবৰ কাৰণে, একচেতীয়া সুজিপতি জমিদাৰ, জোটদাৰ, সকলৰ স্বাৰ্থ ৰক্ষাকৰিবৰ কাৰণে বিদেশী সাম্ৰাজ্যবাদী সকলৰ বহতীয়া চৰকাৰে জৰুৰী অৱস্থা ঘোষণা কৰি পুজিবাদী সংকটৰ বোজা জনসাধাৰণৰ ওপৰত জাপি দি অত্যাচাৰ কৰিছিল আৰু সমগ্ৰ দেশ খনকে এখন জেইলত পৰিণত কৰিছিল। সেই সময়ত আমি অতি বেদনা অনুভৱ কৰিছিলো যে ভাৰতত নিজকে বামপন্থী প্ৰগতিশীল দল হিচাবে পৰিচয় দিয়া এটি বামপন্থী দলে এই কংগ্ৰেছ চৰকাৰৰ অগণতান্ত্ৰিক স্বৈৰাচাৰী প্ৰচেষ্টাক সমৰ্থন দিছিল। ভাৰতৰ জনসাধাৰণেসম্বোচিত ভাবে বিগত লোক সভাৰ নিৰ্ব্বাচনত আৰু অসম বিধান সভাৰ নিৰ্ব্বাচনত এই কাৰ্য্যৰ জবাব দিছে এই কাৰণে নিশ্চয় জনসাধাৰণ ধন্যবাদৰ পাত্ৰ। প্ৰস্তাবত গণতান্ত্ৰিক সমাজবাদৰ কথা কোৱা হৈছে সমাজবাদ একমাত্ৰ শ্ৰমিকৰ নেতত্বত প্ৰতিষ্ঠিত হব পাৰে। সমাজবাদৰ কথা ভাৰত স্বাধীন হোৱাৰ পিচত জৱাহৰ লাল নেহৰুৰ জীৱন কালৰ পৰা তেওঁৰ জীয়েক ইন্দিৰা গান্ধীৰ দিনলৈকে কংগ্ৰেছে বহুবাৰ কলে। কিন্তু পিচত জনসাধাৰণৰ ওপৰত জোৰ জুলুম, অত্যাচাৰ, অনাচাৰ জাপি দিলে। ভাৰতবৰ্ষত সমাজবাদ এই কাৰণে নহল ভাৰতত ক্ষমতাত অধিষ্ঠিত এই চৰকাৰটো শ্ৰমিক শ্ৰেণীৰ

নেতৃত্বত প্ৰতিষ্ঠিত হোৱা চৰকাৰ নাছিল। ভাৰতৰ জনসাধাৰণে শ্ৰমিকৰ নেতৃত্বত কৃষকৰ সহযোগীতাত মুক্তি সংগ্ৰামৰ যোগেদি ক্ষমতা দখল কৰা নাছিল। বিদেশী সাম্ৰাজ্যবাদী বিলাকৰ, ভাৰতৰ জমিদাৰ সকলৰ, পুঁজিপতি সকলৰ শোষণ বজাই ৰাখিবৰ কাৰণে কংগ্ৰেছক শাসন ভাৰ দিছিল। ফলত কি দেখিলো ? সমাজবাদ সম্বন্ধে সদনত বিভিন্ন বিৰ্তকৰ অৱতাৰণা হৈছে। গণতান্ত্ৰিক সমাজবাদ, মহাত্মা গান্ধীৰ সমাজবাদ আদি বিভিন্ন ধৰণৰ সমাজবাদৰ কথা কৈছে। আমাৰ দেশ স্বাধীন হবৰ ৩১ বছৰ হল। দুবছৰৰ পিচত স্বাধীন হৈছিল চীন প্ৰজাতন্ত্ৰ, শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত চৰকাৰে আৰু ক্ষমতা দখল কৰিছিল চীনৰ কমিউনিষ্ঠ পাৰ্টিৰ লগত আমাৰ হল ৰাজনৈতিক কৌশলৰ পাৰ্থক্য আছে। ১৯৭৪ চনত সমগ্ৰ পুঁজিবাদী দেশত মূল্য বৃদ্ধি হৈছিল। বিশ্ববেংকৰ ৰিপোৰ্টত সমাজবাদী দেশ আৰু পুঁজিবাদী দেশৰ অৰ্থনীতি সম্পৰ্কে প্ৰমাণ পোৱা গৈছিল। তেতিয়া বিশ্বৰ কিছুমান দেশত বস্তুৰ মূল্যে বৃদ্ধিৰ অৱতাৰণা কৰি ইন্দিৰা গান্ধীয়ে কৈছিল গোটেই বিশ্বতে যেতিয়া বস্তুৰ দাম বাঢ়িছে ভাৰত বিশ্বৰ অঙ্গ, সেই কাৰণে ভাৰততো বাঢ়িছে। এই দৰে কৈ শ্ৰমিকআন্দোলনক, ধৰ্মঘটক নিষ্ঠুৰ ভাবে দমন কৰিছিল আৰু জনসাধাৰণৰ মাজত ভুৱা প্ৰচাৰ কৰিছিল। সেই সময়ত দেখা যায় চীন ৰাচিয়া আদি সমাজবাদী দেশত ১৯৫০ চনৰ পৰা ১৯৭৪ পৰ্য্যন্ত এক পইচা মূল্য বৃদ্ধি হোৱা নাছিল। চীন দেশ স্বাধীন হোৱাৰ আগতে আমাৰ দেশতকৈ বহু বেচি গৰীব অৱস্থাত আছিল। আজিও সেই দেশত বস্তুৰ দাম বঢ়া নাই, চোৰ নাই। সম্প্ৰতি গায়ত্ৰ দেবীয়ে ভ্ৰমণ কৰি আহিছে। তেওঁ লিখা কিছুমান কিতাপ-পত্ৰ ওলাইছে। তেখেতে কোনো কমিউনিষ্ট নহয় আৰু মহাত্মা গান্ধীৰ আদৰ্শতহে বিশ্বাস কৰে। তেখেতে লিখিছে চীন দেশৰ লগত তেখেতৰ ৰাজনৈতিক মতামত নিমিলে সেই দেশত মানুহৰ অভাৱ অনাটন নাই অৰ্থনীতিৰ আমোল পৰিবৰ্তন কৰিছে। উৎপাদন আৰু বিতৰণ ব্যৱস্থা শ্ৰমিক শ্ৰেণীৰ হাতত। তাত উৎপাদনকাৰীয়ে বিতৰণ কৰে। আমাৰ ইয়াত মালিকৰ কাৰণে শ্ৰমিকে ফল ভোগ কৰিবলৈ নাপায়। উদাহৰণ স্বৰূপে শ্ৰীনৰুল হুদই প্ৰশ্ন যি উত্থাপন কৰি কৰিমগঞ্জৰ চাহ বাগানৰ কথালৈ আঙুলিয়াই দিব বিচাৰো। আমাৰ ইয়াত বাগিচাৰ বনুৱা সকলক নিষ্ঠুৰ ভাবে চাকৰিৰ পৰা খেদাই দিয়া হয়। গোৱালপাৰাত অকল খেদাই দিয়াই নহয় ঘৰত সোমাবলৈও নিদিয়ে। চাকৰিৰ পৰা খেদাই দিয়াৰ পিচত সেই সকল মজদুৰে লেবাৰ বৰ্ডত কেচ তৰিছে। তেনে সময়ত মালিক পক্ষই পুলিচ মিলিটাৰী লগাই অত্যাচাৰ কৰিছে। যোৱা চাৰি বছৰৰ ভিতৰত ভাৰতীয় চাহ বাগান বিলাকে চাৰিশ গুণ মুনাফা লাভ কৰিছে। বনুৱাৰ হাজিৰা বঢ়া নাই। চৰকাৰেও বনুৱাক নিষ্ঠুৰ ভাবে দমন কৰাৰ পদক্ষেপহে লৈছে। সদনত আলোচিত হৈছে কংগ্ৰেছ আমোলৰ ধৰণে বৰ্তমান জনতা চৰকাৰৰ শাসন ব্যৱস্থাত গোটেই ভাৰতত তিনিশ শ্ৰমিক কৃষকক গুলীয়াই হত্যা কৰা হৈছে। অপৰাধ কি আছিল ? দৰ্মহা বেচি বিচাৰিছিল। ভূতলিঙ্গম কমিচনে মজদুৰ সকলৰ নিম্নতম দৈনিক হাজিৰা নিৰিখ হিচাবে চাৰি টকা বান্ধি দিছে আৰু মাহিলি এশৰ কম নহব ডেৰশৰ বেচি নোহোৱাৰ পৰামৰ্শ দিছে। ৰাজস্থান চৰকাৰে অৰডিনেন্স জাৰি কৰি কৃষি মজদুৰৰ দৈনিক হাজিৰা ১২ টকা কৰিছিল। কিন্তু জনতা চৰকাৰৰ দিনত ভূতলিঙ্গম কমিচনে শ্ৰমিকৰ দৈনিক হাজিৰা ৪ টকাহে নিৰূপণ কৰিছে। মই চৰকাৰক আহ্বান জনাইছো যাতে গণতান্ত্ৰিক আন্দোলন কৰা শ্ৰমিক সকলে মালিকৰ শোষণৰ পৰা মুক্ত হয় আৰু নিৰাপত্তা পায় আৰু ব্যৱস্থা কৰক। মজদুৰ সকলক জোৰ জুলুম কৰি বিনা বিচাৰে পুলিচ মিলিটাৰীয়ে জেইলত দিয়াৰ ব্যৱস্থা বন্ধ কৰক।

উপাধ্যক্ষ মহোদয়, মজদুৰ সকলে সংগঠন কৰিলে আমাৰ চৰকাৰে পুলিচ মিলিটেৰী লগায়। এইটো কেতিয়াও সমাজবাদী ব্যৱস্থা হব নোৱাৰে। অসম চৰকাৰৰ শ্ৰম মন্ত্ৰীক যেতিয়া কোৱা হয় যে, মজদুৰ সকলক এনে ধৰণৰ ব্যৱস্থা কিয় কৰিছে তেতিয়া অসম চৰকাৰৰ মন্ত্ৰীয়ে কয় যে, এইটো সংবিধানত লিখা আছে। আমাৰ মজদুৰ সকলে আন্দোলন কৰিলে, বা যোৱা বছৰ চৰকাৰী চাকৰিয়ালে ধৰ্মঘট কৰাৰ পাচত ইলেকচনৰ পিচতে যধে মধে ট্ৰেন্সফাৰ কৰা হল। আমাৰ জনতা চৰকাৰে কৈছিল যে, প্ৰটেকটেদ ওৱৰ্ক-

মেন সকলক ট্ৰেন্সফাৰ কৰা নহয়। কিন্তু কাৰ্যক্ষেত্ৰত সেইটো নহল। বঙাইগাৱলৈ, নামৰূপৰ এ, এছ, ই, বিব কেৰানীকো ট্ৰেন্সফাৰ কৰা হল। ইয়াৰোপৰি কংগ্ৰেছৰ আমোলতেই নহয়, নিৰ্ব্বাচনৰ পিচতো গোৱালপাৰা জিলাত কৃষ্ণকলি বাগিছাত মজদুৰ সকলক চাটাই কৰা হৈছিল এই জনতা চৰকাৰৰ দিনতে। এই সম্পৰ্কত লেবাৰ কমিচনাৰৰ লগত আলোচনা কৰিবৰ কাৰণে অখিল ভাৰতীয় চাহ মজদুৰ সংঘৰ অসম শাখাৰ সম্পাদক আৰু মই নিজেও গৈছিলো। সেই সময়ত লেবাৰ কমিচনাৰ অফিচত নাছিল গতিকে দেপুটি লেবাৰ কমিচনাৰৰ ওচৰলৈকে গৈছিলো। কাৰণ টি প্লেনটেচনৰ শাখাটো এই দেপুটি লেবাৰ কমিচনাৰৰ পৰিচালনাধীন কৃষ্ণকলি বাগিছাত মে' দে পতাৰ বাবেই লেবাৰ চাটাই কৰা হৈছিল। কাৰণ তাত অখিল ভাৰত চাহ মজদুৰ সংঘৰ সদস্য সকল আৰু মজদুৰ সকলৰ শতকৰা ৯০ ভাগ মজদুৰে ৰক্ত পতাকা উৰাই মে দিবস পালন কৰিছিল। দেপুটি লেবাৰ কমিচনাৰে অসমৰ্থতা প্ৰকাশ কৰি কৈছিল যে, এই বিষয়ে লেবাৰ কমিচনাৰ আহিলে আলোচনা কৰাটো উচিত। ইতিমধ্যে লেবাৰ কমিচনাৰ আহিল তেতিয়া আমি আলোচনা কৰিব বিচাৰোতে তেখেতে পুনৰ দেপুটি লেবাৰ কমিচনাৰৰ ওচৰলৈ পঠিয়াই দিলে। এইদৰে এজনে আনজনৰ ওচৰলৈ পঠিয়াই দায়ীত্ব এৰি দিয়াৰ কোনো কাৰণ বিচাৰি নাপালো। কাৰণ মই এজন নিৰ্ব্বাচিত সদস্য। এইদৰেই আমোলা সকলে শ্ৰমিক সকলৰ নিৰাপত্তা নাইকীয়া কৰি পেলাইছে আমাৰ আমোলা সকলে মালিকৰ লাভত হাতদিয়াটো সহ্য নকৰে। যেতিয়া আমাৰ ভাৰতৰ বিভিন্ন ৰাজ্যৰ ৰাজ্যিক কৰ্ম্মচাৰী সকলৰ দৰে অসমৰ কৰ্ম্মচাৰী সকলে আন্দোলন কৰিছিল, আৰু জনতা পাৰ্টিয়ে সমৰ্থন কৰিছিল, সেই অপৰাধতেডিব্ৰুগড় জিলাৰ ৰাজ্যিক কৰ্ম্মচাৰী সকলৰ কেইজনমানক শাস্তি হিচাবে ইউ, দিব পৰা এল, দিলৈ নমাই দিয়া হল। এতিয়া এজনৰ ওপৰত পুলিচৰ কেচো দিয়া হৈছিল। যেতিয়া চৰকাৰে মজদুৰ শ্ৰেণীৰ বিৰোধে এনে ধৰণৰ আক্ৰমণ কৰে, অত্যাচাৰ কৰে আৰু যদি সেই অত্যাচাৰৰ পৰিবৰ্ত্তন নহয় তেনেহলে কেতিয়াও সমাজবাদী সমাজ গঢ়ি উঠিব নোৱাৰে। গতিকে আমি প্ৰস্তাৱটোৰ শেষ অংশ স্বাভাবিকতেই সমৰ্থন কৰিব নোৱাৰো। যেতিয়া মহাৰাষ্ট্ৰত ৰাজ্যিক কৰ্ম্মচাৰী সকলে আন্দোলন কৰিছিল, তেতিয়া আমাৰ প্ৰধান মন্ত্ৰী মোৰাৰজী দেশায়ে কৈছিল যে, আগতে আন্দোলন বন্ধ কৰক নহলে কথা নাপাতিম ই কি সমাজবাদৰ নমুনা ? ইয়াৰোপৰি যেতিয়ালৈকে শ্ৰমিকসকলে সংগঠন কৰিব নোৱাৰে, বা সংগঠন বিলাকে উচ্চ কৰ্ত্তৃপক্ষৰ লগত আলোচনাত বহিব নোৱাৰে, যেতিয়ালৈকে মালিকানা স্বত্ব নিমূৰ্ল কৰিব নোৱাৰে তেতিয়ালৈকে প্ৰকৃত সমাজবাদ প্ৰতিষ্ঠা কৰিব নোৱাৰে। জনতা চৰকাৰে অসমৰ চাহ বাগিচা সমূহত মজদুৰ সকলৰ বাবে কি কৰিলে ? আজি টাটা, কিনলে আদি চাহ বাগিছা সমূহত সুবিধা পাইছে। অসমৰ চাহ সম্পদ লুন্থন কৰিবৰ কাৰণে শতকৰা ২০ ভাগ মূলধন পৰিশোধ কৰি বিদেশী কোম্পানীয়ে মালিক স্বত্ব টাটাই লাভ কৰিবৰ কাৰণে মূলধনৰ বাকী অংশ ২০ বছৰত পৰিশোধ কৰি লুন্ঠন কৰিবলৈ বিদেশী কোম্পানীয়ে মালিকি স্বত্ব লাভ কৰিছে। ইয়াৰোপৰি টাটাৰ নামত বহুজাতিক নিগম বিলাকে অসমত খোপনি পুতিছে। পূজিপতি সকলৰ বাদেই দিলো চৰকাৰৰ কৰ্পৰেচনৰ তলত থকা ধেকিয়াজুলি চাহ বাগিচাত কি দেখা গৈছে, তাত ডাক্তৰ নাই, নাৰ্চ নাই মিদ ওৱাইফ নাই। অসম চৰকাৰে শ্ৰমিক শ্ৰেণীৰ, মেহনতি কৰা মানুহৰ প্ৰতি কোনো আগ্ৰহ দেখুৱা নাই। আজি অসমৰ ৰাজনীতিৰ পৰিবৰ্ত্তন আহিছে। সুদীৰ্ঘ ১৩ বছৰৰ কংগ্ৰেছৰ হাতত নিস্পেষণৰ মাৰ খোৱাৰ পিচত জনসাধাৰণৰ মাজত পৰিবৰ্ত্তন আহিছে। কংগ্ৰেছ চৰকাৰক ৰাইজে ক্ষমা নকৰিলে। উপাধ্যক্ষ মহোদয়, আজি যদি আমাৰ জনতা চৰকাৰে নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰে কৃষকৰ উচ্ছেদ বন্ধ কৰিব নোৱাৰে, তেতিয়া হলে দেশত কেতিয়ায়াও সমাজবাদ প্ৰতিষ্ঠা কৰিব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, সম্পূৰ্ণ সাংবিধানিক ভাবে নিৰ্ব্বাচনৰ ইস্তাহাৰত চাকৰি পোৱাৰ মৌলিক অধিকাৰ হিচাবে স্বকৃতিৰ দিয়াৰ প্ৰতিশ্ৰুতি দিছিল, এই আইন প্ৰযোজ্য হলে নিবনুৱা যুৱকে চাকৰি নোপোৱাৰ অপৰাধত মোকদ্দমা তৰাৰ অধিকাৰ লাভ কৰিব

সেইটো ডাঙৰ কথা, অন্ততঃ নিবন্দৰা ভাট্টাকে দিয়কচোন। মই জনতা পাৰ্টিৰ সদস্য সকলক অনুৰোধ কৰিম, আপোনাসকলে আপোনাৰ চৰকাৰক বাধ্য কৰক যাতে নিৰ্ব্বাচনী প্ৰতিশ্ৰুতি বিলাক গণতান্ত্ৰিক উপায়েৰে পালন কৰে। ইয়াকে আশা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Mr. Deputy Speaker:—I would like to draw your attention that there are other 10 resolutions. I think very elaborate discussion has taken place on this resolution and I believe the hon. members have formed a decision. I think we should stop discussior at this stage. I would like to draw the attention of the Hon'ble Chief Minister.

শ্ৰীমতী আনোৱাৰা টাইমুৰ :— মাননীয় উপাধ্যক্ষ মহোদয়, সকলো দলৰ পৰাই এজন এজনকৈ কবলৈ দিয়া হৈছে। আমাৰ ফালৰ পৰা হে কবলৈ দিয়া নাই। আমাৰো কিছু বক্তব্য আছিল।

Mr. Deputy Speaker:—We have not recorded your name for this resolution as you were not willing to participate in the discussion of this resolution. So you were not allowed to speak. If you are eager to speak you can speak but we must finish this resolution today It has already taken two days.

* শ্ৰীমতী আনোৱাৰা টাইমুৰ :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়াই যিটো প্ৰস্তাব আনিছে সেইটো সম্পূৰ্ণ অবাস্তব প্ৰস্তব আৰু ইয়াৰ মই তীব্ৰ বিৰোধীতা কৰিছো। এই প্ৰস্তাৱত দীৰ্ঘ দিন চলি থকা বুলি যিটো কথা কোৱা হৈছে তাত কিমান সময়ৰ পৰা সামৰা হৈছে সেইটোৰ কোনো উল্লেখ কৰা হোৱা নাই। কিন্তু হলেও মাননীয় সদস্য সকলে যি ৩০ বছৰৰ কথা কৈছে তাৰ পৰাই এইটো বুজাগৈছে যে, যি সকলে ভাৰতবৰ্ষৰ স্বাধীনতা আনিবৰ কাৰণে কাৰাবৰণকে আদি কৰি অশেষ কষ্টভোগ কৰিছিল আৰু যি সকলে এই দেশখনৰ স্বাধীনতাৰ কাৰণে পুলিশৰ বেত্ৰাঘাত আদিকো বিনাদ্বিধাই সহ্য কৰিছিল সেই সকলৰ কথাকেই ইয়াত কোৱা হৈছে। স্বৰ্গীয় গোপীনাথ বৰদলৈকে আদিকৰি যি কেইজন মুখ্যমন্ত্ৰীয়ে ৰাইজৰ বিপুলভোটত জয় লাভ কৰি এই বিধান সভালৈ আহি মুখ্যমন্ত্ৰীত্ব গ্ৰহণ কৰিছিলহি সেই সকলকো এই প্ৰস্তাৱৰ জৰিয়তে সামৰা হৈছে।

* শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— অসমৰ এসময়ৰ মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই স্বাধীনতা সংগ্ৰামৰ নামত তৃণ কুটা এগছো দি পোৱা নাছিল। স্বাধীনতাৰ বিৰোধে ইংৰাজৰ ঠিকাহে কৰিছিল।

* শ্ৰীমতী আনোৱাৰা টাইমুৰ :— সেইটো কথা আমি কব পৰা নাই। কিন্তু মাননীয় সদস্য সকলৰ ভাষণৰ পৰা যিটো বুজা গৈছে এই ৩০ বছৰীয়া শাসনৰ উল্লেখ কৰি কিজানি আমাৰ মহাত্মা গান্ধীকো সামৰি লোৱা হৈছে।

(সদনত হুলস্থুল)

* শ্ৰীগোলোক কাকতি :— মহাত্মা গান্ধীৰ এইদৰে অপমানিত নকৰাই ভাল।

* শ্ৰীমতী আনোৱাৰা টাইমুৰ :— ভাৰতবৰ্ষৰ কোনো প্ৰদেশতে এনেকুৱা ৰাজনৈতিক ইচ্ছাপ্ৰণোদিত হৈ কাম কৰা দেখা নাই।

*Speech not corrected,

Shri Nurul Huda:—Mr. Deputy Speaker Sir, it does not behave the hon lady member to say that this plateform has been used by a particular party for their political ends because it was the Congress party who not only used this plateform but all other platforms for their political ends for long 31 years.

Mr. Deputy Speaker:--While a hon. member speaks other members should not intervene.

* শ্ৰীমতী আনোৱাৰা টাইমুৰ:— যোৱা ৩০ বছৰৰ ভিতৰতেই জনতা চৰকাৰৰ নিচিনাকৈ ৬২ জন বিৰোধী দলৰ পৰা আৰু ৬৪ জন নিজৰ পাৰ্টিৰ মানুহ লগ হৈ চৰকাৰ গঠন কৰা নাছিল।

* শ্ৰীগোলোক কাৰ্কি:— নিজৰ কথা কই আপোনি কাটিছে।

* শ্ৰীমতী আনোৱাৰা টাইমুৰ:— এখন এখনকৈ তিনি খন প্ৰদেশত কংগ্ৰেছী চৰকাৰ গঠিত হৈছে। আলমগড়ৰ পৰিস্থিতিটো আপোনালোকে জানেই। বেংক ৰাষ্ট্ৰীয় কৰণ কৰাৰ সময়ত যি জনে বিৰোধীতা কৰিছিল সেই জনকে আজি প্ৰধানমন্ত্ৰী হিচাবে পাতি আপোনালোকে সমাজবাদৰ কথা কৈছে।

* শ্ৰীঅতুল চন্দ্ৰ গোস্বামী:— মাৰুতী কোম্পানীক পইচা দিবৰ কাৰণেইহে বেংক ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল।

Mr. DEPUTY SPEAKER : I request the Hon'ble Member not to disturb when one Hon'ble Members is speaking.

* শ্ৰীমতী আনোৱাৰা টাইমুৰ:— পুঁজিবাদী সকলক বিতাৰিত কৰিবৰ কাৰণেহে ব্যৱস্থা কৰিছিল। সেইকাৰণেইহে আজি শ্ৰীমতী ইন্দিৰা গান্ধীক জাতীয় নেতা বুলি স্বীকৃতি দিয়া হৈছে।

* শ্ৰীঅতুল চন্দ্ৰ গোস্বামী:— মাননীয় উপাধ্যক্ষ মহোদয়, ডাণ্ট বিনত পেলোৱাৰ পিছতো যদি শ্ৰীমতী ইন্দিৰা গান্ধীক জাতীয় নেতা বুলি কয় তেতিয়াহলে, একো মোকোৱাকৈ কেনেকৈ থাকো?

* শ্ৰীমতী আনোৱাৰা টাইমুৰ:— যি সকল এসময়ত কংগ্ৰেছৰ লগত ওতঃপ্ৰোত ভাবত জড়িত আছিল সেই সকলৰে এজন এতিয়া সভাপতি পৰ্য্যন্তও হৈছে। সেই সকলেই আজি জনতা পাৰ্টীৰ হৰ্ত্তাকৰ্ত্তা।

* শ্ৰীঅতুল চন্দ্ৰ গোস্বামী:— মাননীয়া সদস্যা গৰাকীয়ে এইটো কথাও জনা উচিত হব যে, যি শ্ৰীদেৱকান্ত বৰুৱা এসময়ত কংগ্ৰেছৰ সভাপতি আছিল সেই বৰুৱা চাহাবেই এসময়ত জাতীয়তাবাদী দলৰ সভাপতি আছিল।

Mr. DEPUTY SPEAKER : There should not be any disturbance. We donot want any running commentary.

---

*Speech not corrected.

*শ্ৰীমতী আনোৱাৰা টাইমুৰ :— যিসকলে সমাজ বাদৰ কাম কৰিব খোজে সেই সকলকেই এতিয়া নিগেটিভ্ বিশেষণ ব্যৱহাৰ কৰি এই প্ৰস্তাৱ আনিছে।

বৰ্ত্তমান ইয়াত বেপাৰীৰ গণতন্ত্ৰ চলিছে ক'লা বজাৰৰ গণতন্ত্ৰ চলিছে আৰু হোৰ্দাৰৰ গণতন্ত্ৰ চলিছে, সেইকাৰণেই দুখীয়া ৰাইজে আজি এখাজ খাবলৈ, এমুঠি খাবলৈ পোৱা নাই। আজি ইয়াত কিয়, মণিপুৰতো নিমখৰ কিলো ২·০০ টকা হৈছে। প্ৰধান মন্ত্ৰীয়ে কৈছিল যে বস্তুৰ দাম কমিছে, কিন্তু বস্তুৰ দাম ক'ত কমিছে? এনেবিলাক অবাস্তৱ কথা কৈ আমাৰ দুখীয়া ৰাইজৰ সমৰ্থন বিচাৰিছে। স্বাধীনতা পোৱাৰ পিচত যি বোৰ প্লেন এণ্ড পলিচি গ্ৰহণ কৰা হৈছিল সেই বিলাকৰ এতিয়া আমোল পৰিবৰ্ত্তন আনি আমাৰ দেশখনত এটা বিৰাট বিশৃংখলাৰ সৃষ্টি কৰিছে। বিশ্ববিদ্যালয় বিলাকত আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত আৰু আমাৰ বিভিন্ন শ্ৰমিক সকলৰ মাজত এক অশান্ত অৱস্থাৰ সৃষ্টি হৈছে। আগতে আমাৰ ৰাজ্যখনত যেনেদৰে কিছুমান সমাজবাদী পদক্ষেপ লোৱা হৈছিল এতিয়া তাৰ পৰা আতৰি গৈ আমাৰ দুখীয়া মানুহবিলাকক নানা ভাবে বঞ্চিত কৰিছে আৰু দুখীয়া মানুহ বিলাকৰ অৱস্থা সোচনীয় হৈ পৰিছে আৰু সেই কাৰণেই ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত হোৱা নিৰ্ব্বাচনী বিলাকত ৰাইজে জনতা পাৰ্টিক নাকচ কৰিছে। সেইবিলাক কথা নকলেও আমাৰ মাননীয় সদস্য সকলে জানিবলৈ পাইছে। আগতে ২০ দফীয়া আঁচনিৰ নামত আমাৰ মাটিহীন লোক সকলক মাটি দিয়া হৈছিল আৰু নিবনুৱা সমস্যা সমাধান কৰাৰ কাৰণে নানা ধৰণৰ প্ৰস্তাৱ লোৱা হৈছিল কিন্তু এতিয়া সেই সকলো বিলাক কথা তল পৰিল আনকি যাক মাটি দিয়া হৈছিল সেইবিলাকো কাঢ়ি নিয়া হৈছে।

(সদনত গণ্ডগোল চলি থাকে)

এতিয়া আমি কি দেখিবলৈ পাইছোঁ ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত অনুসূচিত সম্প্ৰদায়ৰ লোক সকলৰ ওপৰত নানা ভাবে জোৰ জুলুম আৰু অত্যাচাৰ চলি আছে আনকি সেই মানুহ বিলাকৰ ঘৰ-দুৱাৰ পৰ্যন্ত পুৰি দিছে আৰু যিবিলাক ট্ৰাইবেল লোকক মাটি দিয়া হৈছিল সেই সকলৰ সেই মাটিৰ পৰা উচ্ছেদ কৰা হৈছে।

*শ্ৰীভুবনেশ্বৰ বৰ্ম্মণ :— এনেকুৱা ঠাইত পট্টন দিয়া হৈছিল যে তাত কেনেকৈ বসবাস কৰিব সেইটোহে প্ৰশ্নৰ কথা।

*শ্ৰীঅতুল গোস্বামী :— মাটি দিয়া নাই, দিছিল কিছুমান আবণ্ডন পত্ৰ, শৰত সিংহ আৰু টাইমুৰ চাহাবে দিছিল, তাত মাটি লাগি আছে।

*শ্ৰীমতী আনোৱাৰা টাইমুৰ :— সেই লোক সকল পুঁজিবাদী যি সকল মাটিৰ মালিক, এই মাটিৰ মালিক সকলে খেতি কৰাৰ পিচত খেতিৰ পথাৰৰ পৰা জয় জনতা বুলি ধান কটাই লৈ আনে। সেই কাৰণেই আজি শ্ৰমিক শ্ৰেণীয়ে, মাটিহীন লোক আৰু অনুসূচিত জাতি আৰু জনজাতিৰ লোক আৰু অৰ্থনৈতিক ক্ষেত্ৰত পিচপৰা সেই সকল লোক আতংকিত হৈছে। ইন্দীৰা গান্ধীৰ নেতৃত্বত আমাৰ ৰাজ্যত যিবিলাক হোৰ্দাৰ আছিল আৰু ব্লেক মাৰ্কেটিয়াৰ আছিল সেইবিলাকৰ ওপৰত জৰিমনা কৰা হৈছিল কিন্তু এতিয়া জনতা দলৰ নেতৃত্বত তেনে কোনো ধৰণৰ ব্যৱস্থা এই লোক সকলৰ ওপৰত কৰা হোৱা নাই, সেই ব্যৱস্থা এতিয়া লোৱা হলে আমি আনন্দ পালোহেতেন। তেওঁলোক শাসনত থাকক তাত আমাৰ আপত্তি নাই কিন্তু শাসনত থাকি যদি এই দুখীয়া মানুহ বিলাকৰ হীতৰ অৰ্থে কাম কৰিব নোৱাৰে তেতিয়াহলে ৰাইজে জনতা পাৰ্টিক কেনেকৈ সমৰ্থন কৰিব?

(সদনত গণ্ডগোল চলি থাকে)

*Speech not corrected.

আৰু এটা কথাত আমি দুখ পাইছোঁ যে আওপকীয়াকৈ কৈছে যে বৃটিছে পুজীপতি সকলৰ হাতত শাসন ভাৰ দি থৈ গ'ল, তাৰ মানে গান্ধীজী মতিলাক নেহেৰুৰ হাতত শাসন ভাৰ অৰ্পণ কৰা হ'ল, তেখেত সকল এনেধৰণৰ বিৰোপ মন্তব্য কৰাতো উচিত হোৱা নাই। বিধান সভাত যি সকল মাননীয় সদস্য উপস্থিত আছে তেওঁলোকে নিশ্চয় কাগজে-পত্ৰে দেখিছে ৰেডিয়োৰ যোগেদি শুনিবলৈ পাইছে কেনেদৰে আমাৰ ভাৰতবৰ্ষত বিভিন্ন ঠাইত জনতা পাৰ্টিৰ বিপৰ্যয় ঘটিছে, আজি বিহাৰ, উত্তৰ প্ৰদেশ, হাৰিয়ানা আদিত চাওক কি হৈছে আনকি কেন্দ্ৰীয় মন্ত্ৰি সভাতেই প্ৰধান মন্ত্ৰী মোৰৰাজী দেশাই, চৰণ সিং জগজীৱন ৰামৰ মাজত কেনেদৰে মনোমালিন্য ঘটিছে। এই প্ৰস্তাৱ আনি জনতা পাৰ্টিৰ সদস্য সকলে ভাবিছে যে তেওঁলোক ৰাইজৰ পৰা অভিনন্দন পাব আৰু তাৰ পৰা তেওঁলোকৰ ৰাজনৈতিক কিবা এটা লাভ হব। কিন্তু যিটো ভবা হৈছে সেইটো নহয়, এনেধৰণৰ প্ৰস্তাৱ আনি ৰাইজৰ পৰা কেতিয়াও সমৰ্থন নাপায়, বিৰোধী পক্ষৰ সকলো সদস্যই জানে আৰু আন পক্ষৰ সদস্য সকলেও জানে যে আজি সমাজবাদৰ নামত দেশত নানা ভাবে অৰাজকতাহে চলিছে, দেশৰ পুঁজীপতি সকলক এফালে সমৰ্থন জনোৱা হৈছে আৰু আনহাতেদি আমাৰ দুখীয়া ৰাইজৰ ওপৰত নানা ভাবে অত্যাচাৰ আৰু জুলুম চলিছে, এইবোৰ কথা ইয়াতেই নহয় গাৱে-ভূঞে সকলোৱে এই বিষয়ে গম পাইছে। সেইকাৰণেই আজি অলপ দিন পিচতেই যিবিলাক নিৰ্বাচন হৈছে সেই সকলোতে জনতা পাৰ্টিক ৰাইজে নাকচ কৰিছে। এই বিলাক কাৰণতেই মই জনতা পাৰ্টিক সাৱধান বাণী শুনাই থৈছো যাতে তেওঁলোকে দুখীয়া ৰাইজৰ হকে কিবা এটা ভাল কাম কৰে। প্ৰস্তাৱটো মই তিব্ৰ ভাবে বিৰোধিতা কৰি সামৰণি মাৰিলো।

শ্ৰীগোলোক কাৰ্কীঃ— মাননীয় সদস্য গৰাকীয়ে আন এটা প্ৰস্তাৱ আনি ইন্দিৰা গান্ধীঅ ধন্যবাদ দিয়াৰ কাৰণে এটা ধন্যবাদ সূচক প্ৰস্তাৱ আনিলে হ'ল।

Shri A. N. Akram Hussain :— জনতা চৰকাৰ যোঠা হাঁয়, দেচকা জনতা ভোকা মৰতা হাঁয়।

শ্ৰীযোগেন গগৈঃ— মাননীয় উপাধ্যক্ষ মহোদয়, মই এই প্ৰস্তাৱৰ বিৰোধীতা কৰিছো আৰু এই সম্পৰ্কত দুখাৰ মানকবলৈ আগবাঢ়িছো।

(সদনত এটা হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)

মোৰ প্ৰতিবাদ কৰাৰ অধিকাৰ আছে।

(গণ্ডগোল)

চি, পি, আই কংগ্ৰেছৰ কথা অহা নাই। প্ৰস্তাৱৰ কথা আহিছে। ভাৰতত ইতিমধ্যে গণতন্ত্ৰ স্থাপিত হোৱাৰ সম্ভাৱনা উপস্থিত হৈছে। সেয়ে আমাৰ গণতন্ত্ৰৰ বিকাশ সাধনৰ মাজেৰে এই গণতন্ত্ৰ শক্তিশালী হব। আমাৰ দেশৰ ভিতৰে বাহিৰে থকা সম্ৰাজ্যবাদী শক্তি, পুজিবাদী শক্তি ঐক্যবদ্ধ হৈছে। আমি জানো এবাৰ গণতন্ত্ৰ প্ৰতিষ্ঠা হলে তাক শক্তিশালী কৰিব লাগিব। সেই কাৰণে দেশৰ বাহিৰত আৰু ভিতৰত থকা সাম্ৰাজ্যবাদী শক্তি সমূহৰ প্ৰতি সাৱধান থকা উচিত। গতিকে মই সদনক আহবান জনাম, অসমৰ জনসাধাৰণক আহবান জনাম, সাৱধানতাৰে সৈতে কাম কাজ চলাই যাব লাগিব। মই জনাত বৰ্তমান আমাৰ দেশত এটা বামপন্থী গণতান্ত্ৰিক শক্তি প্ৰতিষ্ঠাৰ সম্ভাৱনা হৈ পৰিছে। এই বামপন্থী গণতান্ত্ৰিক শক্তিৰ মাজেৰে গণতন্ত্ৰৰ পথ ৰচনা কৰাৰ জৰুৰী প্ৰশ্ন হৈ পৰিছে। মই নকওঁ বামপন্থী আৰু গণতান্ত্ৰিক শক্তি বুলিলে আপোনালোকে কি বুজ কিন্তু বুজা উচিত।

(গণ্ডগোল)

Mr. **Deputy Speaker**:—Order, order, I will read out Rule 275 and I hope the honourable members will mind it. It says, "while the house is sitting a member shall not interrupt any member while speaking by improper expression or noise or by improper manner" and yet there is another rule, rule 11 says, "while the house is sitting a member shall not obstruct or interrupt the proceedings and shall avoid making running commentaries when speeches are being made in the House".

শ্ৰীযোগেন গগৈ ঃ— উপাধ্যক্ষ মহোদয়, আমাৰ দেশ খনৰ উৎপাদিকা শক্তি মুক্ত হোৱা নাই। গণতন্ত্ৰবাদৰ হেচাত কবজাত উৎপাদিকা শক্তি অন্তৰ্নিহীত হৈ আছে। গতিকে বৈজ্ঞানিক বিশ্লেষণেৰে আমি এই বিলাক ভালকৈ চাব লাগিব। আমাৰ দেশৰ শতকৰা ৮০ ভাগ মানুহ গাঁৱত বাস কৰে, খেতি-পথাৰ কৰে, আমাৰ দেশ খনৰ খেতিৰ বুনিয়াদ গঢ়ি তুলিব লাগিব। কিন্তু দেখা গৈছে আমাৰ কৃষিৰ অৰ্থনৈতিক বুনিয়াদ গঢ়া দূৰৰ কথা, কৃষকৰ আজি হাহাকাৰ অৱস্থা ভূমিহীন কৃষক, বানবিধ্বস্ত যি সকল লোক আছে তেওঁলোকৰ অৱস্থা একেবাৰে নিথৰুৱা। সেই পৰিয়াল বিলাকত হাহাকাৰ, বিভীষিকাই দেখা দিছে। তেওঁলোক আজি নিৰাশ্ৰয় গতিকে নিৰাশ্ৰয়তাৰ মাজত গণতন্ত্ৰ হব নোৱাৰে। আশ্ৰয় যত নাই, তাত গণতন্ত্ৰ থাকিব নোৱাৰে। তাত সমাজবাদ, গণতন্ত্ৰ থকাটো দূৰৰ কথা।। আজি দেশত কি ঘটিছে আমি দেখা পাইছো। আজি দেশত উচ্ছেদ চলিছে, চাতাই চলিছে, তলা বন্ধ হৈছে। ৰায়তৰ ওপৰত মোকদ্দমা কৰিছে। অসমৰ মন্ত্ৰী পৰ্য্যায়ত ২২ টা মোকদ্দমা বন্ধ হৈ আছে। ইয়াৰ দ্বাৰা মাটিৰ মালিকৰ প্ৰভূত্ব চলোৱা হৈছে। বস্তু-বস্তুৰ মূল্যৰ ক্ৰয় ক্ষমতাৰ বাহিৰলৈ গৈছে। আজি গাঁৱৰ মানুহৰ ক্ৰয় ক্ষমতা সম্পূৰ্ণে নাইকীয়া হৈ গৈছে। নিথৰুৱা অৱস্থাত আজি জনসাধাৰণ পৰি আছে। আশ্ৰয় দিয়াৰ প্ৰতি লক্ষ্য কৰিব লাগিব। আজি আমাৰ দেশত সমাজত কি ঘটিছে? আমি দেখা পাইছো জাৰ্ম্মান দেমক্ৰেটিক ৰিপাব্লিকানে অলিম্পিকত বিশ্বৰ দ্বিতীয় স্থান লাভ কৰিছে। জাৰ্ম্মাণ ৰিপাব্লিকানত এক কোটি ৭০ লাখ মানুহ অথচ বিশ্বত অলিম্পিকত দ্বিতীয় স্থানৰ যোগ্যতা লাভ কৰিছে। আমাৰ ভাৰত বৰ্ষত ৬৫ কোটি মানুহ আছে। কিন্তু অলিম্পিকত ৰূপকৰ পদক আনিব নোৱাৰিলে। এটা ৰূপকৰ পদক আনি বাতৰি কাকতত ভাৰতৰ নাম তুলিব নোৱাৰিলে।

সেই বিলাক দেশত নিবনুৱা সমস্যা নাই। তাত শিক্ষা দিবলৈ যোৱাৰ আগতে মকৰল কৰাৰ ব্যৱস্থা থাকে। শিক্ষাৰ পৰা ওলাই অহাৰ লগে লগে চাকৰি পায়। সেই ব্যৱস্থা আমি দেখা পাইছো। গতিকে সেই বিলাক দেশত নিবনুৱা সমস্যা নাই। আমাৰ শিক্ষাত কি দেখিছো। আজি আমাৰ দেশত এটা বুৰ্জোৱা শ্ৰেণীৰ পঢ়োৱাৰ ব্যৱস্থা হৈছে। শিক্ষাৰ ক্ষেত্ৰত বৈষম্য মূলক নীতি লোৱা হৈছে। আনহাতে বুনিয়াদী শিক্ষা প্ৰচলণৰ কথা কোৱা হৈছে। সেই বিলাক দেশত দেখিছো জনশিক্ষা সংস্কৃতিৰ ক্ৰম বৰ্দ্ধমান বিকাশ হৈছে। পূৰ্ণ লক্ষ্যত আগবঢ়াই লৈ যোৱাৰ কাৰণে শিক্ষা, সংস্কৃতিৰ বিস্তাৰ হব লাগিব। দেশৰ মূল নীতিৰ ভিত্তিত শিক্ষা সংস্কৃতি গঢ়ি তুলিব লাগিব। কিন্তু আমাৰ দেশত ওলোটা ঘটিছে। উৎপাদনৰ ক্ষেত্ৰত উৎপাদিকা শক্তি মুক্ত নহয়। সমাজবাদী দেশত উৎপাদন সমবায় ভিত্তিত হব লাগিব। আমাৰ দেশত সমবায় নিৰ্ব্বাচন বুলিলে লেইলেই-চেইচেই কৰে। এতিয়া আগৰ সমস্যাই দেখা দিব। সমবায়ত বিশ হাজাৰ টকা অপচয় হোৱাৰ দৰে ঘটনা ঘটি আছে। মোৰ খাউবা সমষ্টিত বকতা মোজাত সমবায় নিৰ্ব্বাচনৰ দিন ঠিক কৰা হল। মনোনয়ণ পত্ৰ লোৱা হল। এতিয়া মনোনয়ণ পত্ৰ অগ্ৰাহ্য হল। আগতে নিৰ্ব্বাচন বাতিল কৰি অবৈধ এড-হক কমিটি পাতিলে। এই এড-হক কমিটি কৰি নিৰ্ব্বাচন পাতিবলৈ দিয়া হল। এই বছৰ মনোনয়ণ পত্ৰ লোৱাৰ পিচত নিৰ্ব্বাচন নাকচ কৰিলে। এইটো কৰি আকৌ এড-হক কমিটি কৰাৰ ব্যৱস্থা কৰিলে। এই দৰে কৰিলে সমবায় নহব। তাৰ প্ৰতি সাৱধানতা অৱলম্বণ কৰিব লাগিব। সামাজিক ব্যৱস্থাত সমবায়ত সজালে ভাল ফল দেখা পাম।

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) :— নিৰ্ব্বাচন নাকচ কৰিবলৈ দিয়া নাই।

শ্ৰীযোগেন গগৈ :— আজি আমি দেখিছো জলসিঞ্চনৰ প্ৰসাৰ সাধন হৈছে, স্বাস্থ্যৰ প্ৰসাৰ সাধন হৈছে। আমাৰ ইয়াতো এই বিলাকৰ প্ৰসাৰ সাধন হব লাগিব। আজি গাঁৱত শতকৰা ৮০ ভাগ মানুহ বাস কৰে। এই সকলৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া উচিত। গাঁৱত যি সকল মেহনতকাৰী আছে, শ্ৰমিক আছে, কৃষক আছে সেই সকলৰ স্বাস্থ্যৰ কাৰণে কোনো ব্যৱস্থা কৰা নাই। আজি যি বিলাকপৰিকল্পনা কৰা হয় সেই বিলাকত এই বিলাকৰ প্ৰতি চাব লাগিব। আজি আমাৰ গাঁৱত শক্তি লৈ বহি আছে, কাম নাই। আমাৰ প্ৰচুৰ প্ৰাকৃতিক সম্পদ আছে, সেই বিলাকৰ সংযোগ ঘটাব লাগিব। সংযোগ ঘটাব পাৰিলে সৃষ্টি হব। এই সৃষ্টিৰ প্ৰতি কোনো দৃষ্টিভঙ্গী নাই। আমি ইয়াৰ প্ৰতি মন কৰিব লাগিব। আজি আমি উন্নত ব্যৱস্থাৰ কথা ভাবো, সমাজবাদৰ কথা ভাবো। জন-সাধাৰণৰ মুক্তিৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। পুঁজিপতিৰ নিয়ন্ত্ৰণৰ পৰা হাত সৰিব লাগিব। আজি সমাজবাদ কৰিবলৈ যাঁওতে কাৰ্য্যসূচী গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা আছে। অকল মুখেৰে কলেই সমাজবাদ হব নোৱাৰে। সমাজবাদ এনে এটা বস্তু নহয় যে ই কাগজৰ পাতত সোমাই থাকে। জনসাধাৰণক নিস্কৃতি দিব লাগিব। প্ৰকৃত সমাজবাদ হব লাগিব। গণতান্ত্ৰিক, বৈজ্ঞানিক সমাজবাদ হব লাগিব। অসমৰ জনসাধাৰণে তাৰ কাৰণে মতবাদ ঘোষণা কৰি এটা নতুন চৰকাৰ পাতিলে, গণতন্ত্ৰ ৰক্ষা কৰিবৰ কাৰণে। এই ব্যৱস্থাৰ কাৰণে জনসাধাৰণক অভিনন্দন দিয়াৰ লগতে উন্নয়ণশীল আঁচনি লোৱাৰ দাবী জনাওঁ উন্নয়ণ মূলক আঁচনি গ্ৰহণ কৰিলে আমি সহযোগ আগবঢ়াম। উন্নয়ণ মূলক আঁচনি গ্ৰহণ নকৰাকৈ প্ৰভাব বিস্তাৰ কৰিব বিচাৰিলে তাৰ বিৰোদ্ধে সংগ্ৰাম কৰিম। এই খিনিকে কৈ প্ৰস্তাৱৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. DEPUTY SPEAKER : Now, I shall call the hon. Chief Minister.

শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মূখ্যমন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, প্ৰস্তাৱটো তিনিটা ভাগত ভগাব পাৰি। বিগত ৩০ বছৰ ধৰি যিটো কংগ্ৰেছ শাসন দেশত চলিছিল ইয়াৰ ফলত নানা কাৰণত অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত দুৰ্নীতি চলিছিল আৰু যিটোয়ে সেই চৰকাৰৰ বিৰুদ্ধে জনসাধাৰণক শান্তি পূৰ্ণ বিপ্লবৰ মাজেদি বৰ্ত্তমান চৰকাৰৰ ৰূপদিয়াত ইন্ধন যোগাইছিল।

উপাধ্যক্ষ মহোদয়, এইটো কথা ঠিক যে সেই সময়ত অতিচাৰ অত্যাচাৰ বাঢ়িছিল, শোষণ বাঢ়িছিল, দুৰ্নীতি বাঢ়িছিল আৰু চৰকাৰৰ ৰন্ধ্ৰে ৰন্ধ্ৰে দুৰ্নীতিৰ বীজ সোমাই পৰিছিল। সেই কাৰণেই দেশৰ জনসাধাৰণে সেই চৰকাৰ ওফোৰাই পেলাইছিল। গতিকে এই প্ৰস্তাৱৰ জৰিয়তে সেই অৱস্থাৰ মাজেদি তেনেকুৱা সময়তে চৰকাৰ সলনি কৰি নতুন এটা চৰকাৰ প্ৰতিস্থা কৰাৰ কাৰণে, দেশত গণতান্ত্ৰিক সামজবাদী দৃষ্টিভঙ্গীৰে যি সকল আছিল সেই সকলক দেশৰ জনসাধাৰণে জয়যুক্ত কৰি পঠিয়াইছিল আৰু সেই সকলৰ দ্বাৰাই অসমৰ চৰকাৰ গঠন কৰা হৈছে। এই চৰকাৰ কেৱল জনতা পাৰ্টিৰেই নহয়, গণতন্ত্ৰ আৰু সমাজবাদত বিশ্বাসী বিভিন্ন দলৰ মানুহৰ পৰাও এই চৰকাৰটোক সমৰ্থন দিছে। গতিকে এই প্ৰস্তাৱৰ দ্বাৰা কংগ্ৰেছ চৰকাৰক পৰাস্ত কৰি গণতন্ত্ৰমূখী সমাজবাদত আস্থা থকা গণতান্ত্ৰিক চৰকাৰ গঠন কৰাৰ কাৰণে জনসাধাৰণক অভিনন্দন জনোৱা হৈছে। প্ৰস্তাৱটোৰ শেষৰ পিনে চৰকাটোৰ উদ্দেশ্য কি, কেনে চৰকাৰ হব লাগে তাৰ বিষয়ে কোৱা হৈছে আৰু তাৰ প্ৰতি ৰাজ্যৰ জনসাধাৰণৰ সহায় সমৰ্থন কামনা কৰা হৈছে আৰু জনসাধাৰণক সহায় জনাবলৈ আহবান কৰা হৈছে। গতিকে এই প্ৰস্তাৱ দোষনীয় হব নোৱাৰে। এই প্ৰস্তাৱ গ্ৰহণ হব নালাগে বুলি যি সকলে সভাকক্ষ ত্যাগ

কৰি গৈছি গৈছে আৰু বিতৰ্কত অংশ গ্ৰহণ কৰা নাই সেই সকলে এই প্ৰস্তাৱটোৰ মূল কথা বিলাক অৰ্থাৎ সমাজবাদী গণতান্ত্ৰিক দিশত এটা নতুন ব্যৱস্থাৰ দ্বাৰা ৰাজনৈতিক দুৰ্নীতি দূৰ কৰাত নিজৰ নিশ্চয়তা নাই বুলি কব লাগিব। আন যিসকল বন্ধুৱে এই চৰকাৰৰ চৰিত্ৰ কেনে হব সেই বিষয়ে সন্দেহ প্ৰকাশ কৰিছে আৰু যি সকলে নিজৰ পৰামৰ্শ দাঙি ধৰিছে তেখেতসকলৰ পৰামৰ্শ আমি সহানুভূতি সহকাৰে আৰু দায়িত্ব সহকাৰে লক্ষ্য কৰিম আৰু যিমান দূৰ পৰা যায় কাৰ্য্যকৰী কৰিবলৈ চেষ্টা কৰিম। ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ আৰু এই গণতন্ত্ৰ আজিলৈকে সম্পূৰ্ণৰূপে পৃথিৱীৰ কোনো দেশতে প্ৰতিষ্ঠা কৰিব পৰা হোৱা নাই। কাৰণ গণতন্ত্ৰ আৰু সমাজবাদ দুয়োটাৰ এৰাব নোৱাৰা সম্বন্ধ আছে। গণতন্ত্ৰক বাদ দি সমাজবাদ সম্পূৰ্ণ নহয় বুলি মই ভাবো আৰু গণতন্ত্ৰত বিশ্বাস ৰাখি একনায়কত্ববাদ শেষ কৰি যিটো গণতান্ত্ৰিক চৰকাৰ হৈছে সেইটো সমাজবাদী চৰকাৰ হব বুলিয়েই আমি ভাবিব লাগিব।

শ্ৰীনৰেণ দত্ত :— মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো। অৰ্থনৈতিক গাঠনিৰ উৎপাদিকা শক্তিৰ ওপৰত ভিত্তি কৰি সৃষ্টি হয় ৰাজনৈতিক, ন্যায়িক আৰু বিভিন্ন ধৰ্মীয় ধাৰাসমূহ। গতিকে অৰ্থনৈতিক গাঠনিৰ আমূল পৰিবৰ্ত্তন নকৰাকৈ সমাজত শুদ্ধ সমাজবাদী ব্যৱস্থাৰ সৃষ্টি হব পাৰেনে কি এইটো মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টীকৰণ বিচাৰিছো।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— অৰ্থনৈতিক গাঠনিৰ নিশ্চয় আমূল পৰিবৰ্ত্তন হব লাগিব। সেই কাৰণে জনতা পাৰ্টিয়ে বুজিব পাৰিছে যে কেন্দ্ৰত আৰু আমাৰ ইয়াতো এতিয়ালৈকে চলি অহা অৰ্থনৈতিৰ কাৰণেই যোৱা ত্ৰিশ বছৰ ধৰি কংগ্ৰেছ চৰকাৰে দেশৰ মুষ্টিমেয় মানুহৰ কাৰণে সুবিধাৰ সৃষ্টি কৰিছিল। সেই অৰ্থনীতিৰে দেশৰ পুঁজিবাদী শক্তিক আৰু শক্তিশালী কৰিছিল আৰু সমাজৰ এমুঠি মানুহৰ হাতলৈ ধন যোৱাৰ পথ সুগম কৰি দি সৰ্ব্বসাধাৰণক শোষণ কৰিছিল। বৰ্ত্তমান জনতা পাৰ্টিয়ে যি সৰ্ব্বসাধাৰণ বুলিলে শতকৰা আশী ভাগ দেশৰ খেতিয়ক মানুহ সেই সকল লোকৰ অৰ্থ-নৈতিক গাঠনি সম্পূৰ্ণ নতুন কৰিব লাগিব। কৃষিৰ উৎপাদনৰ ওপৰত মূল গুৰুত্ব দি আন যিবিলাক উদ্যোগত কম টকা খৰচ কৰি অধিক মানুহক নিয়োগ কৰিব পৰা যায় আৰু তাৰ দ্বাৰা নিবনুৱা সমস্যা সমাধান কৰাত সোনকাল হয় তেনে অৰ্থনৈতিক গাঠনি কৰাৰ কথা চিন্তা কৰা হৈছে আৰু তাৰ ওপৰত ভিত্তি কৰিয়েই জনতা পাৰ্টিয়ে দেশৰ অৰ্থনৈতিক পৰিবৰ্ত্তন কৰাৰ কথা আগত ৰাখি কামত আগবাঢ়িবলৈ লৈছে। আৰু আমি অসমতো সেই একেই ব্যৱস্থাৰে এইটো কৰিবলৈ যাওঁতে বিভিন্ন সমাজবাদী দল আৰু গণতান্ত্ৰিক পদ্ধতিত বিশ্বাসী সমাজবাদী বিভিন্ন যিবিলাক অনুষ্ঠান আদি আছে সেই অনুষ্ঠান বিলাককো এই উদ্দেশ্যত ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰা হৈছে আৰু সেই একে আদৰ্শ আৰু তাৰ বাহিৰেও যিবিলাক বিভিন্ন আদৰ্শ আৰু ৰাজনৈতিক পন্থাৰ দলসমূহ আছে সেই সকলকো এই একে আদৰ্শতে উদ্বুদ্ধ কৰিবলৈ বিভিন্ন দেশত বিভিন্ন পন্থা লবলগীয়া হৈছে। আজি যদি ধৰা হয় ইউৰোপৰ যিবিলাক দেশত পাৰ্লিয়া-মেন্টৰি পদ্ধতি চলি আছিল সেই বহু বছৰ ধৰি চলি থকা পদ্ধতিত শক্তিশালী কমিউনিষ্ট পাৰ্টিয়ে যি পদ্ধতি লৈছে তাক ইউৰো—কমিউনিজম বুলি কোৱা হৈছে। ইটালি ফ্ৰান্স আদিত আনকি ফ্ৰাঙ্কোৰ বহু বছৰীয়া একনায়কত্ববাদী শাসনত অত্যাচাৰৰ মাজেদি ওলাই অহা স্পেইন আদিতো কমিউনিষ্ট পাৰ্টিয়েও বহুদলীয় গণতান্ত্ৰিক ব্যৱস্থা সমৰ্থন কৰিছে, 'ডিক্টেটৰশ্বিপ্ অব দি প্ৰলেটৰিয়েট' কথাষাৰো বাদ দিছে। আমাৰ দেশৰ জনতা পাৰ্টিয়েও গাঁওমুখী অৰ্থনীতিৰ দ্বাৰা ক্ষমতা আৰু পুঁজিৰ বিকেন্দ্ৰীকৰণ কৰি ভিত্তিত নতুন অৰ্থনীতি গঢ়ি তুলি সমাজৰ পৰিবৰ্ত্তনৰ কথা কৈছে আৰু সেই দিশত অলক্ষিতেই চীন দেশৰ অৰ্থনীতিৰ বহু কথা গ্ৰহণ কৰা হৈছে অৰ্থাৎ তাৰ লগত আমাৰ ইয়াত বৰ বেছি পাৰ্থক্য নাই। কিয়নো চীনতো জনশক্তিক সেই দেশৰ প্ৰগতিৰ মাৰ্গত ব্যৱহাৰ কৰি দেশখনক আগুৱাই নিবৰ কাৰণেই তাত নতুন ৰাজনৈতিক পন্থাৰ

সৃষ্টি হৈছে। আমাৰ দেশত পালিয়ামেণ্টাৰি পদ্ধতিত ক্ষমতা আৰু পৰ্জিৰ বিকেন্দ্ৰীকৰণৰ দ্বাৰা সৰহসংখ্যক লোকক অনুষ্ঠান বা কাৰ্য্যক্ষেত্ৰত সামৰি লোৱাৰ পৰিকল্পনাৰ কথা কোৱা হৈছে। আমি অসমত তেনে ব্যৱস্থাৰেই আগবাঢ়াবলৈ লৈছো। এই ক্ষেত্ৰত প্ৰগতিশীল শক্তিৰ সৃষ্টি কৰি আমাৰ সন্মুখত উপস্থিত হোৱা বাধা-বিঘিনি বিলাক অতিক্ৰম কৰিব লাগিব। এতিয়ালৈকে থকা আইন কানুন কিছুমান এই ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰি থিয় দিছে। ট্ৰেড ইউনিয়ন আদিৰ ক্ষেত্ৰত দেখা গৈছে যে কোড অব কাণ্ডাক্ট আদি ঠিক কৰিব লাগিব। ট্ৰেড ইউনিয়নৰ সুবিধা কেনেকৈ গ্ৰহণ কৰিব পৰা যায়, বহুমুখী সুস্থ পৰিবেশ গঢ়ি তোলাৰ কাৰণে কেৰোণসমূহ আঁতৰাব লাগিব। তেনেকুৱা প্ৰগতিশীল ভাব আৰু ব্যক্তিৰ কাৰণে যিখিনি কৰিবলগীয়া আছিল সেই খিনি সোনকালে কৰি উলিয়াই লবলৈ হলে সমুখত থকা বাধা-বিঘিনি অতিক্ৰম কৰি আমি আগবাঢ়িব লাগিব। আটিবাৰীৰ ক্ষেত্ৰত অসম ৰাজ্যখনত যাতে মাটি বিতৰণ কৰিব পৰা যায় আৰু যাতে উৎপাদন কৰিব পৰা ব্যৱস্থা কৰিব পৰা যায়, চাকৰিয়াল সকলক কাম কাজত যাতে সুবিধা দিব পৰা যায় সেই সকলো বিলাক বিষয়ে চিন্তা কৰা হৈছে।

আজি শিক্ষা আৰু অৰ্থনীতি যি ভুল পথেৰে চলি আছে তাৰ মাজেদি বেকাৰ সমস্যা মানেই কেৱল যদি চহৰত কিছুমানক চাকৰী-বাকৰী, অফিছৰ কেৰাণী পিয়নৰ কামেই দিললগীয়া হয় তেনেহলে আজিৰ এই অৱস্থাত কোনেও তাক সমাধান কৰিব নোৱাৰে। নিয়োগৰ কথাৰ লগে লগে আৱশ্যক হব গোটেই দেশৰ অৰ্থনৈতিক বিকাশত আৰু সমাজৰ বিভিন্ন স্তৰত সকলো মানুহৰে সীমিত উৎপাদিকা শক্তি কাৰ্য্যত লগাব পাৰিব লাগিব। এই গোটেই কথাখিনিৰে আমি আন্তৰিকতাৰে কিবা এটা কৰিবলৈ লৈছো। তাৰ আগতে বিগত ৩০ বছৰৰ যিবিলাক আৱৰ্জনা আছে তাক আঁতৰাব লাগিব আৰু তাৰ কাৰণে যিসকলে গণতন্ত্ৰক বিশ্বাস কৰে সমাজবাদক বিশ্বাস কৰে তেখেত সকলে আমাক নিশ্চয় সহায় কৰিব আৰু কামনাও কৰো আৰু তাত যদি আমাৰ কিবা দুৰ্বলতা দেখে নিশ্চয় আমাক আঙুলিয়াই দিব। আজি যিটো প্ৰস্তাৱ এই সদনত আলোচনা কৰা হৈছে তাৰ ওপৰত বিভিন্নজনে বিভিন্ন দৃষ্টিভঙ্গি প্ৰকাশ কৰিছে আৰু সেইখিনি গোটেই অসমৰে জনমত যিহেতু অধিক সংখ্যক জনপ্ৰতিনিধিয়ে এই প্ৰস্তাৱত সমৰ্থন আগবঢ়াইছে, সেইখিনি আমি সদায় মনত ৰাখিম। এই প্ৰস্তাৱ আলোচনা কালত মাননীয় সদস্য সকলে যিবিলাক দুৰ্নীতিৰ উদাহৰণ দাঙি ধৰিছে, বিভিন্ন নিগমৰ কথা কৈছে সেইবিলাক আমি চাম। উচ্ছেদৰ কথাত এটা কথা মই পৰিস্কাৰকৈ কব খুজিছো যে নতুন চৰকাৰে কোনো ঠাইতে উচ্ছেদৰ নোটিশ দিয়া নাই। আগৰ চৰকাৰে কিছুমান অৰ্ডাৰ দি থৈ গৈছিল আৰু সেইবিলাক তলৰ কৰ্মচাৰী সকলে এতিয়া প্ৰয়োগ কৰিবলৈ চেষ্টা কৰিছে। কিন্তু আমি মঠেই তেনে কথাৰ গম পাইছো লগে লগে সেইবিলাক বন্ধ কৰিছো। আমাৰ ৰাজহ মন্ত্ৰীয়ে নিৰ্দ্দেশ দিছে।

শ্ৰমিক সকলৰ ক্ষেত্ৰত কেনেকৈ শ্ৰমিক সকলে তেওঁলোকৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে এই ট্ৰেড ইউনিয়নবিলাক যাতে আনৰ পদকীয়া হব নালাগে আৰু যাতে শান্তিপ্ৰিয়তাৰে তেওঁলোকৰ আন্দোলন চলাই যাব পাৰে তাৰ কাৰণে আৰু শ্ৰমিক সকলৰ সমস্যা সমাধানৰ কাৰণে আমি যৎপৰোনাস্তি চেষ্টা কৰি আছো। আৰু আমি আশা কৰিছো আমাৰ লক্ষ্যত উপনীত হব পাৰিম।

শ্ৰীছামচৰণ হান্দা :— মই এটা পইণ্ট অব ক্লাৰিফিকেচন বিছাৰিছো। আমাৰ চৰকাৰে বাৰে বাৰে সদনত কৈছে আৰু আগেও কৈছে যে তেখেত সকলে উচ্ছেদ কৰা নাই। কিন্তু উপাধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে চৰকাৰক জনাব খুজিছো নগাঁও জিলাৰ বটদ্ৰৱা মৌজাৰ হাইদৰী ভি, জি, আৰত এতিয়া উচ্ছেদকাৰ্য্য চলিছে নে নাই মুখ্যমন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— মই আগতে কৈছো যে আগৰ চৰকাৰে কিবা অৰ্ডাৰ হয়তো দি থৈছিল তাকে এতিয়া তলৰ বিষয়া সকলে প্ৰয়োগ কৰিবলৈ চেষ্টা কৰিছে। তেনেকুৱা বহুত মানুহেই আমাৰ ওচৰলৈ নোটিশ লৈ আহে আৰু আমি যেতিয়াই গম পাইছো তেতিয়াই সেই উচ্ছেদ বন্ধ কৰিছো ।

শ্ৰীছামচন্দ্ৰ হুদা ঃ— ১২ মাৰ্চ্চৰ পাছত যিবিলাক হুকুম হৈছে সেইবিলাকো আগৰ চৰকাৰে কৰা নেকি ?

শ্ৰীগোলাপ বৰবৰা (মখ্যমন্ত্ৰী) ঃ— মই বাৰে বাৰে কৈছো আমাৰ নতুন চৰকাৰে উচ্ছেদৰ নোটিশ দিয়া নাই ।

মাটিৰ বিষয়ে ইতিমধ্যে আগৰ যিবিলাক হিচাব আমাৰ হাতত পৰিছে আৰু যিখিনি মাটি বিতৰণ কৰিব পৰা অৱস্থাত আছে সেইখিনি বিতৰণ কৰাৰ বাবে আমাৰ ৰাজহ বিভাগে চেষ্টা কৰি আছে। আগতে মাটিৰ ক্ষেত্ৰত যিমান বিলাক আইন আদালতত তৈয়াৰ হৈছিল সেইবিলাকত কেবোন থকা কাৰণেই এই গন্দোগোলবিলাক হৈছে। গতিকে আমি এটা কমিচন কৰি দিছো আৰু তেওঁলোকক ৬ মাহ সময় দিয়া হৈছে আৰু আমি আশা কৰিছো তেখেত সকলে এটা পৰামৰ্শ দাঙি ধৰিব আৰু তেতিয়া বিভিন্ন দল উপদলে তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰিবলৈ সুবিধা পাব। তেতিয়াহে মিলিজুলি এই সমস্যাটোৰ সমাধান কৰিব পাৰিম। এইবোৰ কথাও ঠিক যে অসমলৈ বিভিন্ন সময়ত অন্য ঠাইৰ পৰা মানুহ আহিয়ে আছে আৰু জনসংখ্যা বাঢ়িয়ে আছে। জনসংখ্যাৰ যিটো হাড় চেন্‌চাচে দেখুৱাইছে অসমত শতকৰা ৩৪ ভাগ মানুহ বাঢ়িছে। সেই হিচাবে মাটিহীনৰ সংখ্যাও বাঢ়ি আছে। গতিকে এই লোক সকলোৰো সংস্থাপনৰ কথা আছে, আমি আশা কৰিছো এই সমস্যাবিলাক সমাধান কৰোতে আমি নিশ্চয় ৰাইজৰ পৰা সহায় সহযোগ পাম ।

শ্ৰীএন আক্ৰাম হুচেন ঃ— আমি মুখ্য মন্ত্ৰীক ধন্যবাদ দিছো কিন্তু চৰকাৰটো এটাই। আগৰ চৰকাৰে কৰিছে বুলি বহি থাকিলে নহব।

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ—গতিকে মই দেখিছো এই প্ৰস্তাৱটোত বিৰোধীতা কৰিবলৈ একো নাই। যিসকলে বিৰোধীতা কৰিছে, যি সকলে আজি দেশত গণতন্ত্ৰ সমাজবাদ ইত্যাদিৰ আৱশ্যক নাই বুলি ভাবে তেওঁলোকে ইতিমধ্যে ওৱাক্‌-আউট কৰিছে আৰু ইয়াত থাকি যি সকলে বিভিন্ন দৃষ্টিভঙ্গি দাঙি ধৰিছে তেওঁলোকৰ কথাখিনি শুনিছো আৰু সেইমতে ব্যৱস্থা কৰিবলৈ চাম। এইখিনিকে কৈ মাননীয় সদস্য সকলক ধন্যবাদ জনাই মোৰ বক্তৃতাৰ সামৰণী মাৰিলো ।

Shri SANT RANJAN DASGUPTA—Sir, the mover has got the right to reply.

Mr. DEPUTY SPEAKER:—No, No. There is no time. Now I put the Resolution. The Resolution is, —

"অসমত দীৰ্ঘ দিন ধৰি চলি থকা ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিকভাবে দুৰ্নীতিগ্ৰস্থ, স্বেচ্ছাচাৰিতা, ওপৰ গধুৰ আমোলাতান্ত্ৰিক, সংবিধান আৰু আইনৰ শাসন বিৰোধী আৰু অগনতান্ত্ৰিক চৰকাৰ অন্ত কৰি অসমৰ জনসাধাৰণে এটা নতুন প্ৰগতিবাদী, গণতান্ত্ৰিক সমাজবাদী চৰকাৰ গঠন কৰি গণতন্ত্ৰৰ ভেটি সুদৃঢ় কৰাৰ কাৰণে আজিৰ এই বিধান সভাই অসমৰ ৰাইজলৈ আৰু ঐকান্তিক আৰু বৈপ্লৱিক অভিনন্দন কৰাৰ লগতে এক

নতুন অৰ্থনৈতিক ব্যৱস্থাৰ জৰিয়তে অগনন দৰিদ্ৰ নিস্পেষিত অবহেলিত জনসাধাৰণৰ আশা আকাংখ্যা পূৰণ কৰি দেশৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক আদি সকলো দিশতে এক আমূল পৰিবৰ্ত্তন সাধি এখননতুন সমাজবাদী অসম গঢ়ি তুলিবলৈ আহ্বান জনায় আৰু এই প্ৰচেষ্টাত সকলো প্ৰকাৰৰ সহায় সহযোগ আগবঢ়াবলৈ সমূহ ৰাইজলৈ বিনীত অনুৰোধ জনাও"

(The Resolution is passed by voice vote )

The House stands adjourned till 10 A. M. tomoorow.

---

## ADJOURNMENT

The House then rose at 5 P. M. and s ood adjourned till 10A. M. on wednesday the 31st May 1978.

Dated Dispur
The 30th May, 1978.

P. D. BARUA,
Secretary,
Assam Legislative Assembly.

AGP. (L.A.)—350/80—1300 1·81.